# নগাঁচিয়ান




সপ্তদশ- অষ্টদশ যুটীয়া সংখ্যা
২০০৫-২০০৬-২০০৭

সম্পাদক দ্বয়
প্রাঞ্জল বৰুৱা
ভৃগু কুমাৰ বড়া

# NOGAUCIAN : Annual Journal 2005-06-07

North Gauhati College
Editor - Pranjal Baruah & Bhrigu Kumar Bora
Publisher - Students' Union Body
North Gauhati College
North Guwahati, College Nagar, Ghy -31



**Magazine Editorial Board**

Students(Standing L to R) : Manab Kumar Borah, Pranjal Baruah (Secy. 2006-07), Rupankur Talukdar, Bhrigu Kumar Borah (Secy. 2005-06)
Teachers (Sitting L to R) : Jitendra Kumar Choudhury, Tarini Kanta Haloi, Dr. Sarbananda Das (President), Jatindra Choudhury (In-charge 2006-07), Maloshi Choudhury, Hupesh Das.

উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ আলোচনী

# নগ'চিয়ান

আন্তৰিক প্ৰীতি আৰু শুভেচ্ছাৰে ঃ

মাননীয়,

শ্ৰীযুত/শ্ৰীযুতা ..........................................................

.......................................................... সমীপেষু

অধ্যক্ষ/তত্বাৱধায়ক/সম্পাদক

সম্পাদকদ্বয়

প্ৰাঞ্জল বৰুৱা

ভৃগু কুমাৰ বড়া

# সম্পাদনা সমিতি

সভাপতি ঃ ড° সৰ্বানন্দ দাস, অধ্যক্ষ

তত্ত্বাবধায়ক শিক্ষক ঃ শ্ৰীযতীন্দ্ৰ চৌধুৰী

সম্পাদকদ্বয় ঃ শ্ৰীপ্ৰাঞ্জল বৰুৱা

শ্ৰীভৃগু কুমাৰ বড়া

শিক্ষক সদস্য ঃ শ্ৰীমালসী চৌধুৰী

শ্ৰীহৃপেশ দাস

শ্ৰীজিতেন্দ্ৰ কুমাৰ চৌধুৰী

শ্ৰীতাৰিণী কান্ত হালৈ

ছাত্ৰ-ছাত্ৰী সদস্য ঃ শ্ৰীঋপাংকুৰ তালুকদাৰ (সাধাৰণ সম্পাদক)

শ্ৰীমানৱ কুমাৰ বড়া (সাংস্কৃতিক সম্পাদক)

বেটুপাত অংকন ঃ শ্ৰীবিজয়ানন্দ বৰুৱা

মুদ্ৰক ঃ হনুমান অফচেট প্ৰিন্টাৰ্ছ, বজাদুৱাৰ, উত্তৰ গুৱাহাটী।



# শ্বহীদ স্মৃতি

আ..........আ...........আ  
এ মেৰে ৱতন কে লোগো  
তুম্ খুৱ লগা লো নাৰা  
য়ে শুভদিন্ হ্যে হম সব্‌কা  
লহ্‌ৰা তিৰংগা প্যাৰা  
পৰ্ মত্ ভুলো সীমা পৰ্  
বীৰো নে হ্যে প্ৰাণ গৱায়ে  
কুছ্ য়াদ উন্‌হে ভী কৰনা  
জো লোট্‌কে ঘৰ না আয়ে  
এ মেৰে ৱতন্ কে লোগো  
জৰা আঁখ মে ভৰ্ লো পানী  
যো শ্বহীদ হুঁ এ হ্যে উন্‌কী  
জৰা য়াদ কৰো কুৰবাণী  
তুম্ ভুল ন যাৰো উন্‌কো  
ইস্‌লিএ সুনো য়ে কহানী  
যো শ্বহীদ হুঁ এ হ্যে উন্‌কী  
জৰা য়াদ.............."

# শ্বহীদ স্মৰণ

হে শ্বহীদ;
প্ৰণামো তোমাক,
নিজ জীৱনকো তুচ্ছ জ্ঞানি
মাতৃভূমিৰ ন্যায্যপ্ৰাপ্তি
জননীৰ হিত সাধো ভাবি
নশ্বৰ দেহ উৎচৰ্গিলা তুমি
নিজৰ সকলো আশা ত্যাগি।
জীৱনৰ উচ্চ আকাংক্ষাকো নেওঁচি
স্বাৰ্থপৰতাৰ কবচ ভেদি
দেশ-দহৰ ভৱিষ্যতলৈ বুলি
নিজ দেহ-প্ৰাণ আঁহুতি দিলা
তোমাৰ আদৰ্শ, দিক্ দ্ৰষ্টা হওঁক বুলি।
হে শ্বহীদ; কায়িক দৃষ্টিত হয়তো তুমি
পৰিত্যাগিলা অসমভূমি
তুলনাবিহীন আদৰ্শ তোমাৰ
লীণ হৈ নাযায় হৃদয়ত আমাৰ
সেই আশাৰে আজি
সুৱৰিছোঁ তোমাক অকপটে
আদৰ্শ তোমাৰ চিৰ প্ৰবাহিত হওঁক
নগ'চিয়ানৰ শোণিতৰ প্ৰতিটো বিন্দুতে।

শ্ৰীটিকেন্দ্ৰজিৎ শৰ্মা
জ্যেষ্ঠ প্ৰবক্তা, নৃতত্ত্ব বিভাগ





# অশ্ৰুমালিকা



স্বৰ্গীয় সংগীতা বৰা
স্নাতক তৃতীয় বৰ্ষ (কলা)
জন্ম - ১৪ জানুৱাৰী, ১৯৮৬
মৃত্যু - ৬ ডিচেম্বৰ, ২০০৭





স্বৰ্গীয় মঞ্জিত দাস
প্ৰাক্তন ছাত্ৰ (কলা)
জন্ম - ৫ এপ্ৰিল, ১৯৮৩
মৃত্যু - ১৬ জুলাই, ২০০৭

মৃত্যু তোমালোকৰ মহত্বৰ পৰিচায়ক।
বহু সোনকালেই আঁতৰি গ'লা জীৱনৰ বুকুৰ পৰা।।
আমাৰ ইয়াত প্ৰচণ্ড শীত এতিয়া
আমি অনুভৱ কৰিছোঁ।
কৰি যাম তোমালোকৰ শূন্যতা...............

**Prof. (Dr.) Amarjyoti Choudhury**
*Vice-Chancellor*

☎ : + 91- 361- 2570412 (O)
Fax : + 91- 361- 2700311
**GAUHATI UNIVERSITY**
Gopinath Bardoloi Nagar
Guwahati - 781014
Assam : India

## শুভেচ্ছাবাণী

মই জানিবলৈ পাই সুখী হৈছো যে, উত্তৰ-গুৱাহাটী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ বাৰ্ষিক আলোচনী 'নগ'চিয়ান' ২০০৫-০৬ (সপ্তদশ সংখ্যা) আৰু ২০০৬-০৭ (অষ্টাদশ সংখ্যা) যুটীয়াভাৱে প্ৰকাশৰ যো-জা চলোৱা হৈছে। এই আলোচনীখনৰ মাজেৰে ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্যিক প্ৰতিভা বিকশিত হৈ সমাজ আৰু দেশৰ বৌদ্ধিক তথা সাংস্কৃতিক বিকাশত এক গুৰুত্বপূৰ্ণ ভূমিকা ল'ব বুলি আশা কৰিলোঁ। ছাত্ৰ-ছাত্ৰীসকলে ভৱিষ্যৎ জীৱনৰ বাবে নিজকে প্ৰস্তুত কৰি লোৱাৰ লগতে একোজন সৎ আৰু আদৰ্শবান ব্যক্তি হ'বলৈও প্ৰতিজ্ঞাবদ্ধ হ'ব লাগে।

সমূহ ছাত্ৰ-ছাত্ৰীৰ সৰ্বাঙ্গীন উন্নতিৰ কামনাৰে -

তাৰিখ - ০৭-০৮-২০০৭

অমৰজ্যোতি চৌধুৰী

(ড০ অমৰজ্যোতি চৌধুৰী)
উপাচাৰ্য্য,
গুৱাহাটী বিশ্ববিদ্যালয়





অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট- ৭৮৫০০১ ❑ ☎(০৩৭৬)২৩২০৩৭৬
গুৱাহাটী কাৰ্যালয় ঃ ভগৱতী প্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী- ৭৮১০০১ ❑ ☎(০৩৬১)২৫১৫৮৩০
ফেক্স ঃ ২৭৩১৬৯৫
ডিফু কাৰ্যালয় ঃ বাংছিনা ভৱন, ডিফু- ৭৮২৪৬০ ❑ ☎(০৩৬৭১)২৭২৫৯০
ধুবুৰী আঞ্চলিক কাৰ্যালয়, ধুবুৰী- ৭৮৫০০১ ❑ ☎(০৩৬৬২)২৩২৫২৮
ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়, ৰামেশ্বৰলাল চহৰীয়া সংহতি ভৱন, ডিব্ৰুগড়- ৭৮৬০০৩

শ্ৰীকনকসেন ডেকা
সভাপতি



## শুভ-কামনা

*ঐতিহ্যমণ্ডিত উত্তৰ গুৱাহাটী মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ বাৰ্ষিক মুখপত্ৰ 'নগ'চিয়ান' অলপতে প্ৰকাশ পাব বুলি জানিব পাৰি সুখী হ'লো। উত্তৰ গুৱাহাটী মহাবিদ্যালয়ে ইতিমধ্যে ভালেকেইগৰাকী সফল কবি-সাহিত্যিকক উলিয়াবলৈ সক্ষম হৈছে। এই শিক্ষানুষ্ঠানৰ পৰাই শিক্ষা লাভ কৰি ৰাজ্যখনৰ সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰলৈকো ভালে কেইগৰাকীয়ে বিশেষ অৰিহণা আগবঢ়াইছে। শিক্ষা প্ৰতিষ্ঠানটোৰ এই ধাৰাবাহিকতা ভৱিষ্যতে যাতে অধিক উজ্জ্বল ৰূপত প্ৰকট হয়, তাকেই কামনা কৰিলো।*

*পৰিবৰ্তিত পৰিস্থতিত অসমৰ মাটি-পানীৰ স'তে বিশ্বক সংযোগ কৰাৰ অভিনৱ সুযোগ আহিছে। সেই সুযোগ গ্ৰহণৰ উদ্দেশ্যে হীনমান্যতা পৰিহাৰ কৰি বহল বিশ্বত আমাৰ ঐতিহ্যক উজ্বলাই তুলিবলৈ ছাত্ৰ-ছাত্ৰীসকল সংকল্পবদ্ধ হোৱাৰ সময় আহি পৰিছে। তেওঁলোকে আত্ম বিশ্বাসেৰে সমাজৰ যোগ্য অংশীদাৰ হ'বলৈ তৎপৰ হোৱাৰ ওপৰতে আমাৰ সমাজৰ অগ্ৰগতি নিৰ্ভৰ কৰে। বাৰ্ষিক মুখপত্ৰ 'নগ'চিয়ান' যাতে সৰ্বাংগসুন্দৰ ৰূপত প্ৰকাশ পায় তাকেই কামনা কৰিলো -*

১৮ শাওন, ১৪১৪

নগ'চিয়ান

Prof. Indira Goswami has won several National and International Awards which includes Bharatiya Jnanpith award, Sahitya Academy award, Bharat Nirman award, K.K. Foundation National award, Assam Sahitya Sabha award, International Tulsi award, Katha award etc. Film based on her novel also received National and International awards. She has been honoured with D.Litt degree from Rabindra Bharati University. She has been honoured by several Universities and Institutions. She is a member of many National and International bodies.

'RAMANJALI'
House No. 23,
Uma Kanta Goswami Enclave
Gandhi Basti,
North Sarania Bylane-6
Guwahati-781003
Ph 0361-2664266
0361-2668314
99547-11080

## PROF. INDIRA GOSWAMI M.A.Ph.D.
## (MAMONI RAISOM GOSWAMI)



— শুভেচ্ছা বাণী —

উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ বহুৱৰ্ণীয়া আলোচনী 'নগাওচিয়ান'ৰ বাবে মই মোৰ হিয়াভৰা শুভেচ্ছা জনালোঁ।

মোৰ দৃঢ় বিশ্বাস এই আলোচনীয়ে ছাত্ৰ সকলক উৎসাহিত কৰিব পাৰিব। সকলো পাঠকে এই আলোচনীৰ প্ৰবন্ধ সমূহ নিশ্চয় উপভোগ কৰিব পাৰিব। মই এই আলোচনীখনৰ দীৰ্ঘ জীৱন কামনা কৰিলোঁ।

মামনি ৰয়ছম গোস্বামী
২২-২-০৪






ড' সৰ্বানন্দ দাস
অধ্যক্ষ, উত্তৰ গুৱাহাটী মহাবিদ্যালয়
নিজ কাৰ্যালয়ত কৰ্মৰত অৱস্থাত



শ্ৰীহাচমত আলি
উপাধ্যক্ষ, উত্তৰ গুৱাহাটী মহাবিদ্যালয়



ছাত্ৰ একতা সভাৰ সদস্যসকল (২০০৬-২০০৭)

থিয় হৈ (বাওঁফালৰ পৰা, সম্পাদক সকল) ঃ সৰ্বশ্ৰী - ৰিমা দাস (ছাত্ৰী জিৰণী কোঠা সম্পাদক), ৰূপম বড়ো (বহিঃ খেল সম্পাদক), অজিত বড়ো (সহঃ সাধাৰণ সম্পাদক), কৃষ্ণজ্যোতি দাস (অন্তঃ খেল সম্পাদক), প্ৰাঞ্জল বৰুৱা (আলোচনী সম্পাদক), ভৃগু কুমাৰ বড়া (২০০৫-০৬ আলোচনী সম্পাদক), মানৱ কুমাৰ বড়া (সাংস্কৃতিক সম্পাদক), ৰূপাংকুৰ তালুকদাৰ (সাধাৰণ সম্পাদক)।

বহি (বাওঁফালৰ পৰা, তত্বাৱধায়ক সকল ) ঃ সৰ্বশ্ৰী - অনুপম ঠাকুৰীয়া (তৰ্ক বিভাগ), প্ৰদীপ কলিতা (ছাত্ৰ জিৰণী কোঠা), বুলেন কাকতি (বহিঃ খেল), মৃগেন ডেকা (অন্তঃ খেল), ড সৰ্বানন্দ দাস (অধ্যক্ষ), হাচমদ আলী (উপাধ্যক্ষ), যতীন চৌধুৰী (আলোচনী), মালসী চৌধুৰী (ছাত্ৰী জিৰণী কোঠা)।

ছবিত অনুপস্থিত ঃ সৰ্বশ্ৰী - অজিত ডেকা (তত্বাবধায়ক, সহঃ সাধাৰণ সম্পাদক), মদন দাস (তত্বাবধায়ক, সমাজ সেৱা), পিংকী বৰ্মন (উপসভাপতি), ভাস্কৰ দাস (তৰ্ক বিভাগৰ সম্পাদক), অমিত বড়ো (সমাজ সেৱা বিভাগৰ সম্পাদক), কনজ্যোতি কলিতা (ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক)।




ড সৰ্বানন্দ দাস
অধ্যক্ষ, উত্তৰ গুৱাহাটী মহাবিদ্যালয়
নিজ কাৰ্যালয়ত কৰ্মৰত অৱস্থাত



শ্ৰীহাচমত আলি
উপাধ্যক্ষ, উত্তৰ গুৱাহাটী মহাবিদ্যালয়



ছাত্ৰ একতা সভাৰ সদস্যসকল (২০০৬-২০০৭)

থিয় হৈ (বাওঁফালৰ পৰা, সম্পাদক সকল) ঃ সৰ্বশ্ৰী - বিমা দাস (ছাত্ৰী জিৰণী কোঠা সম্পাদক), ৰূপম বড়ো (বহিঃ খেল সম্পাদক), অজিত বড়ো (সহঃ সাধাৰণ সম্পাদক), কৃষ্ণজ্যোতি দাস (অন্ত ঃ খেল সম্পাদক), প্ৰাঞ্জল বৰুৱা (আলোচনী সম্পাদক), ভৃগু কুমাৰ বড়া (২০০৫-০৬ আলোচনী সম্পাদক), মানব কুমাৰ বড়া (সাংস্কৃতিক সম্পাদক), ৰূপাংকুৰ তালুকদাৰ (সাধাৰণ সম্পাদক)।

বহি (বাওঁফালৰ পৰা, তত্বাবধায়ক সকল ) ঃ সৰ্বশ্ৰী - অনুপম ঠাকুৰীয়া (তৰ্ক বিভাগ), প্ৰদীপ কলিতা (ছাত্ৰ জিৰণী কোঠা), বুলেন কাকতি (বহিঃ খেল), মৃগেন ডেকা (অন্তঃ খেল), ড॰ সৰ্বানন্দ দাস (অধ্যক্ষ), হাচমদ আলী (উপাধ্যক্ষ), যতীন চৌধুৰী (আলোচনী), মালসী চৌধুৰী (ছাত্ৰী জিৰণী কোঠা)।

ছবিত অনুপস্থিত ঃ সৰ্বশ্ৰী - অজিত ডেকা (তত্বাবধায়ক, সহঃ সাধাৰণ সম্পাদক), মদন দাস (তত্বাবধায়ক, সমাজ সেৱা), পিংকী বৰ্মন (উপসভাপতি), ভাস্কৰ দাস (তৰ্ক বিভাগৰ সম্পাদক), অমিত বড়ো (সমাজ সেৱা বিভাগৰ সম্পাদক), কনজ্যোতি কলিতা (ছাত্ৰ জিৰণী কোঠাৰ সম্পাদক)।



**OFFICE OF THE PRINCIPAL, NORTH GAUHATI COLLEGE**
P.O.~ College Nagar, Guwahati-781031

**অধ্যক্ষৰ কাৰ্য্যালয়,** **উত্তৰ গুৱাহাটী মহাবিদ্যালয়**
ডাক ঃ কলেজ নগৰ, গুৱাহাটী- ৭৮১০৩১

Ref. No. NGC......................
E-mail ~ Principalngc@hotmail.com
Ph.No.~ (0361)2690037

Date : 9. 9. 2008

## অধ্যক্ষৰ মেজৰ পৰা..........

মহাবিদ্যালয়ৰ শৈক্ষিক বাতাবৰণ অব্যাহত ৰখাত মহাবিদ্যালয়ৰ আলোচনীখনৰ ভূমিকা অনস্বীকাৰ্য। আলোচনীত প্ৰকাশিত বিষয়সমূহে মহাবিদ্যালয়খনৰ সমসাময়িক বিভিন্ন দিশ সম্পৰ্কে আলোকপাত কৰে। সেই দৃষ্টিকোণৰ পৰা ইয়াৰ এক ঐতিহাসিক তাৎপৰ্য আছে।

সেয়েহে এই মুখপত্ৰখনৰ ধাৰাবাহিকতা ৰক্ষা কৰাটো নিতান্তই অপৰিহাৰ্য। কিন্তু কিছু বছৰ পৰা প্ৰত্যক্ষ কৰা হৈছে যে বিভিন্ন কাৰণত এই মহাবিদ্যালয়ৰ আলোচনী "নগ'চিয়ান"ৰ প্ৰকাশ যথাসময়ত নোহোৱাটো এটা নিয়মত পৰিণত হৈছে। তাৰ ফলত প্ৰাপ্যজনৰ হাতত তেওঁলোক মহাবিদ্যালয়ত থকা কালত আলোচনীখন নপৰেগৈ।

সেয়েহে, মই আশা ৰাখিছোঁ, এতিয়াৰে পৰা নগ'চিয়ানৰ লগত জড়িত কৰ্মকৰ্তাসকলে ইয়াৰ সম্পাদনা তথা প্ৰকাশ সময়মতে কৰাৰ লগতে মানদণ্ড বঢ়াবলৈ প্ৰয়াস কৰিব যিটো ভৱিষ্যত প্ৰজন্মৰ বাবে এক প্ৰেৰণাৰ উৎস হৈ ৰ'ব।

জয়তু উত্তৰ গুৱাহাটী মহাবিদ্যালয়

9.9.08

সৰ্বানন্দ দাস
অধ্যক্ষ
উত্তৰ গুৱাহাটী মহাবিদ্যালয়

# সম্পাদকীয়

লিখনিৰ বেদনাত মৃত্যু হয়
কেইবাখিলা পাতৰ
কিন্তু তাৰ সমাধিত............

## প্ৰস্তাৱনা ঃ

সমনীয়াৰ স'তে যেতিয়া আড্ডাত বহো, অনৰ্গল কৈ থাকো অথবা নিৰবিচ্ছিন্ন ভাৱে শুনি থাকো তেতিয়া কোনো নিৰ্দিষ্ট বিষয় নাথাকে। এজনে আৰম্ভ কৰে এটা বিষয় আৰু সেইটো শেষ হ'বলৈ নাপাওতে আন এজনে কৰে অন্য এক বিষয়ৰ আৰম্ভণি। কিছুমান বিক্ষিপ্ত চিন্তাৰ মাজত ডুবি থাকো। কেতিয়াবা হাঁহি দিও, কেতিয়াবা সেমেকি উঠে দুচকু। কিন্তু কলমটো ললে কিছু অসুবিধা হয়। সাহিত্যতো আৰু আড্ডা নহয় যে ইটোৰ পিছত সিটো অসংলগ্ন কথা কৈ যাম। কিন্তু আজি তাকেই কৰিবলৈ ওলাইছো। পাঠকৰ সৈতে অন্তৰংগ আড্ডা। কিন্তু ক'ৰপৰা কেনেকৈ আৰম্ভ কৰোঁ। কিন্তু আড্ডাততো পাতনি নাথাকে। বিক্ষিপ্ত ভাৱে আমি পাতি যাম আমাৰ মনৰ কথা। কেতিয়াবা বিন লাডেন, কেতিয়াবা ঐশ্বৰ্য্য ৰায়, শচীন অথবা বৰ্ণালী দেৱ.............

## নষ্ট সময়ৰ নষ্ট কথা ঃ

"আমি একেখন নাৱৰে যাত্ৰী। সহযাত্ৰী একেখন নাৱৰে" বিপৰ্যয়ৰ ধুমুহাৰ মাজত ঢৌ খেলি খেলি দুখৰ সাগৰ পাৰ হ'ব খোজা নাওখনৰ আমি যাত্ৰী। তৃতীয় বিশ্বৰ নিষ্পেষিত মানুহেৰে ভৰপূৰ এখন নাও। য'ত উৰি আছে তেজৰ পতাকা। আমি পাৰ হ'ব খোজা ভোক, লাজ আৰু ভয়ৰ সময়। অথচ তেতিয়াই জ্বলি উঠে কোকৰাঝাৰ, উদাস হৈ পৰে বেলতলাৰ গধূলি। ৰাতিৰ ভিতৰতে জ্বলি যায় মছজিদ, আন ক'ৰবাত মন্দিৰ। অথচ দুখীয়া কোনো দিন দুখীয়াৰ শত্ৰু নাছিল। কোনো দুখীয়া হ'ব নোৱাৰে কোনো দুখীয়াৰ শোষক। পাৰ্থক্য নাছিল ভোক, শোক আৰু অপমানৰ। অথচ আমি ছিগি ভাগি গৈছো - মই হিন্দু - তুমি মুছলমান - এওঁ বড়ো - তেওঁ চাওঁতাল। পাহৰি যাওঁ আমি আমাৰ প্ৰকৃত পৰিচয়। আমি দুখীয়া, নিষ্পেষিত, শোষিত ক'লা মানুহ।

## তথাপিও আমিবোৰ ঃ

এতিয়া আপুনি সুধিব ইমানৰ পিছতো কিহৰ পিছত দৌৰিনো আমিবোৰ আহৰি নোপোৱা হৈছো। এই নগ্ন, কদৰ্য্য পৃথিৱীখনত কিনো বিচাৰি পাম আমিবোৰে। এৰা মানুহহে মানুহে আমিবোৰ। অসংখ্য বাসনা, ইচ্ছা, আকাংক্ষা, শক্তিৰ সমষ্টি। আমাৰ কৰ্তব্যজ্ঞান আছে, ভৱিষ্যৎ সুখৰ বাঞ্ছা আছে। চকুৰ আগতে পৃথিৱীখন শেষ হৈ যাবলৈ দিব নোৱাৰো আমি। ক'ৰবাত কেনা লাগিছে.........ক'ৰবাত নিশ্চয় বিৰাট কেনা লাগিছে, নহলেনো ইমান ধুনীয়া ৰংবোৰ বিবৰ্ণ হৈ পৰেনে?

## অন্তৰ্মণ্ডলত এভুমুকি ঃ

ঐতিহ্যমণ্ডিত আমাৰ মহাবিদ্যালয়খনো প্ৰকৃত অৰ্থত এক উৎকৰ্ষতাৰ কেন্দ্ৰ হওঁক। এইটো নিশ্চিত যে অচিৰেই উত্তৰ গুৱাহাটী গুৱাহাটী মহানগৰীৰ এক ব্যস্ততাপূৰ্ণ অঞ্চল হৈ পৰিব আৰু তেতিয়া আমাৰ মহাবিদ্যালয়ৰো গুৰুত্ব ভালেখিনি বৃদ্ধি হ'ব। সেয়েহে প্ৰয়োজন হৈছে কৰ্তৃপক্ষ, অভিভাৱক, শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰী সকলৰ এক সংঘবদ্ধ প্ৰচেষ্টা, যাৰ দ্বাৰা আমি এই মহাবিদ্যালয়ক উৎকৰ্যতাৰ কেন্দ্ৰৰূপে গঢ়ি তোলাৰ লক্ষ্যত উপনীত হ'ব পাৰিম। সন্দেহ নাই, ইয়াৰ নেতৃত্ব বহন কৰিব লাগিব মহাবিদ্যালয়ৰ অধ্যক্ষ গৰাকীয়ে। আমাৰ আশা মহাবিদ্যালয়ৰ বৰ্তমানৰ সকলো বিশৃংখলতা আঁতৰাই এক সুস্থ সবল শৈক্ষিক পৰিবেশ গঢ় লৈ উঠক।





## আমাৰ আশা ঃ

উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ আলোচনী সম্পাদক ৰূপে বাচনি হোৱাৰ দিনৰে পৰা আত্মনিয়োগ কৰিছিলো প্ৰতিশ্ৰুতি ৰক্ষা আৰু আপোনালোকৰ অসুবিধা সমূহ নিৰ্মূল কৰাৰ প্ৰয়াসত। মই মোৰ কাৰ্যকালত ছাত্ৰ একতা সভাৰ সদস্যসকলৰ বাবে এক আছুতীয়া কোঠাৰ ব্যৱস্থা কৰি দিয়াৰ বাবে অধ্যক্ষ মহোদয়ৰ ওচৰত আবেদন কৰিছিলো। এনে এক আছুতীয়া কোঠাৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিলো, যেতিয়া মই যুব বিকাশ কেন্দ্ৰৰ তৰফৰ পৰা অনুষ্ঠিত কৰা এদিনীয়া কৰ্মশালা "How to face an interview" ৰ বাবে বিভিন্ন কলেজক আমন্ত্ৰণ জনাবলৈ গৈছিলো। তাত মই দেখিছিলো যে প্ৰত্যেকখন কলেজতে ছাত্ৰ একতা সভাৰ বাবে আছুতীয়া কোঠা আৰু সকলো সদস্যৰ বাবে আছুতীয়া আসনৰ ব্যৱস্থা আছে। সেই কোঠাতে তেওঁলোকে ছাত্ৰ একতা সভাৰ সকলো সভা পাতে আৰু কলেজৰ সকলো সমস্যাৰ বিষয়ে আলোচনা কৰে। কিন্তু আমাৰ কলেজত ছাত্ৰ একতা সভাৰ নিজাববীয়া কোঠাৰ ব্যৱস্থা নথকাৰ বাবে এখন সভা অনুষ্ঠিত কৰাৰ বাবেও পুথিভঁৰাল বা অন্য কোনো কোঠাৰ বাবে কৰ্তৃপক্ষৰ অনুমতি ল'বলগীয়া হয়।

## অনুভৱৰ ভাষাৰে ঃ

আলোচনী এখন সম্পাদনা কৰা বৰ সহজ কাম নহয়। যদিহে পূৰ্বৰ অভিজ্ঞতা নাথাকে তেন্তে আৰু কঠিন হৈ পৰে। আমিও অনভিজ্ঞ। তথাপি যত্নৰ ত্ৰুটি কৰা নাই - পূৰ্ণাংগ আলোচনী এখন প্ৰকাশৰ বাবে। আপোনালোকক জনাবলৈ পাই মই আনন্দিত হৈছো যে এইবাৰ 'নগ'চিয়ান'খন দুইবছৰৰ মূৰত আপোনালোকৰ হাতত পূৰ্ণাংগ ৰূপত তুলি দিবলৈ সক্ষম হৈছো।

'নগ'চিয়ান'ৰ সম্পাদনাৰ ক্ষেত্ৰত যদি মই মোৰ দায়িত্ব সঠিক ভাবে পালন কৰিব পৰা নাই - মই জাবাব দিহি হম আপোনালোকৰ ওচৰত - সেই সাহস মোৰ আছে। মই ভাবো যে শিক্ষকবৃন্দ আৰু ছাত্ৰ একতা সভাৰ সম্পাদনা সমিতিৰ সদস্যবৃন্দৰ সহায় সহযোগ পোৱাহেতেঁন আলোচনীখন মোৰ কাৰ্যকালৰ ভিতৰতে উলিয়াব পাৰিলোহেঁতেন।

যিহেতু ভুলৰ ক্ষমা বিচৰাতকৈ ভুলৰ পুনৰাবৃত্তি নকৰাৰ অংগীকাৰত ব্যক্তিগতভাৱে অধিক গুৰুত্ব দিও সেয়েহে ভুল-ভ্ৰান্তি সমূহৰ দায়িত্ব সম্পাদকৰূপে মূৰ পাতি লৈছো আৰু সাহিত্যৰ দিশত নিজৰ অনভিজ্ঞতাৰ বাবে মাৰ্জনা বিচাৰিছো। আশাকৰো উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ মুখপত্ৰ হিচাপে 'নগ'চিয়ান'খনে নগ'চিয়ানসকলৰ আশা আকাংক্ষা সাফল্যমণ্ডিত কৰাত সমল যোগাব।

## এবাৰ অনুভৱ কৰো আহক ঃ

এবাৰ মাথো অনুভৱ কৰো আহক এটি মিঠা বেদনা, সৃষ্টিৰ বেদনা। নৱজন্মৰ নতুন উন্মাদনা। ঘোষণা কৰো আহক বিপদ সংকুল নৱ জীৱনৰ জয় যাত্ৰা........অপূৰণ কামনাৰ পম খেদি ফুৰাতকৈ এবাৰ দীঘলকৈ উশাহ লওঁ আহক তিল তিল কৈ আমি নিজে হাতে গঢ়ি তোলা সপোনৰ পৃথিৱীখনত।

"নষ্ট এন্ধাৰ জাকৰ বিৰুদ্ধে মই
কেৱল এজন কবি হৈ থাকিব নোখোজো
আদিম গিৰিৰ
আকাশ পোহৰোৱা সূৰ্যটো হৈ
ওলাব খোজো মই।"

আমাৰ মহাবিদ্যালয়খন যেন সঁচা অৰ্থত উৎকৰ্যতাৰ কেন্দ্ৰ হওঁক,

এই কামনাৰে -

জয়তু উত্তৰ গুৱাহাটী মহাবিদ্যালয়।
জয়তু উত্তৰ গুৱাহাটী মহাবিদ্যালয় ছাত্ৰ একতা সভা।
জয়তু নগ'চিয়ান।

*প্ৰাঞ্জল বৰুৱা*
*সম্পাদক নগ'চিয়ান*

# নগ'চিয়ানৰ তত্ত্বাৱধায়ক শিক্ষকৰ কলমত.........

'নগ'চিয়ান'ৰ তত্ত্বাৱধায়ক শিক্ষকৰ দায়িত্ব ইতিমধ্যে একাধিকবাৰ ল'বলগীয়া হৈছে। এই দায়িত্ব পালনৰ অভিজ্ঞতা সদায় সুখদায়ক বুলি কব নোৱাৰি। এইবেলি এজন সম্পাদক শ্ৰীপ্ৰাঞ্জল বৰুৱাৰ নিষ্ঠা আৰু ঐকান্তিকতা দেখি ভালো লাগিছে, দুখো লাগিছে কাৰণ সেই সৎ গুণখিনি থকা বাবে তেওঁৰ কষ্ট অধিকহে হৈছে। কিন্তু সম্পাদক এজনে অকলে আলোচনী এখন উলিয়াব নোৱাৰে। এইক্ষেত্ৰত মুখ্য ভূমিকা লয় মূলতঃ ছাত্ৰ-ছাত্ৰীৰ লেখাসমূহে। কিন্তু অত্যন্ত পৰিতাপৰ কথা যে লেখা সংগ্ৰহ কৰাটোৱে হৈ পৰে সবাতোকৈ কঠিন কাম। কোনোমতে, বহু বিলম্বিত ভাৱে কিছু লেখা সংগ্ৰহ হোৱাৰ পাছত দেখা যায়, সৰহখিনিয়ে প্ৰকাশৰ বাবে অনুপযোগী।

এই কথা সত্য যে সৃষ্টিশীল লেখাৰ জগতখনত প্ৰৱেশ কৰাটো সিমান উজু নহয়। ছাত্ৰ-ছাত্ৰী মানেই কবি বা গল্পকাৰ হ'ব নোৱাৰে। কিন্তু বিভিন্ন সৃষ্টিশীল ক্ষেত্ৰত প্ৰতিভাৰ স্ফুৰণ মহাবিদ্যালয়ৰ পৰ্যায়তে হোৱা দেখা যায়। তেনে ক্ষেত্ৰত সাত-আঠশ ছাত্ৰ-ছাত্ৰীৰ মহাবিদ্যালয় এখনত ভাষা-সাহিত্য চৰ্চাৰ পথাৰখনৰ উদং ৰূপটো দেখিলে আমাৰ জাতিটোৰ ভৱিষ্যত সম্পৰ্কে মনটো অজান আশংকাত কঁপি উঠে। একাগ্ৰচিত্তে সাধনা কৰিলে সকলো শিক্ষিত লোকেই সাহিত্যৰ বিভিন্ন ক্ষেত্ৰত কিছু হ'লেও বৰঙণি যোগাব পাৰে বুলিয়ে আমাৰ বিশ্বাস।

এই 'নগ'চিয়ান'খন দুটা সংখ্যাৰ যুটীয়া প্ৰকাশ। ফলত আৰ্থিক ভাৱে এই প্ৰকাশ কিছু সহজ হৈছে কাৰণ এটা শৈক্ষিক বছৰত সংগৃহীত বৰঙণিৰে এখন পূৰ্ণাঙ্গ আলোচনী প্ৰকাশ কৰাটো সম্ভৱ নহয়। সেয়েহে প্ৰতি দুবছৰৰ অন্তৰে অন্তৰে 'নগ'চিয়ান' প্ৰকাশৰ দিহা কৰা হওঁক।

ছাত্ৰ-ছাত্ৰী আৰু সহকৰ্মীসকলৰ সহযোগিতা অবিহনে হাতত তুলি দিবলৈ ভাল লগা আলোচনী এখন উলিয়াব নোৱাৰি। এইক্ষেত্ৰত দায়িত্ববাহী শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ-একতা সভাৰ সদস্য/সদস্যাসকলে সাধ্য অনুযায়ী 'নগ'চিয়ান'খন প্ৰকাশৰ বাবে সহায়ৰ হাত আগবঢ়াইছে। এই ছেগতে আটাইবোৰলৈ মোৰ ফালৰ পৰা শলাগ ললো।

যতীন্দ্ৰ চৌধুৰী

যতীন্দ্ৰ চৌধুৰী

তত্ত্বাৱধায়ক, নগ'চিয়ান







মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ অন্তত মহাবিদ্যালয়ৰ অধ্যক্ষ ড সৰ্বানন্দ দাস তথা ল'ৰাৰ N.C.C-ৰ দায়িত্ববাহী শিক্ষক ডেনিচ ৰাভা আৰু ছোৱালীৰ N.C.C - ৰ দায়িত্ববাহী শিক্ষয়িত্ৰী ড সন্ধ্যা দাসৰ লগত মহাবিদ্যালয়ৰ N.C.C-ৰ কেডেট সকল।




INCAA - ৰ দ্বিতীয় প্ৰতিষ্ঠা দিৱস উপলক্ষে মহাবিদ্যালয়ৰ নিতত্ত্ব বিভাগৰ দ্বাৰা আয়োজিত আলোচনা চক্ৰৰ এটি মুহূৰ্ত




HIV/AIDS Prevention & Life Skill Education Community Level programme বিষয়ৰ ওপৰত উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ N.S.S শাখাৰ দ্বাৰা মধুপুৰ মহিলা সমিতিৰ সভা গৃহত আয়োজন কৰা আলোচনা চক্ৰৰ এটি দৃশ্য।



উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ নতুন একাডেমিক হলৰ আধাৰ শিলা স্থাপন



স্বাধীনতা দিৱস উপলক্ষে ৰাষ্ট্ৰীয় পতাকা উত্তোলনৰ পাছত মহাবিদ্যালয়ৰ অধ্যক্ষ, N.C.C. - ৰ ল'ৰাৰ দায়ত্ববাহী শিক্ষকয়ছেৱালীৰ দায়ত্ববাহী শিক্ষয়িত্ৰী আৰু N.C.C. - ৰ কেডেতসকল



# ঃ সূচীপত্ৰ ঃ

## প্ৰবন্ধ শিতান


মাদাৰ টেৰেছাৰ জীৱন কৃতি ঃ ডলি পাটোৱাৰী ১৫
ন'বেল বঁটা বিজয়ী ভাৰতীয় ... ঃ ড° অমৰ্ত্য সেন ১৬
প্ৰাগজ্যোতিষপুৰত গণেশৰ ..... ঃ মনীন্দ্ৰ কুমাৰ বৰুৱা ১৭
গ্ৰেট পিৰামিডৰ ভিতৰখন ঃ বিণ্টি শইকীয়া ১৯
গণিতৰ বিকাশত আৰবসকল ঃ অচ্যুতানন্দ বৰুৱা ২০
শিক্ষাবিদ সৰ্বপল্লী ৰাধাকৃষ্ণণ ঃ ববষা দাস ২১
আহোম যুগৰ শাক্ত আৰু .... ঃ সংগীতা বেজবৰুৱা ২২
পৰিৱেশ প্ৰদূষণ ঃ মৌচুমী বৰুৱা ২৩
উত্তৰ গুৱাহাটীৰ লোক সংস্কৃতি ঃ ভৃগুমোহন গোস্বামী ২৪
প্ৰেম, ভালপোৱা আৰু যৌৱন ঃ মানৱ কুমাৰ বড়া ২৯
আকাশ-মাহাকাশ আৰু আকাশীযান ঃ হুপেশ দাস ৩১
বন্ধু আৰু বন্ধুত্ব ঃ প্ৰাঞ্জল বৰুৱা ৩৬
মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ... ঃ তাৰিণীকান্ত হালৈ ৩৮


## চুটি গল্প শিতান


ভিক্ষাৰী ঃ বৰ্ষা হাজৰিকা ৪৬
জীৱন নে যাতনা ঃ অনামিকা বৰা ৪৭
যন্ত্ৰণা ঃ কুলেন দাস ৪৯
জীৱনৰ ছন্দ ঃ হিৰুমণি পাঠক ৫০
এটা দুঃস্বপ্ন ঃ ৰিমঝিম গোস্বামী ৫৩
দুখ ঃ মৌচুমী বৰুৱা ৫৫
কাৰাবন্দী ৰাতুল ঃ সুদেষ্ণা চৌধুৰী ৫৬


## ৰচনা শিতান


মহাবিদ্যালয়ৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ ... ঃ হিৰুমণি পাঠক ৫৮
মহাবিদ্যালয়খনৰ প্ৰতি ...... ঃ ববষা দাস ৬০


## কবিতা শিতান


মোৰ প্ৰথম প্ৰেম ঃ ৰিমঝিম গোস্বামী ৬২
দুখ তুমি নাহিবা ঃ অনিমা কাকতি ৬৩
বন্ধু মই তোমাক ভাল পাওঁ ঃ হিৰুমণি পাঠক ৬৩
এক জানুৱাৰী ঃ পবিত্ৰ বৰা ৬৩
বিষ্ণু ৰাভা আকৌ.... ঃ ড° ৰুণুমী দেৱী ৬৪
তেজপিয়া ঃ অমৰজিৎ ডেকা ৬৪
প্ৰেম আজি ভণ্ডামি ঃ মৃণাল কান্তি কলিতা ৬৫
ভোক ঃ মানৱ কুমাৰ বড়া ৬৫
প্ৰকৃতি মনোৰম ঃ বৰ্ষা হাজৰিকা ৬৬
তোমাৰ অলপ সময় .... ঃ ৰাজীৱ দেউৰী ৬৬
কোনে কাঢ়ি নিলে ঃ ৰিতুপৰ্ণ দাস ৬৭
শৰৎ ঃ প্ৰাঞ্জল শৰ্মা ৬৭
মুখামুখি সাক্ষাৎকাৰ ঃ কৌশিক দাস ৬৮
আমি শিকো আহা ঃ শ্ৰীহিৰণ্য বড়া ৬৯
জীৱজগতৰ আচৰিত ..... ঃ যদুমণি শইকীয়া ৬৯
পৃথিৱীৰ কিছুমান ...... ঃ ৰণ্টু বড়া ৭০
মহৎলোকৰ বাণী ৭১


## English Section :


The Concept of "New Woman" Shikha S. Kashyap 73
CRITERIA FOR BEING .... Dr. Sarbananda Das 79
NAM and its relevance in the .... Sri Banima Talukdar 81
VISHNU NARAYAN ..... Sri Mayuri Baruah 83
BIODIVERSITY AND .... Amarendra Kr. Sarma 85
Dr. S. R. Ranganathan Sri Rama Kt. Baruah 88
North-East Water Resources Sri Pinky Hazarika 89
Trends of contemporary ... Sri Binita Sarmah 90
A Bio-diesel plant ... Dr. Sashadhar Kalita 93
Mobile Phone Miss Bharati Das 94
HISTORY OF ..... Sri Bornali Das 95
HOW TO CHOOSE ..... 96
যুৱ বিকাশ কেন্দ্ৰত এভুমুকি ৯৭
আমাৰ গৌৰৱ ৯৮
সম্পাদকৰ প্ৰতিবেদন ১০১

# ন'বেল বঁটা বিজয়ী ভাৰতীয় অৰ্থনীতিবিদ ড° অমৰ্ত্য সেন

ডেইজী ভট্টাচা
স্নাতক দ্বিতীয় বৰ্ষ (কলা

কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে ন'বেল বঁটা লাভ কৰাৰ সুদীৰ্ঘ ৮৫ বছৰ পিছত ১৯৯৮ চনত আকৌ এজন ভাৰতীয় ড° অমৰ্ত্য সেনে অৰ্থনীতিত ন'বেল বঁটা অৰ্জন কৰি বিশ্ব সভা উজ্বলাই তুলিলে। তৃতীয় বিশ্বৰ মানৱ কল্যাণৰ হকে অৰ্থনীতিত দীৰ্ঘ দিন গৱেষণা চলাই নিজস্ব কৃতিত্বৰে ভাৰতবৰ্ষক বিশ্ব দৰবাৰত পুনৰ প্ৰতিষ্ঠিত কৰিলে। এয়া ভাৰতবৰ্ষ তথা এছিয়াবাসীৰ বাবে দৃষ্টান্ত হৈ ৰ'ল।

ভাৰত বৰ্ষৰ গৌৰৱ ড° অমৰ্ত্য সেনে ১৯৩৩ চনত শান্তিনিকেতনত জন্ম লাভ কৰে। তেওঁৰ মাতৃ আছিল অমিতা দেৱী আৰু পিতৃ আছিল ড° আশুতোষ সেন। অমৰ্ত্য সেনে শান্তি নিকেতনত শিক্ষা আৰম্ভ কৰে। ১৯৪৯ চনত তেওঁ প্ৰৱেশিকা পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হয়। ইয়াৰ পিছত তেওঁ শান্তি নিকেতনৰ ছাত্ৰ হিচাপে কলিকতা বিশ্ববিদ্যালয়ৰ আই.এ.চি. পৰীক্ষাত প্ৰথম স্থান লাভ কৰি প্ৰেচিডেন্সি মহাবিদ্যালয়ত নাম ভৰ্তি কৰে আৰু তাৰ পৰা অৰ্থনীতিত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰি স্নাতক ডিগ্ৰী অৰ্জন কৰে। ইয়াৰ পিছত কেমব্ৰীজ বিশ্ব বিদ্যালয়ৰ পৰা স্নাতকোত্তৰ শ্ৰেণীত প্ৰথম স্থান লাভ কৰে আৰু ১৯৫৭ চনত ডক্টৰেট পায়।

১৯৫৭ চনত বিশ্বৰ কণিষ্ঠতম প্ৰথম অধ্যাপক হিচাপে তেখেতে যাদৱপুৰ বিশ্ববিদ্যালয়ত বিভাগীয় মুৰব্বী স্বৰূপে কৰ্ম জীৱন আৰম্ভ কৰে। পিছত তেওঁ কেমব্ৰীজলৈ যায়। তাত অধ্যাপনাৰ কাম কৰে ১৯৬৩-৭১ চনলৈ। তেওঁ দিল্লী স্কুল অফ ইকনমিক্সৰ অধ্যাপক হিচাপেও কাম কৰে। ১৯৭৭ চনত লণ্ডন স্কুল অফ ইকনমিক্সৰ অধ্যাপক, ১৯৭৭-৮০ চনলৈ অক্সফোৰ্ডত দৰ্শন আৰু অৰ্থনীতিৰ অধ্যাপক আৰু পিছত হাৰ্ভাৰ্ডত বিশ্ববিদ্যালয়ত দৰ্শন আৰু অৰ্থনীতিত অধ্যাপনাৰ কাম কৰে। ১৯৬৭ চনত তেখেতে বিশ্ব সংঘৰ এড্‌ভান্সড স্কিন এ[...] টেকনোলজিৰ অধ্যক্ষ নিযুক্ত হয়। এই সমস্ত কৰ্মৰাজিৰ মাজতো তেওঁ তৃতীয় বিশ্বৰ জনগণৰ কল্যাণৰ হকে 'ৱেলফেয়াৰ ইকনমিক্সৰ' গৱেষণাৰ কাম চলাই যায়। ইয়াৰ ফলশ্ৰুতি হিচাপে তেওঁ বিশ্বৰ সৰ্বশ্ৰেষ্ঠ সন্মান ন'বেল বঁটা লাভ কৰে। দেশ বিদেশৰ পৰা তেখেতে অনেক খ্যাতি লাভ কৰিছে। বিদেশত অৰ্জন কৰা খ্যাতি সমূহৰ লগতে শান্তি নিকেতনৰ পৰা পোৱা 'দেশিকোত্তম' আৰু কলিকতা বিশ্ববিদ্যালয়ৰ পৰা অৰ্জন কৰা ডি. লিট অন্যতম।

ইতিমধ্যে অনেক পত্ৰিকাত ড° অৰ্মত্য সেনৰ বহুতো লিখনি প্ৰকাশিত হৈছে। তেখেতে লিখা উল্লেখযোগ্য মূল্যবান গ্ৰন্থসমূহৰ ভিতৰত আছে- কালেকটিভ চয়েছ এণ্ড ছোচিয়েল ৱেলফেয়াৰ, অন ইকনমিক ইন ইকুৱেলিটি, এমপ্লয়মেণ্ট টেকনোলজি এণ্ড ডেভেলপমেণ্ট, ৱেলফেয়াৰ এণ্ড ৰাইটচ ইত্যাদি। ইয়াৰ ভিতৰত অন ইকনমিক ইন ইকুৱেলিটি নামৰ গ্ৰন্থখন জাৰ্মান, জাপানী আৰু স্পেনিছ ভাষাতো প্ৰকাশিত হৈছে।

ৰবীন্দ্ৰনাথ ঠাকুৰে ১৯১৩ চনত প্ৰথম ন'বেল বঁটা অৰ্জন কৰে। ইয়াৰ পিছত ১৯৩০ চনত চি ভেংকটৰমনে পদাৰ্থ বিদ্যাত, ১৯৬৯ চনত ড° হৰগোবিন্দ খোৰানাই শৰীৰ বিদ্যাত, ১৯৭৯ চনত মাদাৰ টেৰেছাই শান্তিত আৰু ১৯৯৮ চনত ড° অৰ্মত্য সেনে জন কল্যাণ অৰ্থনীতিত ন'বেল বঁটা লাভ কৰে।

ড° অৰ্মত্য সেন কেৱল শ্ৰদ্ধাৰেই প্ৰাত্ৰ নহয়, ভৱিষ্যত ভাৰতবৰ্ষৰ বাবে তেওঁ এক নিদৰ্শন হৈ ৰ'ল। আজিৰ এই মুহূৰ্তত তেওঁক আমি অনুসৰণ কৰো তথা তেওঁ দেখুৱাই যোৱা বাটেৰে অগ্ৰসৰ হওঁ বুলি সংকল্প কৰো আহক।

* সমাজৰ অধিকাংশক ৰান্ধনি ঘৰতে আবদ্ধ কৰি ৰাখিলে কোনো দেশেই প্ৰগতিৰ পথত আগবাঢ়িব নোৱাৰে।

- লেনিন

সংগ্ৰাহক -
বিণ্টি শইকীয়া, স্নাতক দ্বিতীয় বৰ্ষ





# প্ৰাগজ্যোতিষপুৰত গণেশৰ অৱস্থিতি

মনীন্দ্ৰ কুমাৰ বৰুৱা
অৱসৰপ্ৰাপ্ত অধ্যক্ষ

"Ganesh is the male prototype and counterpart or reflection of swaraswati-the consert of Brahma and the presiding deity of Indian Liberal arts and sciences"

*- H.K.Mitra*

ওপৰত উল্লেখিত গৱেষকৰ মন্তব্যত প্ৰকাশ পাইছে যে সকলোৰে পূজ্য দেৱতা গণেশ জ্ঞানৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰে প্ৰতিফলিত এক পুৰুষাকৃতি প্ৰতীক আৰু ভাৰতীয় ধৰ্মধাৰাত জ্ঞান, বিদ্যা, বিজ্ঞান, জ্যোতিষ, কলাকে সামৰি জনতাৰ হৃদয় জয় কৰিব পৰা গণদেৱতা গণপতি। পিতৃ সদাশিৱ আৰু মাতৃ পাৰ্বতীৰ অতি আশীৰ্বাদপুষ্ট পুত্ৰৰূপে গণেশে মহাদেৱ-পাৰ্বতীৰ সকলো গুণ আৰু শক্তিৰে অধিকাৰী হৈ জগতত চিৰপূজ্য দেৱ ৰূপে প্ৰাধান্য লাভ কৰিলে। হিন্দু ধৰ্মৰ পঞ্চ দেৱতা-শিৱ, ব্ৰহ্মা, দুৰ্গা, বিষ্ণুৰ স'তে গণেশক লৈ পাঁচজন। প্ৰাচীন কামৰূপ ৰাজ্যখনৰ ৰাজধানী চহৰৰ নাম আছিল প্ৰাগজ্যোতিষপুৰ, বৰ্তমান গুৱাহাটী মহানগৰীৰ মুখামুখিকৈ অৱস্থিত ব্ৰহ্মপুত্ৰৰ দুয়োপাৰ সামৰি এই বিশাল অঞ্চলটোকে প্ৰাগজ্যোতিষপুৰ বুলি কোৱা হৈছিল। এই প্ৰাগজ্যোতিষপুৰ পঞ্চতীৰ্থৰে পৰিবেষ্টিত নগৰ আৰু ইয়াতেই পঞ্চ দেৱতাৰ অগ্ৰপুজ্য দেৱতা গণেশৰ প্ৰতীক প্ৰতিমাৰ অৱস্থিতি এক স্বয়ংসিদ্ধ প্ৰক্ৰিয়া মাথোন। জ্যোতিষ শাস্ত্ৰৰ অতি প্ৰাচীন অধ্যয়ন কেন্দ্ৰ ৰূপে এই প্ৰাগজ্যোতিষতে নৱগ্ৰহ ক্ষেত্ৰ। আনহাতে এই সকলো গ্ৰহ দেৱতাৰে ইষ্ঠদেৱী হ'ল দশমহাবিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী স্বয়ং দুৰ্গাদেৱী। এই দুৰ্গাদেৱীৰে পীঠস্থান সমূহ হ'ল- কামাখ্যা, দীৰ্ঘেশ্বৰী, উগ্ৰতাৰা আদি প্ৰাগজ্যোতিষৰ বিশেষ আকৰ্ষণ। সপ্তদশ শতিকাৰ সংস্কৃত পণ্ডিত সূৰ্যখড়ি বলদেৱৰ দৰং ৰাজবংশাৱলীত তেওঁ উল্লেখ কৰিছে যে বাঘেশ্বৰী দেৱীয়েই স্বয়ং সৰস্বতী। 'নমো বাঘেশ্বৰী দেৱী....।

'কৃষ্ণৰ কণ্ঠত তুমি থাকা সৰ্বক্ষণে।' বাঘেশ্বৰী দেৱীৰ ক্ষেত্ৰৰূপে উত্তৰ পাৰৰ দীৰ্ঘেশ্বৰী ক্ষেত্ৰ সৰস্বতীৰ ক্ষেত্ৰ। একেধৰণেই দশমহাবিদ্যাৰ ক্ষেত্ৰৰূপে কামাখ্যা ধামো মহাসৰস্বতীৰ ক্ষেত্ৰ ভূমি। জ্ঞান-বিজ্ঞানৰ আৰাধ্য দেৱতাৰ অসংখ্য প্ৰতীক প্ৰতিমাৰ অৱস্থিতিয়ে প্ৰাগজ্যোতিষক ধ্যান-ধাৰণা, অধ্যয়ণ- অধ্যাপনা, তপস্যা, সাধনাৰ প্ৰশস্ত ক্ষেত্ৰৰূপে অতীজৰে পৰাই সাব্যস্ত কৰাটো পৰিলক্ষিত হৈ আহিছে।

শিলত খোদিত, অৰণ্য প্ৰান্তৰ, নগৰৰ প্ৰৱেশদ্বাৰ, নগৰৰ সীমাৰেখাত অৱস্থিত এই মূৰ্তিবোৰৰ ভিতৰত আমি সদায়েই প্ৰত্যক্ষ কৰা মূৰ্তিবোৰ হ'ল- (১) মদন কামদেৱৰ গণেশ (২) চন্দৰা গাঁৱৰ গণেশ, (৩) দীৰ্ঘেশ্বৰী পাহাৰৰ গাত খোদিত প্ৰায় ১০/১২ টা গণেশ মূৰ্তি (৪) কানাই বৰশী শিলৰ গণেশ, (৫) চন্দ্ৰভাৰতী পাহাৰৰ নদীৰ দাঁতিৰ গণেশ, (৬) দৌলগোবিন্দ মন্দিৰৰ গণেশ, (৭) অশ্বক্ৰান্ত পাহাৰৰ নামণিৰ গণেশ, (৮) ৰাঙলী পাহাৰৰ গণেশ (I.I.T.)ৰ সন্মুখত, (৯) জয়গুৰুৰ গণেশ (১০) দলিবাৰীৰ গণেশ, (১১) বশিষ্ঠৰ গণেশ, (১২) কামাখ্যা পাহাৰৰ গণেশ, (১৩) কাহিলীপাৰাৰ গণেশ (১৪) খানাপাৰাৰ গণেশ, (১৫) গণেশগুৰিৰ গণেশ, (১৬) হাইকৰ্টৰ ওচৰৰ গণেশ।

এনেবোৰ মূৰ্তিৰ কথাই আমাৰ মনলৈ আহে। এই গণেশৰ মূৰ্তি বিলাকৰ অৱস্থিতি এনেধৰণে প্ৰক্ষেপণ কৰা হৈছে যে তাত কোনো বিশেষ দিশৰ ওপৰত গুৰুত্ব দিয়া হোৱা নাই। বৰং জনতাই সকলো দিশতে এই মূৰ্তিত প্ৰণাম কৰাত মুক্তভাৱে আগবাঢ়ি যোৱাত বাধানিষেধ নাই। এই সকলোবিলাক মূৰ্ত্তিৰে আশে-পাশে একো একোজন সাধক তপস্বীৰো অৱস্থানৰ আমি উমান পাওঁ। প্ৰতিটো মূৰ্তি এনে স্থানত আছে যাতে (১) যুদ্ধক্ষেত্ৰত যাত্ৰা কালত ইয়াত প্ৰণাম কৰি যাত্ৰা কৰিব পাৰি। (২) অটব্য অৰণ্যত প্ৰৱেশ কৰাৰ আগত গণেশত প্ৰণাম কৰিব পাৰি। (৩) কোনো ধৰ্মকাৰ্যৰ প্ৰাৰম্ভণত; কোনো ধৰ্ম তীৰ্থত প্ৰৱেশৰ আগত গণেশত প্ৰণাম জনাব পাৰি। সৰ্বসিদ্ধি আৰু সকলো অপায় অমঙ্গল নাশৰ প্ৰাৰ্থনা কৰিব পাৰি।

শস্যবহুল উৰ্বৰ এই ভূমিখণ্ডত ব্যৱসায় বাণিজ্য - নৃত্যগীত, শিল্পকলা, জ্যোতিষ, ধৰ্মতত্ত্ব সকলোৰে কেন্দ্ৰভূমি ৰূপে মুষিক

বাহন- গণেশ এই এলেকাৰ তিনিও গুণ বিশিষ্ট সাত্বিক, ৰাজসিক, তামসিক লোকৰে পূজ্য দেৱতা আছিল।

পৃথিৱীৰ হস্তী প্ৰধান অঞ্চলৰ লোকসকলৰ অৰণ্যৰ হস্তীৰ উপদ্ৰৱৰ পৰা ৰক্ষা পাবলৈ হস্তীক পূজা কৰা, সৰ্পৰ ভয়ত সৰ্প পূজা কৰা, নদীৰ ভয়ত নদীক পূজা কৰা এইবোৰ মানৱ জাতিৰ সভ্যতাৰ ক্ৰমবিকাশৰ প্ৰক্ৰিয়া মাথোন। দক্ষিণ-পূব এচিয়াৰ ভাৰত, ব্ৰহ্মদেশ, জাভা, সিংহল আদি দেশত হস্তীৰ ব্যাপক বিস্তৃতিয়ে তাত হস্তীমুণ্ড বিশিষ্ট দেৱতাৰ পূজাত যথেষ্ট প্ৰভাৱ পেলাইছিল। অসম ৰাজ্য হস্তীপ্ৰধান ক্ষেত্ৰ, তাৰ প্ৰমাণ মহাভাৰতৰ যুদ্ধত ভগদত্তৰ হস্তীবাহিনী সঞ্চালন। গতিকে প্ৰাগজ্যোতিষৰ গণেশ পূজা পৌৰাণিক যুগৰে প্ৰক্ৰিয়া। এটি শিশুৰ কান্ধত এটা হাতীৰ মূৰ লগাই দেৱতাৰ পৰিকল্পনা কৰা এক অতীব তত্বপূৰ্ণ কথা। হাতীৰ মূৰেৰে এই শিশুটোৰ প্ৰকাশ ভঙ্গীত পাশৱিক ভাবৰ পৰিবৰ্তে মানবীয় অভিব্যক্তি প্ৰত্যক্ষ কৰোৱা হৈছে। মানুহৰ কান্ধত হাতীৰ মূৰ সংযোগ কৰি বুজাব বিচৰা হৈছে যে জীৱজগতৰ লগত সংযোগ আৰু সহযোগ বিনে মানৱ সভ্যতাৰ বিকাশ সম্ভৱ নহয়। এই সমগ্ৰ পৰিকল্পনাৰ অন্তৰালত এটাই তত্ব বিদ্যমান যে যুগ যুগ ধৰি মানব জাতি প্ৰচেষ্টা আৰু প্ৰক্ৰিয়া অব্যাহত আছে, পশুক মানুহলৈ উন্ন কৰা আৰু মানুহক দেৱতাৰ শাৰীত প্ৰতিষ্ঠা কৰা আৰু এ প্ৰগতিবাদী প্ৰক্ৰিয়াটোকে মানৱ সভ্যতাৰ এক দিক্ নিৰ্ণায় দৰ্শন ৰূপে গ্ৰহণ কৰা হৈছে। ইয়াত এখন কল্পিত স্বৰ্গপুৰী পৃথিৱীলৈ নমাই আনিব বিচৰা এই বৰং এই মাটি পৃথিৱীখনিকে স্বৰ্গপুৰীলৈ ৰূপান্তৰ কৰাৰ প্ৰয়াস অব্যাহত ৰ হৈছে। ভাৰতৰ অন্যান্য প্ৰান্তৰত গণেশৰ প্ৰতি যি মাত্ৰাত শ্ৰদ্ধা আৰাধনা আগবঢ়োৱা হৈছিল, প্ৰাগজ্যোতিষতো কোনো গুণে গণেশ দৰ্শনৰ প্ৰতি জনতাৰ শ্ৰদ্ধাৰ ত্ৰুটি নাছিল। এই মূৰ্তি সমূহৰ শৃংখলাবদ্ধ অধ্যয়ন আৰু গৱেষণা অতীব প্ৰয়োজনীয় কথা। কাৰণ এই মূৰ্তি সমূহৰ প্ৰতিটোৱেই বহন কৰিছে ব্ৰহ্মপুত্ৰ সভ্যতাৰ প্ৰাচীনত্ব, স্বচ্ছতা আৰু সয়ম্ভু মহত্ব।

❋❋❋

বিঃ দ্ৰঃ- [এনেবোৰ গুৰুত্বপূৰ্ণ কথা বিবেচনা কৰিয়ে ১৯৭৫ চনৰ পৰা উত্তৰ গুৱাহাটী মহাবিদ্যালয়ত সৰস্বতীপূজাৰ আগদিনাখন গণেশৰ আৰাধনাৰ ব্যৱস্থা কৰা হৈছিল।]

প্ৰাগজ্যোতিষপুৰ নগৰৰ গণেশ মূৰ্ত্তিৰ সংখ্যা আৰু অবস্থিতি।








# গ্ৰেট পিৰামিডৰ ভিতৰখন

সংগ্ৰহ ঃ বিন্টি শইকীয়া
স্নাতক ২য় বৰ্ষ, বিষয় - ইংৰাজী

বৰ্তমান ইজিপ্ত আৰু প্ৰাচীন কালৰ নীল নদীৰ উপত্যকাত বহুতো কৃত্ৰিম পাহাৰ আছে যিবোৰৰ নাম দিয়া হৈছে পিৰামিড। পিৰামিড হৈছে এক বিশেষ জ্যামিতিক আকাৰৰ সুউচ্চ বৃহৎ অট্টালিকা সদৃশ গঠন। ইয়াৰ ভেটি বৰ্গক্ষেত্ৰ; ওপৰত ত্ৰিকোণ চতুস্পাৰ্শ্বযুক্ত উচ্চ বিন্দু শিখৰৰ স্থাপত্য নিদৰ্শন হিচাপে মিছৰৰ পিৰামিড অনন্য।

সাধাৰণ বিশ্বাসমতে পিৰামিডবোৰ খ্ৰীষ্টপূৰ্ব ২৬০০ ৰ পৰা ২১০০ ৰ ভিতৰত তেতিয়াৰ মিছৰৰ শাসনকৰ্তা ফাৰাওসকলে নিৰ্মাণ কৰিছিল। তেওঁলোকৰ উদ্দেশ্য আছিল মৃত্যুৰ পিছত তেওঁলোকৰ মৃতদেহ 'মামী' কৰি ৰাজকীয় আড়ম্বৰেৰে পিৰামিডৰ ভিতৰত সমাধি দিয়া হ'ব।

যদিও গ্ৰেট পিৰামিড ফাৰাও খুফু বা চিয়পচৰ মৃতদেহ ৰাখিবৰ বাবে সজা হৈছিল বুলি বুজাব খোজা হয়, পিৰামিডৰ অভ্যন্তৰত কিন্তু ফাৰাওৰ মামী নাছিল। তেনেধৰণৰ প্ৰকোষ্ঠ থাকিলেও সেয়া খালি হৈ আছিল। গ্ৰেট পিৰামিডত দুটা প্ৰকোষ্ঠ আছে। ওপৰটোৰ নাম কিংচ চেম্বাৰ বা ৰজাৰ প্ৰকোষ্ঠ। এই কোঠাতেই ৰজাৰ মামী থাকিব লাগিছিল, কিন্তু নাছিল। অৱশ্যে তাত এটি পাথৰৰ কফিন আছিল। কফিনটোৰ ওপৰত ফাৰাওৰ মূৰ্তি খোদিত কৰা আছিল, কিন্তু ভিতৰত খুফুমামী নাছিল আৰু পূৰ্বতেও যে আছিল তাৰ কোনো প্ৰমাণ হোৱা নাই। প্ৰকোষ্ঠটোত গ্ৰেনাইট নিৰ্মিত এটি চন্দুক পোৱা গৈছিল। শূন্য চন্দুকটোত কোনো ঢাকনি নাছিল।

ৰজাৰ প্ৰকোষ্ঠটোৰ তলৰ চন্দুকটোৰ নাম আছিল কুইনজ চেম্বাৰ বা ৰাণীৰ চেম্বাৰ। কোনো পিৰামিডতে ফাৰাওৰ লগত ৰাণীৰ মামী থকাৰ নিয়ম নাছিল তথাপি এই প্ৰকোষ্ঠৰ নাম কিয় ৰাণীৰ প্ৰকোষ্ঠ দিয়া হৈছিল জনা নাযায়। ৰজাৰ প্ৰকোষ্ঠৰ দৰে ৰাণীৰ প্ৰকোষ্ঠতো ৰাণীৰ মামী নাছিল।



ৰজাৰ প্ৰকোষ্ঠলৈ যাবলৈ হ'লে এটি ৪৬ মিটাৰ দীঘল সুৰংগ অতিক্ৰম কৰিব লগা হয়। সুৰংগটো ওপৰলৈ ২৬ ডিগ্ৰী কোণ কৰি উঠি গৈছে। সুৰংগটো মাত্ৰ ১.২ মিটাৰমান বহল আৰু ১.২ মিটাৰমান ওখ। সুৰংগটোৰেদি পোন হৈ খোজ কাঢ়িব নোৱাৰি, কুঁজা হৈয়েই ৪৬ মিটাৰ দীঘল সুৰংগটো পাৰ হ'ব লাগে। সুৰংগটোৰ শেষত গ্ৰেণ্ড গেলাৰী পোৱা যায়। এইটোও ২৬ ডিগ্ৰীৰ এঢলীয়া সুৰংগ। অৱশ্যে বেচ আহল বহল চাৰে আঠ মিটাৰ ওখ আৰু ৪৬ মিটাৰমান দীঘল। এই দুটা সুৰংগ কিয় সজা হৈছিল ভালদৰে জনা নাযায়। বিভিন্নজনে বিভিন্ন ব্যাখ্যা দিয়ে। সুৰংগৰ পিছত এক মিটাৰতকৈ কম থিয় গৰা, তাৰ পাছতেই কিছু সমান ঠাই যাৰ নাম গ্ৰেণ্ড গেলাৰী। তাৰ পাছত তিনি মিটাৰমান দূৰত এটি পাৰ্শ্বকক্ষ আৰু তাৰ পাছত ৰজাৰ প্ৰকোষ্ঠ। কাষতে আছে এটি অগভীৰ কিন্তু দীঘলীয়া গাঁত। যিটোত হেনো নাও ৰখা হৈছিল, মৃত ফাৰাওৰ ব্যৱহাৰৰ বাবে।

ফাৰাওৰ বাবে নাও পিছে পিৰামিডৰ ভিতৰত নহয়, বাহিৰতহে ৰখাৰ ব্যৱস্থা আছিল, পিৰামিডৰ কাষতে এনে বোট পিট আছিল। প্ৰাচীন মিছৰীয়াসকলে নাৱেৰে নীল নদীত আহ-যা কৰিছিল বাবে মৃত্যুৰ পিছতো ফাৰাওসকলে নাও ব্যৱহাৰ কৰিবৰ বাবে পিৰামিডৰ কাষত নাও ৰখা হৈছিল। গ্ৰেট পিৰামিডৰ কাষত পাঁচোটা নাও ৰখা স্থানৰ সন্ধান পোৱা গৈছিল। তাৰে তিনিটা গাঁত খোলা আছিল, যিবোৰত ৰছী আৰু কাঠৰ টুকুৰা পোৱা গৈছিল। আন দুটা ১৯৫০ চনত খনন কাৰ্য চলাওঁতে আবিষ্কৃত হয়। বোট পিট দুটাৰ প্ৰৱেশ পথ পোন্ধৰ টন ওজনৰ লাইমষ্টোন পাথৰেৰে বন্ধ কৰা আছিল। ড্ৰিলৰ সহায়ত পাথৰ আঁতৰাই এটি পিটত কাঠৰ টুকুৰা পোৱা গ'ল। এই টুকুৰাবোৰৰ সহায়ত চাৰে ছয়ত্ৰিশ মিটাৰ দীঘল এখন নাও তৈয়াৰ কৰা হৈছিল। আনটো গাঁত খোলা হোৱা নাছিল।

❋❋❋

# গণিতৰ বিকাশত আৰবসকল

অচ্যুতানন্দ বৰ[illegible]
প্ৰবক্তা ঃ গণিত বি[illegible]

অষ্টম শতিকাৰ দ্বিতীয়াৰ্ধলৈ আৰবসকল বিজ্ঞান, গণিত আদিৰ চৰ্চাৰ ক্ষেত্ৰত অতি পিছপৰা আছিল। গণিতৰ চিন্তাচৰ্চাৰ উমান পোৱাৰ ক্ষেত্ৰত তেওঁলোক বৰ উৎসাহী নাছিল। কিন্তু সময়ৰ লগে লগে আৰববাসীৰ মাজত এক বৈজ্ঞানিক আৰু গাণিতিক বিপ্লৱৰ সূচনা হয়। বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা গণিত, বিজ্ঞান আদিৰ জ্ঞান আহৰণ কৰি তেওঁলোকে নিজৰ দেশৰ জ্ঞানৰ ভঁৰাল চহকী কৰিব ধৰিলে। সেই সময়ত গ্ৰীক আৰু ভাৰতীয়সকল গণিতৰ চিন্তাচৰ্চা, জ্যোতিৰ্বিদ্যা আদিৰ ক্ষেত্ৰত যথেষ্ট আগবঢ়া আছিল। আৰবীয়সকলে এই দুয়ো প্ৰান্তৰ পৰা গণিত আৰু জ্যোতিৰ্বিদ্যা সম্পৰ্কে নানা তথ্য আহৰণ কৰি নিজৰ চিন্তাচৰ্চাৰ বলত গণিতৰ ক্ষেত্ৰত তথা জ্যোতিৰ্বিদ্যাৰ ক্ষেত্ৰত নতুন নতুন তথ্য পোহৰলৈ আনিবলৈ সমৰ্থ হয়।

সময়ৰ লগে লগে আৰবৰ বাগদাদ চহৰখন বিজ্ঞান আৰু গণিত চৰ্চাৰ আন্তৰ্জাতিক কেন্দ্ৰ স্বৰূপ হৈ উঠে। বাগদাদৰ খলিফাসকলেও বিজ্ঞান, গণিত চৰ্চাকে ধৰি বৌদ্ধিক দিশৰ উৎকৰ্ষ সাধনৰ হেতু পণ্ডিত গৱেষকসকললৈ সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াই তেওঁলোকক প্ৰেৰণা দিছিল। তেওঁলোকে বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা বহুমূলীয়া পুথিসমূহ সংগ্ৰহ কৰি আনি আৰবীয় পণ্ডিতসকলক তেওঁলোকৰ জ্ঞানৰ ভাণ্ডাৰ চহকী কৰাৰ সুযোগ দিছিল। আল-মামুন (Al-Mamun) নামৰ খলিফা এজনৰ পৃষ্ঠপোষকতাত বাগদাদ চহৰত এটা 'হাউছ অৱ উইজদম' আৰবী ভাষাত 'বেইট অল হিকমা' নিৰ্মাণ কৰি উলিয়াইছিল। হাউচ অৱ উইজদমত গণিত আৰু জ্যোতিৰ্বিদ্যা অধ্যয়নত আগভাগ লোৱা পণ্ডিতসকলৰ ভিতৰত মহম্মদ ইব্‌ন মুছা আল খোৱাৰিজমি আছিল অন্যতম। তেওঁৰ ৰচিত দুখন বহুমূলীয়া পুথিৰ যোগেদি আধুনিক গণিতৰ জগততো তেওঁ চিৰস্মৰণীয় হৈ ৰৈছে। এই দুখন পুথিৰ প্ৰথমখনৰ নাম হ'ল 'অলজাব্‌ৰ ওৱাল মোকাবলা'। এই পুথিখনৰ এই নামটোৰ পৰাই 'এলজেব্ৰা' শব্দটোৰ উৎপত্তি বুলি আগশাৰীৰ পণ্ডিতসকলে মতপোষণ কৰে। কোনো [illegible] গণিতজ্ঞই পুথিখনক 'সমীকৰণ বিজ্ঞান' বুলি ক'ব খোজে [illegible] 'আলজাব্‌ৰ ওৱাল মোকাবলা' নামৰ অৰ্থটো ব্যাখ্যা কৰা [illegible] 'কাল বি বয়াৰ'ৰ 'A History of Mathematics' নামৰ গ্ৰন্থখন[illegible] বৰ্তমানৰ প্ৰজন্মকে ধৰি সুদীৰ্ঘ কালৰ ছাত্ৰ-ছাত্ৰীয়ে গণিত[illegible] বীজগণিত শাখা স্কুলীয়া শিক্ষাত অধ্যয়ণ কৰে তাৰ [illegible] খোৱাৰজামিৰ' ৰচিত এলজেব্ৰাৰ পুথিৰ সৈতে যথেষ্ট সাদৃ[illegible] থকা দেখা গৈছে। ১২শ শতিকাত এই পুথিখন লেটিন ভাষা[illegible] অনুবাদ কৰা হয়। লেটিন ভাষাত এই পুথিয়ে নাম পায় '[illegible] এলজেব্ৰাই এট অল মোকাবোলা' আৰু ইয়াৰ পৰাই আধুনি[illegible] গণিতৰ অন্যতম শাখা 'এলজেব্ৰা'ৰ নাম দিয়া হয়। আধুনি[illegible] যুগত এই শাখাই নতুন তথ্য সম্ভাৰেৰে গণিতত এক বি[illegible] শাখাৰূপে স্থান পাইছে।

আলখোৱাৰিজমিৰ দ্বিতীয়খন পুথি হ'ল 'পাটিগণিত[illegible] ওপৰত ৰচনা কৰা। তেওঁৰ এই পুথিখনত শূন্যক ধৰি [illegible] প্ৰতীকৰ সহায়ত সংখ্যালিখন পদ্ধতিৰ উল্লেখ আছে। প্ৰাচী[illegible] ভাৰতত আৰ্য্যভট্টৰ সময় মতে সংখ্যালিখন পদ্ধতি আৱি[illegible] হোৱা বাবে পণ্ডিতসকলে এই পদ্ধতিক 'হিন্দু আৰবী [illegible] লিখন পদ্ধতি' বুলি নামকৰণ কৰে।

সংখ্যা প্ৰকাশ পদ্ধতিৰ এই বহুল প্ৰচাৰে মানৱ সমাজ[illegible] বিজ্ঞানৰ শিক্ষাৰ প্ৰগতিৰ মূল উৎস হৈ পৰে।

আলম [illegible]

ৰাতি যিমানেই গভীৰ হয়, প্ৰভাত সিমানেই ক[illegible] হয়। চাৰিওফালে এন্ধাৰে আবৰি ধৰিলেও ভয় নকৰিবা [illegible] প্ৰভাতক কোনেও বাধা দি ৰাখিব নোৱাৰে। প্ৰভাত হ'বই।

- চাহিৰ লুধিয়া[illegible]

আন কোনেও তোমাক সহায় নকৰে বা কৰিব নোৱাৰে, নিজে[illegible] নিজৰ সহায় হোৱা।

- বুদ্ধদেৱ





# শিক্ষাবিদ সৰ্বপল্লী ৰাধাকৃষ্ণণ

বৰষা দাস
স্নাতক ১ম বৰ্ষ

আমি এযাৰ কথা জানো— এজন ৰজাক নিজৰ দেশতহে সন্মান কৰে। কিন্তু পণ্ডিত এজনক, শিক্ষাবিদ এজনক সকলো দেশতে সন্মান যচা হয়। ৰাধাকৃষ্ণণেও নিজৰ শিক্ষাৰ জৰিয়তে ভাৰতৰ উপৰি অন্য দেশতো সন্মানৰ অধিকাৰী হ'ব পাৰিছিল।

এইজনা মহান ব্যক্তিয়ে প্ৰথমাৱস্থাত শিক্ষকতা কৰিছিল, বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হৈছিল আৰু পৰৱৰ্তী কালত বহুত সন্মানীয় পদত অধিষ্ঠিত হৈছিল। কিন্তু তেওঁ শিক্ষক জীৱনৰ কালছোৱাকহে শ্ৰেষ্ঠ বুলি প্ৰতিপন্ন কৰি থৈ গৈছিল। প্ৰায় ৪০ বছৰ কাল শিক্ষা জগতৰ লগত জড়িত থাকি শিক্ষকতাৰ তাৎপৰ্য্য অনুধাৱন কৰাৰ লগতে শিক্ষকসকলৰ স্থান যে সকলোৰে ওপৰত, এই কথা মহান ব্যক্তিগৰাকীয়ে মৰ্মে মৰ্মে উপলব্ধি কৰিছিল। তেওঁৰ মতে, গাঁৱতে হওক বা চহৰতে হওক, শিক্ষকে সদায় সমাজৰ কামত আগভাগ লয়। শিক্ষকে সমাজৰ শৈক্ষিক পৰিৱেশ গঢ়াৰ উপৰিও গাঁও আৰু চহৰৰ বৈষম্য দূৰ কৰিবলৈ সদায় যত্নপৰ হৈ থাকে।

শিক্ষাৰ সৈতে থকা ৰাধাকৃষ্ণণৰ জীৱনজোৰা সম্বন্ধই ভাৰতীয় শিক্ষা জগতৰ বহু ক্ষেত্ৰতেই উপকাৰ সাধন কৰিছিল। শিক্ষাৎ প্ৰতি থকা অসীম আগ্ৰহ আৰু শিক্ষকৰ প্ৰতি থকা অপৰিসীম শ্ৰদ্ধাৰ বাবেই ৰাধাকৃষ্ণণ আজিও ভাৰতীয় শিক্ষকসকলৰ মাজত পূজনীয় হৈ আছে। ৰাধাকৃষ্ণণে তেওঁৰ ভাষণসমূহত শিক্ষা আৰু শিক্ষানুষ্ঠানসমূহৰ বিষয়ে উল্লেখ এইদৰে কৰিছিল— 'ভাৰতৰ মহান ভৱিষ্যৎ গঢ়াৰ উদ্দেশ্যে শিক্ষানুষ্ঠানসমূহক অতীতৰ চহকী ভাৰতীয় সংস্কৃতিৰ বাহকৰূপে গঠন কৰিব লাগিব আৰু মানৱতাৰ বাবে, সহনশীলতাৰ বাবে, চিন্তাৰ বিকাশৰ বাবে আৰু সত্যৰ অন্বেষণৰ বাবে শিক্ষানুষ্ঠানসমূহে যুঁজ কৰিব লাগিব।' এইজনা ব্যক্তিয়ে প্ৰাচীন ভাৰতৰ তক্ষশীলা, নালন্দা, বিক্ৰমশীলা, ধৰণীকোটা, বেনাৰস, নৱদ্বীপ আৰু অন্যান্য শিক্ষানুষ্ঠানবোৰৰ বিশেষ ভূমিকাৰ বিষয়ে দোহাৰি গৌৰৱবোধ কৰে। এই শিক্ষানুষ্ঠানবোৰে শিক্ষক আৰু শিক্ষাৰ্থীসকলৰ মাজত সম্ভাৱ, ভাতৃত্বভাৱ আৰু সাম্যভাৱ গঢ়ি তোলাত সহায় কৰি আহিছে।

ৰাধাকৃষ্ণণে ভাৰতীয় শিক্ষাৰ্থীসকলক কলা, আইন আৰু বাণিজ্যৰ শিক্ষা দিয়াৰ চেষ্টা কৰিছিল। তদুপৰি সম্পদ বিকাশ আৰু জীৱন ধাৰণৰ মান উন্নত কৰিবলৈ বিজ্ঞান, কাৰিকৰী শিক্ষা আৰু প্ৰযুক্তিবিদ্যাৰ শিক্ষাত অধিক গুৰুত্ব দিছিল। জাতীয় ঐতিহ্য আৰু মূল্যবোধৰ পৰম্পৰাৰ লগত শিক্ষাৰ্থীসকলৰ পৰিচয় ঘটাবলৈ ৰাধাকৃষ্ণণে বক্তৃতাৰ মাজেদি ভাৰতীয়সকলক উদগনি আৰু সাহস যোগাইছিল। তেওঁৰ মতে— 'এজন লোকক সঁচা অৰ্থত শিক্ষিত বুলি ক'ব নোৱাৰি, যদিহে তেওঁৰ জ্ঞান মাত্ৰ এটা বিশেষ শাখাতহে সীমিত থাকে।' অৰ্থাৎ শিক্ষিত হ'বলৈ হ'লে সকলো বিষয়তে জ্ঞান থাকিব লাগিব। তেতিয়াহে তেওঁক শিক্ষিত বুলি ক'ব পাৰি। ৰাধাকৃষ্ণণে সকলো বিষয়তে পাৰদৰ্শিতা দেখুৱাব পাৰিছিল।

ৰাধাকৃষ্ণণে শিক্ষাৰ ক্ষেত্ৰত এক সু-সংহত আঁচনি হাতত লৈছিল। তেওঁ বিজ্ঞান শিক্ষাক উৎসাহিত কৰি, একে সময়তে কলা আৰু বিজ্ঞানৰ মাজত থকা বিভেদৰ প্ৰাচীৰ ভাঙি এখন নতুন শিক্ষা ক্ষেত্ৰ প্ৰতিষ্ঠা কৰাৰ আঁচনি প্ৰস্তুত কৰিছিল। ভাৰত স্বাধীন হোৱাৰ পাছত নেহৰুৰ আমন্ত্ৰণ ক্ৰমে ৰাধাকৃষ্ণণে বিশ্ববিদ্যালয় আয়োগৰ নেতৃত্ব গ্ৰহণ কৰে আৰু তেতিয়া তেওঁ 'স্বাধীন ভাৰতৰ উচ্চ শিক্ষাৰ পুৰ্ণগঠন আৰু উন্নয়নৰ বাবে সুচিন্তিত খচৰা' বুলি এখন সংবিধান নিৰ্ণয় কৰে। এইজনা ব্যক্তিয়ে তেওঁৰ প্ৰতিবেদনত উল্লেখ কৰে যে শৈক্ষিক সমস্যাবোৰক সামাজিক সমস্যাৰ সৈতে সম্পৰ্কযুক্ত কৰিব লাগে। কৃষি, বাণিজ্য, শিক্ষা, ব্যায়াম পৰিচালনা, ৰাজহুৱা শাসন আৰু ঔদ্যোগিক সম্পৰ্কক শিক্ষানুষ্ঠানসমূহত পাঠ্যক্ৰম হিচাপে দিবলৈ পৰামৰ্শ আগবঢ়াইছিল।

এইজনা পণ্ডিত, দাৰ্শনিক, শিক্ষাবিদ ভাৰতৰ বিভিন্ন বিশ্ববিদ্যালয় তথা ভাৰতৰ বাহিৰৰ বিশ্ববিদ্যালয়সমূহতো মুখ্য অধ্যাপক আৰু উপাচাৰ্য্য হিচাপে শিক্ষকতা কৰি শিক্ষা জগতত যি অৰিহণা যোগাই থৈ গ'ল, সেয়া ভাৰতীয় শিক্ষা তথা শিক্ষক সমাজৰ এক মচ নোখোৱা অধ্যায়। তেওঁ যি আদৰ্শ দি থৈ গ'ল সেই আদৰ্শই দেশৰ শিক্ষিত, সচেতন সমাজক বিশেষভাৱে অনুপ্ৰাণিত কৰি আহিছে। এইগৰাকী মহান ব্যক্তিৰ আদৰ্শই শিক্ষা জগতলৈ কঢ়িয়াই আনিছিল উজ্জ্বল আলোকময় ভৱিষ্যৎ। শিক্ষা আৰু শিক্ষককেই তেখেতৰ জীৱনৰ ধ্যান। এনে এগৰাকী মণিষীক সন্মান প্ৰদৰ্শন কৰাৰ অৰ্থে আৰু ভাৰতত শিক্ষা আৰু শিক্ষকৰ প্ৰতি সচেতনতা বৃদ্ধিৰ বাবে ভাৰতীয় সকলে ৰাধাকৃষ্ণণৰ জন্ম দিন ৫ চেপ্তেম্বৰক 'শিক্ষক দিৱস' হিচাবে পালন কৰা হয়।

# আহোম যুগৰ শাক্ত আৰু বৈষ্ণৱৰ মাজৰ ধৰ্মীয় বিবাদ

সংগীতা বেজবৰুৱা
প্ৰবক্তা ঃ বুৰঞ্জী বিভাগ

আহোমসকলে অসমত প্ৰায় ৬০০ বছৰ কাল ৰাজত্ব কৰিছিল। এই সাহসী জাতিটোৱে ১২২৮ খ্ৰীষ্টাব্দত চুকাফা নামে এজন নেতাৰ অধীনত বাৰ্মাৰ মাওলুং নামৰ দেশ এখনৰ পৰা অসমলৈ আহিছিল। চুকাফাই অসমত প্ৰথম আহোম ৰাজ্য স্থাপন কৰে। এই আহোম বংশৰ এজন প্ৰভাৱশালী ৰজা হ'ল শিৱসিংহ। শিৱসিংহ আছিল টুংখুঙীয়া বংশৰ আহোম ৰজা গদাধৰ সিংহৰ নাতি আৰু মহাৰজা ৰুদ্ৰসিংহৰ পুত্ৰ।

শিৱসিংহই ব্ৰাহ্মণ আৰু জ্যোতিষীক সম্পূৰ্ণভাৱে বিশ্বাস কৰিছিল। ১৭৭২ খ্ৰীষ্টাব্দত ব্ৰাহ্মণ-জ্যোতিষীসকলে ভৱিষ্যৎ বাণী কৰিলে যে মহাৰাজ শিৱসিংহৰ শাসনৰ শেষ কাল চমু চাপি আহিছে। অৰ্থাৎ ৰজাৰ 'ছত্ৰভংগ' যোগ পৰিছে। এই ভৱিষ্যৎ বাণীৰ পৰা উদ্ধাৰ হ'বৰ বাবে ৰজাই উপায় হিচাপে তেওঁৰ বৰ ৰাণী ফুলেশ্বৰীক 'বৰ ৰজা' (মহাৰাণী) নাম দি ৰাজ ছত্ৰ দণ্ড অৰ্পণ কৰি ৰাজকাৰ্য্যৰ পৰা অৱসৰ ল'লে। এইজনা কুঁৱৰীকে কোনোৱে প্ৰমথেশ্বৰীও বোলে। এওঁ ফুলেশ্বৰী আৰু প্ৰমথেশ্বৰী এই দুয়ো নামেৰে মোহৰ মৰালে। ৰাণী ফুলেশ্বৰীয়ে কিন্তু ৰজা শিৱসিংহৰ তুলনাত ব্ৰাহ্মণ-জ্যোতিষীৰ ওপৰত বেছি বিশ্বাস ৰাখিছিল। গতিকে এগৰাকী শাক্ত ধৰ্মী লোক হিচাপে তেওঁ দেশৰ সকলো প্ৰজাক তেওঁৰ দৰে শাক্ত ধৰ্মাৱলম্বী হোৱাটো বিচাৰিলে। এই কথাই দেশৰ বাবে সৰ্বনাশৰ বাট পৰোক্ষভাৱে মুকলি কৰিলে।

আহোম ৰজাসকলৰ ধৰ্মনীতি আছিল উদাৰ। তেওঁলোকে হিন্দুধৰ্মৰ পৃষ্ঠপোষকতা কৰিছিল যদিও এই দিশত কঠোৰতা অৱলম্বন কৰা নাছিল। তেওঁলোকে বিভিন্ন ধৰ্মৰ লোকক যেনে শাক্তই হওক বা বৈষ্ণৱেই হওক আৰু ব্ৰাহ্মণ হওক বা অব্ৰাহ্মণেই হওক সদায় সমান চকুৰে চাইছিল। আনহাতেদি কিন্তু তেওঁলোকে তেওঁলোকৰ পৰম্পৰা বজাই ৰখাত কঠোৰ আছিল। কিন্তু ৰজাসকলে নিজৰ ধৰ্ম প্ৰজাৰ ওপৰত জোৰ কৰি জাপি দিবলৈ চেষ্টা কৰা নাছিল। গতিকে ধৰ্মৰ কঠোৰতা থাকিলেও কেতিয়াবা কেৱল ৰাজ্যৰ স্বাৰ্থতহে প্ৰয়োগ হৈছিল, নিজৰ স্বাৰ্থত নহয়। কিন্তু ৰাণী ফুলেশ্বৰীৰ ধৰ্ম আছিল আহোম ৰজাসকলৰ ধৰ্মনীতিৰ সম্পূৰ্ণ বিপৰীত। ফুলেশ্বৰীয়ে জানিছিল যে তেওঁৰ সাম্ৰাজ্যৰ ভিতৰৰ প্ৰজা বৈষ্ণৱ বা শূদ্ৰ মোৱামৰীয়া মহন্তবিলাক সম্পূৰ্ণ শাক্ত ধৰ্মৰ বিৰোধী। অৰ্থাৎ তেওঁলোকে ব্ৰাহ্মণ বিশ্বাস নকৰে আৰু তেওঁলোক এক ঈশ্বৰবাদী, বিভিন্ন দেৱ-দেৱীৰ পূজা তেওঁলোকে নকৰে আৰু তেওঁলোকৰ ধৰ্মত বলিবিধান নাই, যিটো শাক্ত ধৰ্মত দেখা যায়। ৰাণী ফুলেশ্বৰীয়ে তেওঁলোকক এক শিক্ষা দিবলৈ মনতে স্থিৰ কৰিলে। সেয়ে ফুলেশ্বৰীয়ে দুৰ্গা পূজালৈ মোৱামৰীয়া শূদ্ৰ আৰু বৈষ্ণৱ মহন্তসকলক নিমন্ত্ৰণী দি বিশেষ আয়োজন কৰিলে। কোনো এজন মহন্তই ৰাণীৰ নিমন্ত্ৰণী অসন্মান নকৰি নিমন্ত্ৰণ ৰক্ষা কৰিলে। কিন্তু কাৰ্যক্ষেত্ৰত ৰাণীয়ে আচলতে তেওঁলোকক অপমান কৰাৰ উদ্দেশ্য লৈহে নিমন্ত্ৰণী দিছিল। পূজাৰ অন্তত বলি অনুষ্ঠানত ম'হ, ছাগলী আৰু পাৰ গোঁসানীৰ আগত অৰ্পণ কৰা হ'ল। কিন্তু ফুলেশ্বৰীয়ে বলিৰ তেজৰ ফোট মহন্তসকলক বিশেষকৈ শূদ্ৰ মোৱামৰীয়া মহন্তসকলক পিন্ধাই দিবলৈ ব্ৰাহ্মণ পুৰোহিতসকলক আদেশ দিলে। এইটোৱে এই মোৱামৰীয়া বৈষ্ণৱ মহন্তসকলৰ বাবে এটা ডাঙৰ অপমান। এই অপমানে তেওঁলোকৰ অন্তৰত যথেষ্ট আঘাত হানিলে আৰু লগতে তেওঁলোকৰ ধৰ্মক অপমান কৰা যেন বোধ কৰিলে। এই অপমান কৰা মোৱামৰীয়া মহন্তসকলৰ আঘাতে গোটেই মোৱামৰীয়া বৈষ্ণৱ মহন্ত সমাজত প্ৰভাৱ পেলালে। তেওঁলোকে এই অপমান জীৱনলৈ পাহৰিব নোৱাৰিলে। অৱশেষত পিছৰ ফালে ১৮ শতিকাত তেওঁলোকে এই অপমানৰ প্ৰতিশোধ হিচাপে আহোম সাম্ৰাজ্য বিদ্ৰোহেৰে কঁপাই তুলিলে। অৱশ্যে এই বিদ্ৰোহ গঢ়ি উঠাত আন বিশেষ কিছুমান কাৰণো আছিল। কিন্তু প্ৰত্যক্ষভাৱে নহ'লেও পৰোক্ষভাৱে ৰাণী ফুলেশ্বৰীৰ ব্যৱহাৰেও মোৱামৰীয়াসকলক জগাই তুলিছিল। সেয়ে অসমত পৰোক্ষভাৱে মোৱামৰীয়া বিদ্ৰোহৰ কাৰণ হিচাপে শিৱসিংহৰ ৰাণী ফুলেশ্বৰীও দায়ী বুলি ক'ব পাৰি।





# পৰিৱেশ প্ৰদূষণ

মৌচুমী বৰুৱা
স্নাতক দ্বিতীয় বৰ্ষ (কলা)

বৰ্তমান সময়ত দেশৰ এটি ডাঙৰ সমস্যা হৈছে পৰিৱেশ প্ৰদূষণৰ সমস্যা। পৰিৱেশ প্ৰদূষণৰ সমস্যাই দেশৰ জনসাধাৰণক চিন্তিত কৰি তুলিছে আৰু এই সমস্যাই দেশত ভয়াবহতাৰ ৰূপ ধাৰণ কৰিছে। জনসাধাৰণৰ দ্বাৰাই সৃষ্টি হোৱা উক্ত সমস্যাসমূহে তেওঁলোকৰ ক্ষতিসাধন কৰিছে।

বৰ্তমান যুগত ঔদ্যোগিক বিকাশ হৈছে সঁচা কিন্তু এইবোৰৰ পৰা নিৰ্গত হোৱা ধোঁৱা, জাবৰ-জোথৰ আদিয়ে প্ৰদূষণৰ মাত্ৰা বঢ়াবলৈ আৰম্ভ কৰিছে। বৈজ্ঞানিক যুগত এই কল-কাৰখানাসমূহৰ পৰা নিৰ্গত হোৱা ৰাসায়নিক দ্ৰব্য আৰু বিষাক্ত গেছসমূহে বায়ু প্ৰদূষিত কৰিছে আৰু ৰাসায়নিক দ্ৰব্যসমূহ চহৰৰ নলা-নৰ্দমাৰে আহি পানীত পৰাৰ ফলত পানী দূষিত হৈছে। সেই দূষিত পানী সেৱন কৰিয়েই বিভিন্ন জলচৰ প্ৰাণীৰ মৃত্যু হৈছে আৰু মানুহো বিভিন্ন বেমাৰত আক্ৰান্ত হৈছে।

ইয়াৰ উপৰিও শস্যৰ উৎপাদন বঢ়াবলৈ আৰু শস্যৰ ৰক্ষণাবেক্ষণৰ কাৰণে মানুহে নানাবিধ ৰাসায়নিক সাৰ কীটনাশক, বননাশক আদি দ্ৰব্য ব্যৱহাৰ কৰে। এই পদাৰ্থবোৰৰ অৱশিষ্ট অংশ পানীৰ সোঁতত উটি গৈ জলাশয় নদী আদিত পৰি পানী প্ৰদূষিত কৰি তুলিছে।

বিজ্ঞানৰ অগ্ৰগতিৰ লগে লগে বৈজ্ঞানিকসকলে আধুনিক ধৰণৰ গাড়ী-মটৰ, উৰাজাহাজ আদি তৈয়াৰ কৰি উলিওৱাৰ ফলত মানুহৰ যাত্ৰা সুখৰ হ'লেও ই কোনো কোনো কাৰণত মানুহৰ দুখৰ কাৰণো হৈ পৰিছে। এইবোৰৰ পৰা নিৰ্গত হোৱা ধোঁৱা, নানা বিষাক্ত গেছ আদিয়ে বায়ু দূষিত কৰি তুলিছে।

পৃথিৱীৰ পাঁচটা মণ্ডলৰ ভিতৰত অজ'ন মণ্ডলৰ ডাঠ তৰপটোৱে গোটেই পৃথিৱীখনৰ ওপৰত এক আৱৰণৰ সৃষ্টি কৰি আছে। অজ'নে সূৰ্য্যৰ পৰা অহা অতি বেঙুনীয়া ৰশ্মি শোষণ কৰে। কিয়নো ইয়াৰ কু-প্ৰভাৱে সকলোকে নিমিষতে ধ্বংস কৰি দিব পাৰে। বৈজ্ঞানিকসকলে উল্লেখ কৰিছে যে বায়ুমণ্ডল দূষিত হোৱাৰ ফলত 'ক্ল'ৰ ফ্ল'ৰ কাৰ্বন' (CFC) নামৰ গেছবিধ বাঢ়ি গৈছে আৰু ইয়াৰ ফলত অজ'নৰ পৰিমাণ কম হৈ গৈ তাত বিন্ধাৰ সৃষ্টি হ'ব আৰু এটা সময়ত পৃথিৱীত জীৱ-জন্তু বাচি থকাটো অসম্ভৱ হৈ পৰিব।

ইন্ধনত থকা ছালফাৰৰ জাৰণৰ ফলত $SO_2$ আৰু $SO_3$ গেছৰ উৎপন্ন হয়। $SO_2$ আৰু $SO_3$ পানীত দ্ৰৱীভূত হৈ ক্ৰমে $H_2SO_3$ (ছালফিউৰাছ) আৰু $H_2SO_4$ (ছালফিউৰিক এচিড) উৎপন্ন কৰে। আকৌ ইন্ধনৰ নাইট্ৰ'জেনৰ জাৰণৰ ফলত $NO_2$ পানীত দ্ৰৱীভূত হৈ $HNO_3$ (নাইট্ৰিক এচিড) উৎপন্ন কৰে। বৰষুণৰ পানীত এই গেছসমূহে দ্ৰৱীভূত হৈ এচিড বৰষুণৰ সৃষ্টি হয়। এচিড বৰষুণে পৃথিৱীৰ আপুৰুগীয়া বুৰঞ্জীপ্ৰসিদ্ধ অট্টালিকাসমূহৰ ক্ষতিসাধন কৰে।

বৰ্তমানৰ বৈজ্ঞানিক গৱেষণাৰ পৰা জনা যায় যে আমাৰ দৈনিক ব্যৱহাৰ্য্য প্লাষ্টিক হৈছে এক অতি ভয়ানক বস্তু যি প্ৰদূষণৰ মাত্ৰা বৃদ্ধি কৰাত সহায় কৰে। প্লাষ্টিকৰ মোনাবোৰ বিভিন্ন ৰঙেৰে সজাই পৰাই আকৰ্ষণীয় কৰি বজাৰত উলিয়াই দিয়ে আৰু আমি বিভিন্ন বস্তু অনা-নিয়া কৰিবৰ বাবে এই মোনাসমূহ ব্যৱহাৰ কৰি আহিছো। সেই ৰংবোৰ খোৱা বস্তুৰ লগত মিহলি হৈ আমাৰ পেটলৈ যায় আৰু ই আমাৰ স্বাস্থ্যৰ ক্ষতিসাধন কৰে। তাৰোপৰি এই প্লাষ্টিকৰ মোনাবোৰ জুই লগাই পুৰিলে ইয়াৰ পৰা যি বিষাক্ত গেছ উৎপন্ন হয় সেই গেছ আমাৰ দেহৰ বাবে অতি অপকাৰী আৰু এই গেছে সেউজ গৃহ প্ৰভাৱতো অৰিহণা যোগায়। আকৌ এই প্লাষ্টিক মোনাবোৰ পেলাই দিলে সেইবোৰ মাটিৰ লগত জিন নাযায় আৰু ইয়াৰ ফলত ভূপৃষ্ঠ অসাৰুৱা হৈ পৰে। বিভিন্ন কাৰণত বৰ্তমানৰ মানৱ সমাজৰ মাজত বিভিন্ন ৰোগে দেখা দিছে।

পৰিৱেশ প্ৰদূষণ বা পৰিৱেশ দূষিত কৰাৰ মূল কাৰণ হ'ল মানৱ সমাজ। উদ্ভিদৰ প্ৰদূষণ নিয়ন্ত্ৰণত আটাইতকৈ বেছি অৰিহণা আছে কিন্তু মানৱ সমাজে নিজ স্বাৰ্থ সিদ্ধিৰ বাবে গছ-গছনি কাটি তহিলং কৰি ধ্বংস কৰি পেলাবলৈ কোনো কুণ্ঠাবোধ নকৰে। এই প্ৰদূষণ নিয়ন্ত্ৰণৰ মূল চাবিকাঠি আমাৰ হাততে আছে। যদিহে আমি ইয়াৰ সঠিক আৰু উপযুক্ত ব্যৱহাৰ কৰো তেতিয়াহ'লে আমাৰ পৃথিৱীখন শস্য শ্যামলা হৈ প্ৰদূষণমুক্ত হৈ পৰিব। অন্যথা প্ৰদূষণৰ নিষ্ঠুৰতাৰ বলি হৈ আমাৰ লগতে সমগ্ৰ পৃথিৱীখন ধ্বংস হৈ যাব।

# উত্তৰ গুৱাহাটীৰ লোক সংস্কৃতি

ড° ভৃগুমোহন গোস্বামী
প্ৰাক্তন অধ্যা

উত্তৰ গুৱাহাটী অঞ্চলৰ ঐতিহ্য যিমান প্ৰাচীন ইয়াৰ লগত জড়িত লোক সংস্কৃতিও সিমান প্ৰাচীন। বুৰঞ্জীয়ে ঢুকি নোপোৱা দিনৰে পৰা ইয়াৰ মঠ, মন্দিৰ, দেৱালয়, থান আদিৰ লগত জড়িত মিথ, লেজেণ্ড সাধুবোৰ লোক জীৱনৰ মাজত প্ৰচলিত হৈ আহিছে। দৌল, দেৱালয়, থান, মন্দিৰ আৰু বিশাল ব্ৰহ্মপুত্ৰৰ লগত অবিভক্ত গুৱাহাটীৰ সংস্কৃতি আৰু লোক সংস্কৃতি সাঙোৰ খাই আছে। উত্তৰ গুৱাহাটী বৃহৎ গুৱাহাটীৰে অবিচ্ছেদ্য অংগ। গুৱাহাটীক বিশাল ব্ৰহ্মপুত্ৰই দুভাগ কৰি উত্তৰ গুৱাহাটী আৰু দক্ষিণ গুৱাহাটী সুকীয়া কৰিলেও গুৱাহাটী বুলিলে দুয়ো পাৰকে বুজায়। গুৱাহাটী নামটো প্ৰজ্বলিত হোৱাৰ আগতে গুৱাহাটীক প্ৰাগজ্যোতিষপুৰ, দুৰ্জয় নগৰ আদি নামেৰে শুনা গৈছিল। প্ৰাগজ্যোতিষপুৰক ব্ৰহ্মপুত্ৰই দুভাগত বিভক্ত কৰিছিল। পণ্ডিত প্ৰবৰ আনন্দৰাম বৰুৱাই উত্তৰ গুৱাহাটী বা গুৱাহাটীৰ 'নন্দন' বুলি লিখা নাই। জানকী ভাষ্যত তেওঁ "প্ৰাগজ্যোতিষপুৰ নন্দন' বুলিহে লিখিছে। উত্তৰ গুৱাহাটী প্ৰাচীন কামৰূপৰো (প্ৰাচীন অসম) প্ৰধান কেন্দ্ৰস্থান আছিল। এই বিষয়ে আলোচনা কৰা এই প্ৰবন্ধৰ উদ্দেশ্য নহয়- উত্তৰ গুৱাহাটীৰ লোক-সংস্কৃতিৰ বিষয়ে কিছু আলোচনা কৰাহে এই প্ৰবন্ধৰ ঘাই উদ্দেশ্য। সেয়ে লোক-সংস্কৃতিৰ বিষয়ে কিছুকথা আলোচনা কৰা হ'ব।

লোক সংস্কৃতি সাহিত্যৰ এটা দিশ হিচাপেও অধ্যয়ন কৰিব পাৰি। লোক সংস্কৃতিক সুকীয়া অস্তিত্ব বা মৰ্যাদা দিবলৈ বেছি বছৰ হোৱা নাই। কিয়নো সাহিত্য অধ্যয়নৰ বিভাগবোৰ স্থাপিত হোৱাৰ অনেক কালৰ পিছতহে লোকবিদ্যাৰ চিন্তা-চৰ্চা হৈছিল।[1] লোক-সাংস্কৃতিৰ লগত সাহিত্য-দৰ্শন-ইতিহাস আৰু সমাজ বিজ্ঞানৰো গভীৰ সম্পৰ্ক আছে। নৃতত্ত্ববিদসকলেও কেতিয়াবা লোক-সাংস্কৃতিক সমলৰ সহায় ল'বলগীয়া হয়। বিভিন্ন বিষয়ৰ বিভিন্ন পণ্ডিতে নিজৰ নিজৰ বিষয়ৰ স্বাৰ্থত লোক সংস্কৃতিক সমল ব্যৱহাৰ কৰে।[2] লোকবিদ্যাক আমি পৰম্পৰাগত বিজ্ঞানো বুলিব পাৰো কিয়নো এইবিধ বিজ্ঞানে পৰম্পৰাৰ বিষয়ে পদ্ধতিগত ভাৱে বিচাৰ-বিশ্লেষণ কৰে।

লোক সংস্কৃতিৰ সকলো সময়তে জন্ম হ'ব পাৰে। আধুনিক যুগতো লোক-সংস্কৃতিৰ জন্ম হৈ আছে। লোক সংস্কৃতি মুখ পৰম্পৰা মতে চলি থাকে। সেই বুলি সকলো মুখে মুখে চলি অহা কথাই লোক সংস্কৃতি নহ'বও পাৰে। Bascom অৰ মতে "All folklore is orally transmitted, but not all that is orally transmitted is folklore." লোকসংস্কৃতি এক জীৱন্ত পৰম্পৰা।

লোক সংস্কৃতিবিদ ৰবাৰ্ট ৰেডফিল্ডৰ মতে লোক-সংস্কৃতি কোনো এক সংস্কৃতিৰ পৰিপূৰ্ণ ৰূপ নহয় সমাজ, সংস্কৃতিৰ পৰিপূৰ্ণ ৰূপৰ অংশ বিশেষহে।

সাধাৰণতে ফোক (folk) অৰ্থাৎ লোক বা জন বুলিলে গঞাঁ, কৃষিজীৱী, কৃষক, নিৰক্ষৰ, মৌখিক পৰম্পৰা আশ্ৰয়ী, বিশ্বাস পৰায়ণ, যাদু আশ্ৰয়ী, সমাজৰ নিম্নস্তৰৰ লোক বুজায়। আনহাতে এলিট (elit) অৰ্থাৎ শিষ্ট বা অভিজাত বুলিলে নগৰীয়া, শিল্পজীৱী, কলকাৰখানা কৰ্মী, সাক্ষৰ, যন্ত্ৰশিল্পী, লিখিত পৰম্পৰা আশ্ৰয়ী, যুক্তি পৰায়ণ, বিজ্ঞান আশ্ৰয়ী, সমাজৰ উচ্চ স্তৰৰ লোক বুজায়। শিষ্ট সমাজৰ ধাৰণাৰ ওপৰত লোক সমাজৰ ধাৰণা আমাৰ মনলৈ আহে। আচলতে 'ফোক' মানে 'পিপল ইন জেনেৰেল'। সেই ফালৰ পৰা নগৰতো 'ফোক' থাকিব পাৰে। নগৰীয়া সভ্যতাই লোক-সংস্কৃতিৰ বিনাশ ঘটাব পাৰে বুলি ভবা কথা অমূলক। কিয়নো বৰ্তমানো নগৰ আৰু গাঁও উভয়তে লোক সংস্কৃতি সমলৰ জন্ম হৈ আছে। সেয়ে কোৱা হয় 'লোক-সংস্কৃতি এক জীৱন্ত পৰম্পৰা।' কৃষিজীৱী সমাজ, শিল্পজীৱী সমাজ দুখন বেলেগ সমাজ হিচাপে দেখা দিলেও শিল্পজীৱী সমাজৰ ওপৰত কৃষিজীৱী সমাজখনৰ সংস্কৃতিৰ প্ৰভাৱ পৰিছে। ওপৰোক্ত দুয়োশ্ৰেণী সমাজৰ পৰা বুদ্ধিজীৱী সমাজখনৰ উদ্ভৱ হোৱাৰ লগে লগে classes আৰু masses এই দুটা ফাটে দেখা দিলে। এই কথা A.R. Wright এ তেওঁৰ 'ইংলিচ ফোকলৰ' পুথিত লিখিছে। তেওঁ এই কথাও কৈছে যে শিক্ষাই আমাক class আৰু mass- অত ভাগ কৰিলেও তাচখেলত নগৰীয়া লোকেও ভাগ্য নিৰ্ণয় কৰিবলৈ তেওঁ বহা চকীখন তিনিবাৰ ঘূৰাই লয়। সেয়ে বৰ্তমানৰ লোক সংস্কৃতিবিদসকলৰ মতে 'ফোক' অভিধাটোৱে কেৱল গঞাঁ নিৰক্ষৰ, নিম্নস্তৰৰ লোককে নুবুজায়।

ল'ৰ (lore) অভিধাটোৱে জনসাধাৰণৰ কৃতি তেওঁলোকৰ আচৰণ, জ্ঞান, বিদ্যা আদি বুজায়। 'lore' অৰ্থ বুজাবলৈ কৃষ্টি, সংস্কৃতি, বিদ্যা আদি শব্দ ব্যৱহাৰ কৰা হৈছে। সেয়ে folklore মিশ্ৰ শব্দ দুটা লগ লাগি আমাৰ ভাষাত লোকসংস্কৃতি, জনকৃষ্টি, লোক বিদ্যা আদি সূচায়।

ৰিচাৰ্ড এম্ ডৰচনে 'ফোকল'ৰৰ পৰিসৰক এই চাৰিটা ভাগত ভাগ কৰিছে- (১) বাচিক ক'লা (২) সামাজিক লোকাচাৰ (৩) ভৌতিক লোক সংস্কৃতি আৰু (৪) লোক পৰিবেশ্য কলা।

ডৰচনৰ আৰ্হিতে ড° নবীন চন্দ্ৰ শৰ্মাই এই চাৰিটা ভাগত পৰা বিষয়বস্তু সমূহ এনেদৰে ভাগ কৰিছে।[3]

১. বাচিক কলা- লোক কৱিতা, লোক গীত, মিথ বা পুৰাণ কথা, লেজেণ্ড বা জনশ্ৰুতিগত কাহিনী, সাধু কথা, যোজনা, পটন্তৰ, প্ৰবচন, সাঁথৰ আদি।

২. সামাজিক লোকাচাৰ- লোক-বিশ্বাস, লোক ধৰ্ম, উৎসৱ-অনুষ্ঠান, অৱসৰ-বিনোদন, লোক দৰব আৰু লোক-খেলধেমালি আদি।

৩. ভৌতিক লোক সংস্কৃতি- লোক কলা, লোক শিল্প, লোক স্থপতি বিদ্যা, লোক আভৰণ, লোকৰন্ধন প্ৰণালী আদি।

৪. লোক পৰিবেশ্য কলা- লোক সংগীত, লোক নৃত্য, লোক নাটক আদি।

উত্তৰ গুৱাহাটীৰ লোক সংস্কৃতিৰ কথা ওলালেই প্ৰথমেই এই ঠাইৰ মঠ, মন্দিৰ, থান, দৌল দেৱালয়, সত্ৰক লৈ উদ্ভৱ হোৱা মিথ বা পুৰাণ কথা, লেজেণ্ড বা জনশ্ৰুতি আৰু সাধুকথাৰ কথা আমাৰ মনলৈ আহে। তদুপৰি উত্তৰ গুৱাহাটীৰ লোক সংস্কৃতিয়ে এই ঠাইত প্ৰচলিত যোজনা পটন্তৰ, প্ৰবচন, সাঁথৰ, টেটকুঁটি (ধেমেলীয়া কথা) ৰগৰ, আশীৰ্বাদ, গালি-শপনি, শপত, পোছাক পৰিচ্ছদ, বেশভূষা, আ-অলঙ্কাৰ, লোক-নৃত্য আৰু নাট, লোক কলা, লোকবিশ্বাস, সংস্কাৰ, লোক দৰবপাতি, লোকবাদ্য যন্ত্ৰ (ঢোল, পেঁপা, গগণা, টোকাৰি নিৰ্মাণ), লোক-গীত, লোকভাষা, লোক উপমা, লোক-কবিতা, আউনীআটী সত্ৰৰ চৌহদৰ বেৰৰ লিখন, গোঁসাই ঘৰৰ বেৰত অংকিত মূৰ্ত্তি, পৰম্পৰাগত খেলধেমালি, নিচুকনি গীত, লোকৰন্ধন প্ৰণালী আদি সামৰি লয়। জেঠিৰ মাত, হামি, হেঁকটি, হাঁচি আদিতো লোক সংস্কৃতিৰ উপাদান বিদ্যমান। এটা হাঁচি মাৰিলে 'কুশল হওক' বুলি কয়। দুটা বা তিনিটা হাঁচি একেলগে মাৰিলে চিৰঞ্জীৱ হওক বুলি কয়। লোকপ্ৰবাদ মতে হেঁকটিয়ে অমঙ্গল সূচায়। দুটা বা তিনিটা হাঁচি মাৰিলে কুশল সূচায়। কথা কৈ থাকিলে জেঠিয়ে মাতিলে 'টিক্ টিক্ সত্য জেঠি' বুলি কয়। এই ঠাইৰ উৎসৱ অনুষ্ঠান, ব্ৰত উপবাস, দৃশ্য শ্ৰব্য কলাৰ পৰম্পৰা অতি প্ৰাচীন। ওপৰত উল্লেখ কৰি অহা উত্তৰ গুৱাহাটীৰ লোক-সংস্কৃতিৰ বিষয় সমূহৰ ওপৰত এতিয়াও প্ৰণালী বদ্ধভাৱে অধ্যয়ন হোৱা নাই।

জুন, ১৮৫৩ খৃষ্টাব্দৰ 'অৰুনোদই'য়ত ধৰ্মকান্ত গোঁহাই লিখা 'গুআহাটিৰ বিবৰণ' নামৰ কবিতাত পোৱা যায় যে নৰনাৰায়ণক পৰাস্ত কৰি ইন্দ্ৰবংশী ৰজাই গুৱাহাটীত বৰফুকন আদি বিষয়া পাতি গড়গাঁৱত নগৰ কৰি থাকিলে। বদন বৰফুকনৰ বুঢ়া গোঁহাইৰ লগত কন্দল লাগি বৰফুকন মানদেশলৈ পলাই গৈ মানক অনাত মানে নগৰ উচান কৰে। মানক খেদি কোম্পানীয়ে দেশ ল'লে। চাহাবসকলে সন্তোষ পাই গুৱাহাটীত বৰ বৰ ঘৰ সজালে। কচাৰি ঘৰ সাজিলে। কচাৰি ঘৰক অসমীয়াতে দোপদৰ বোলে। উক্ত কবিতাত আছে-

'কৰিলা কচাৰি ঘৰ অতি ভয়ঙ্কৰ
অচমিয়া লোকে জাক বোলে দোপদৰ।'[4]

উত্তৰ গুৱাহাটীৰ দোপদৰ নামৰ ঠাইতো এসময়ত ৰজাৰ কচাৰি ঘৰ থকাৰ কথা সূচায়।

প্ৰবজনৰ মাধ্যমেৰেও উত্তৰ গুৱাহাটীৰ লোক-সংস্কৃতি সমৃদ্ধ হৈছে। উত্তৰ গুৱাহাটীৰ কানাই বৰশি বোৱা শিলৰ লিপিয়ে তুৰ্কিস্থানৰ পৰা অহা তুৰস্ক বাহিনী এটা কামৰূপলৈ আহি ১১২৭ শকত (চৈত মাহৰ তেৰদিন যোৱাত) (১২০৫-০৬ খৃঃ) পৰাজয় হোৱাৰ কথা ঘোষণা কৰিছে। সেই লিপিৰ পাঠ এনে ধৰণৰ-

শাকে তুৰগ যুগ্মেশে মধুমাস ত্ৰয়োদশে।
কামৰূপং সমাগত্য তুৰুষ্কা ক্ষয়মাযযুঃ।।

কানাই বৰশীবোৱা লিপিত মধ্যকালীন অসমীয়া লিপিৰ প্ৰথম নিদৰ্শন দেখা যায়। আনহাতে কানাই শব্দটোৱে লোকসমাজৰ শব্দ। লোক সমাজত কৃষ্ণই কানাই হিচাপে ধৰা দিছে। লোকগীতত কানাই শব্দটো অতি প্ৰিয়। কানাই বৰশী বোৱা শিলক লৈ অনেক মিথ, লেজেণ্ড সাধুৰ উদ্ভৱ হৈছে। লুইতৰ পাৰত অৱস্থিত এই শিলত বহিয়ে কানাই

হেনো বৰশী বাইছিল আৰু বৰশীত সৰু চন্দা আৰু বৰচন্দা মাছে ধৰিছিল। বৰশীৰ চিপ মাৰোতে সৰু চন্দাটো যি ঠাইত পৰিল তাৰ নাম সৰু চন্দা হ'ল। বৰ চন্দা মাছটো যি ঠাইত পৰিল তাৰ নাম বৰচন্দা হ'ল। এই দুখন গাঁও এতিয়াও আছে।

উত্তৰ গুৱাহাটীৰ পৰীক্ষিত নাৰায়ণ গড় আৰু পৰীক্ষিত নাৰায়ণ পুখুৰীয়ে কোচ ৰজাসকলৰ প্ৰাধান্য সূচায়। তাই ভাষাৰ শব্দ ফুলুং নামটোৰ দুটা ব্যাখ্যা পোৱা যায়। এটা সংবাদমতে ফুৰালুঙৰ পৰা ফুলুং শব্দটোৰ উদ্ভৱ হৈছে। ফুৰালুং মানে পূজাৰ স্থান।[৫] আন এটা সংবাদ মতে ফু - মানুহ; লুং- ডাঙৰ। ফুলুং মানে ডাঙৰ মানুহ ফুলুং খাম পেং নামৰ এজন বিষয়াই এই ঠাইত যি গড় তৈয়াৰ কৰিছিল তাৰ নাম ফুলুংগড় হয়। আৰু ঠাইখনৰ নাম ফুলুং হৈ পৰে।[৬] উত্তৰ গুৱাহাটীৰ ৰংমহল নামটোৰে ৰজাদিনীয়া অনেক ইতিহাস কঢ়িয়াই আনিছে।

উত্তৰ গুৱাহাটীৰ চৌদিশে গড়বন্ধা সংস্কৃতি প্ৰাচীন কালৰ পৰা আছে। গড় মাৰি যুদ্ধ কৰা কৌশল অতি পুৰণি। বাণৰ অগ্নিগড়ৰ কথা সকলোৱে জানে। শঙ্কৰদেৱেও গড়মাৰি যুদ্ধ কৰাটো ভাল বুলি কৈছে। শংকৰদেৱে তেওঁৰ কন্যা বিষ্ণুপ্ৰিয়াক মাধৱদেৱৰ লগত বিয়া দিবলৈ ইচ্ছা কৰি ইঙ্গিতেৰে এই কথা বুজাবলৈ গড় মৰাৰ কথা এইদৰে কৈছিল, "বোলে বৰাৰ পো, গড়বান্ধি যুজিলে সজ, প্ৰাণৰ সংশয় নাই, বিনাগড়ে যুজিলে ভয়।"[৭]

ব্ৰহ্মপুত্ৰই দ্বিখণ্ড কৰা অবিভক্ত গুৱাহাটীৰ দুয়োপাৰে দুৰ্জেয় গড় আছিল। দক্ষিণ গুৱাহাটীৰ ৰাজগড়, ভাঙাগড় আদিয়ে গুৱাহাটীখন যে গড়েৰে আবৃত হৈ আছিল তাৰেই কথা সূচায়। পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে বুৰঞ্জী বিখ্যাত 'মোমাই কটা গড়' উত্তৰ গুৱাহাটীতে বুলি লিখি থৈ গৈছে। তেওঁ 'আলোচনী'ত (৭মবছৰ ৮ম সংখ্যা ১৮৩৮ শকত লিখা) 'চিলা পৰ্বতৰ গদ্য শিলৰ ফলি' নামৰ প্ৰবন্ধত লিখিছে, ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে, গুৱাহাটীৰ উত্তৰ পশ্চিম কোণত চিলা পৰ্বত নামেৰে যিটো পৰ্বত আছে, এই পৰ্বতটো গুৱাহাটীৰ পৰা প্ৰায় পাঁচ মাইল মান দূৰত। এই পৰ্বতৰ পৰা ৰং মহলৰ ফাললৈ পূব মুৱাকৈ এটা গড় গৈছে আৰু সেই গড়ৰ নামেই হৈছে বুৰঞ্জী প্ৰসিদ্ধ 'মোমাই কটা গড়।[৮] 'উত্তৰ গুৱাহাটীৰ পূব প্ৰান্তত বৰনদী সঙ্গমত থকা কানাই বৰশী বোৱা শিলৰ পৰা দীৰ্ঘেশ্বৰীৰ ওচৰত থকা ফুলুং গাঁৱৰ পূবলৈ এটা বৃহৎ আকাৰৰ সামৰিক গড় এতিয়াও নিখুট অৱস্থাত বৈ আছে। এই গড়টো 'বৰগড়' নামে জনাজাত হ'লেও গাঁও সংলগ্ন স্থান সমূহত নিজ নিজ নাম লৈছে যেনে- ৰংমহলত ৰংমহল গড়, ফুলুঙত ফুলুং গড় ইত্যাদি।[৯]

দীৰ্ঘেশ্বৰী দেৱালয়, মণিকৰ্ণেশ্বৰ আৰু অশ্বক্ৰান্ত দেৱালয়ক কেন্দ্ৰ কৰি উত্তৰ গুৱাহাটীত লোক-জীৱনৰ অনেক কথা সাঙোৰ খাই আছে। চ'ত মাহৰ মদন চতুৰ্দশীত (শুক্লপক্ষত) দীৰ্ঘেশ্বৰীক (কালীক) মনিকৰ্ণেশ্বৰলৈ লৈ অহা হয়। তেওঁ আহিলে প্ৰতিঘৰ মানুহে দুৱাৰ মুখত দীৰ্ঘেশ্বৰীক আদৰণি জনায়। দীৰ্ঘেশ্বৰীক সেইদিনা উত্তৰ গুৱাহাটীৰ দলৈৰ ঘৰলৈও নিয়া হয়।[১০] "মদন চতুৰ্দশীৰ শোভা যাত্ৰাত এক দীৰ্ঘপথ অতিক্ৰম কৰি মনিকৰ্ণেশ্বৰ দেৱালয়ত গৈ দেৱীৰ চলন্ত মূৰ্তিক পূজা এভাগ কৰি তাৰ পৰা আকৌ অশ্বক্ৰান্ত দেৱালয়ত গৈ তাতো পূজা এভাগ কৰোৱাই পুনৰ দেৱালয়লৈ ঘূৰি আহোতে শেষ নিশা হয়। এই শোভা যাত্ৰাৰ তাৎপৰ্য কি সি অনুমানৰ বিষয়; খুব সম্ভৱ শিৱ, বিষ্ণু আৰু দেৱীৰ ভক্তসকলৰ মাজত সমন্বয় ৰক্ষাৰ ই এটা ব্যৱস্থা।[১১]" দীৰ্ঘেশ্বৰীৰ বাহন বাঘ। দীৰ্ঘেশ্বৰী ব্যাঘ্ৰেশ্বৰী নামেৰেও জনাজাত। গাই গৰু জগাৰ পিছতে ফেঁহু কোমল বাঁহৰ চুঙাত ভৰাই পুৰি খৰিকা এডালৰ দুয়োমূৰে দুচকল ফেঁহু খুঁচি দি এখন ভাৰ তৈয়াৰ কৰি বাঘ দেৱতাৰ উদ্দেশ্যে এচোপ বিৰিণাৰ মাজত দিয়ে। এই প্ৰথা অসমৰ আন আন ঠাইতো আছিল। ইয়াৰ উদ্দেশ্যে ব্ৰাঘ্ৰদেৱতাক সন্তুষ্ট কৰা। নতুনকৈ জগা দামুৰিটো যাতে বাঘে নাখায়। হাবিতলীয়া সভ্যতাত প্ৰচলিত এই ৰীতি বৰ্তমান কোনো কোনো ঠাইত ক্ষীণ ভাৱে হ'লেও আছে। জাতি-জনজাতি উভয়ে ব্যাঘ্ৰদেৱতাক পূজা-উপাসনা কৰা ৰীতি আছিল। অবিভক্ত গোৱালপাৰাত ব্যাঘ্ৰদেৱতা কৃষিজীৱী সমাজত সোনাৰায় নামে পৰিচিত।

দীৰ্ঘেশ্বৰী দেৱালয় সীতাচলত অৱস্থিত। এই দেৱালয়ৰ প্ৰাঙ্গণত সীতাৰ তাঁতশাল থকা কথা পৰম্পৰাগতভাৱে প্ৰবাহিত হৈ আহিছে। নতুন শিপিনীয়ে তাত পূজা আগবঢ়াই তাঁতশালত নতুন কাপোৰ বয়।

"কিম্বদন্তী মতে এহাল বাঘ বাঘিনীয়ে সদায় আহি মন্দিৰৰ ভোগ-প্ৰসাদ খাই গৈছিল। পূৰ্বতে এই বনাঞ্চলতেই মাৰ্কেণ্ডেয় মুনিৰ আশ্ৰম আছিল বুলি কিম্বদন্তী আছে।[১২]" এইদৰে দীৰ্ঘেশ্বৰীক লৈ লোক সমাজত বাঘক কেন্দ্ৰ কৰি নানা উপকথা, কল্পনা, বিশ্বাস, আচাৰ অনুষ্ঠান গঢ় লৈ উঠিছে।





বহাগৰ নতুন বছৰৰ আৰম্ভণিত দেওবাৰে জলাহত যি দেওপূজা হয় আৰু তাত যি জকি উঠে তাৰ মাজতো লোক-সংস্কৃতিৰ সমল বিচাৰি পোৱা যায়। জনগণে দেওপূজাৰ আগদিনা শনিবাৰে দীৰ্ঘেশ্বৰী দেৱালয়লৈ গৈ দেৱীৰ উদ্দেশ্যে পঠা ছাগলী উচৰ্গা কৰি দেওবাৰে হ'ব লগীয়া দেওপূজালৈ দেৱীক আহ্বান জনাই আহে।[১৩]

দীৰ্ঘেশ্বৰীৰ দৰে অশ্বক্ৰান্তক লৈয়ো বিভিন্ন মিথ, লেজেণ্ড আৰু সাধু প্ৰচলিত আছে। অশ্বক্ৰান্ত দেৱালয়ত 'কুৰ্ম জনাৰ্দনৰ ফল্গুৎসৱৰ মন্দিৰ' আছে। ইয়ে উত্তৰ গুৱাহাটীত থকা ফল্গুৎসৱৰ প্ৰাচীনত্বৰ সন্ধান দিয়ে। অশ্বক্ৰান্তত ওজাপালি দেৱালয়ৰ ওজাপালিকসকলে গোৱা নিয়ম আছিল। ইয়াতে ব্যাস সংগীতৰ প্ৰচলন আছিল বুলি জনা যায়। আনহাতে দীৰ্ঘেশ্বৰীত মনসা পূজাৰ প্ৰচলন থকা কথাই তাত মনসা সংগীত গোৱা ওজাপালি থকাৰ সন্ধান দিয়ে।

ফল্গুৎসৱৰ শেষৰ দিনা অশ্বক্ৰান্তৰ কৃষ্ণ মূৰ্তিটো দোলাত লৈ পূজাৰী, দেউৰীসকলে আড়ম্বৰপূৰ্ণ শোভাযাত্ৰা উলিয়াই নগৰ ফুৰে।[১৪] 'পিচত গধূলি দেহ জুৰ কৰিবলৈ আতাইয়ে তেতেলিৰ চৰবৎ খোৱাৰ নিয়ম আছিল।' তেতেলিৰ চৰবৎ এক প্ৰকাৰ লোক-আহাৰ।

উত্তৰ গুৱাহাটীৰ দেউল বা ফাকুৱা উৎসৱৰ লগত লোক-জীৱন সাঙোৰ খাই আছে। ফাকুৱাত দৌলগোবিন্দ মহাপ্ৰভুক নগৰ ফুৰোৱা কাৰ্যৰ লগতো লোক-জীৱন জড়িত হৈ আছে। জগন্নাথৰ ৰথ যাত্ৰাও লোকজীৱনৰ বস্তু। উত্তৰ গুৱাহাটীত দৌলগোবিন্দক নগৰ ফুৰাবলৈ নিওতে ভক্তসকলে সমদলে নাম-কীৰ্ত্তন কৰি যায় আৰু ঠায়ে ঠায়ে তোৰণ সাজি,শৰাই আগবঢ়াই দৌলগোবিন্দক আদৰণি জনায়।

শ্ৰীকৃষ্ণৰ জন্মাষ্টমী, ফল্গুৎসৱ বা দৌল অশোকাষ্টমী বিশেষ উলহ-মালহেৰে উত্তৰ গুৱাহাটীত অতীজৰে পৰা পালন কৰি অহা হৈছিল। অশোকাষ্টমীৰ মহাবাহু ব্ৰহ্মপুত্ৰৰ লগত সম্পৰ্কিত। এই বিষয়েও বিভিন্ন মিথ আৰু লেজেণ্ড আছে। উত্তৰ গুৱাহাটীৰ লোক-জীৱনত ব্ৰহ্মপুত্ৰ সহন আৰু গহন নদ হিচাপে জনাজাত। এসময়ত ব্ৰহ্মপুত্ৰ পাৰ হ'ব লাগিলে নাৱেই একমাত্ৰ বাহন আছিল। ব্ৰহ্মপুত্ৰক তেওঁলোকে ভয় আৰু ভক্তি কৰি আহিছে। এই বিষয়ে ইয়াত এটা প্ৰবাদ আছে-

'লুইত প্ৰসন্ন হ'লে ভঙা নাৱেৰেও ব্ৰহ্মপুত্ৰ পাৰ হ'ব পাৰি।'

উত্তৰ গুৱাহাটীৰ ৰহঢলাত বসবাস কৰা বড়ো বাই, ভাই, ককাই, ভনীসকলে পথাৰত নমাৰ আগেয়ে প্ৰতিবছৰে জেঠ মাহত সমূহীয়াকৈ 'খেৰাই পূজা' উপলক্ষে বুঢ়া গোসাই থানত যি উৎসৱ পালন কৰে, তাৰ মাজতো লোক-সংস্কৃতিৰ সমল সোমাই আছে। উত্তৰ গুৱাহাটী অঞ্চলৰ সমাজ আৰু সংস্কৃতি যে যৌগিকতাৰ সংস্কৃতি এই খেৰাই পূজা তাৰ অন্যতম নিদৰ্শন। 'শিৱ-পাৰ্বতীৰ পূজাই খেৰাই পূজা।[১৫]'

ৰহঢলা নামটোৱেও উত্তৰ গুৱাহাটীৰ অতীত বুৰঞ্জী কঢ়িয়াই আনিছে। পুখুৰী খান্দি খান্দি গৈ পানীৰ উহ পালে তাতে পুখুৰী খন্দা কাম বন্ধ হয়। সেই পুখুৰীত ৰস ঢালে। ৰস এবিধ পাৰা সদৃশ (mercury) বস্তু। পুখুৰীৰ তলিত এই ৰস ঢালি দিলে পুখুৰীৰ তলিখন ফট্‌ফটীয়া হৈ থাকে আৰু পুখুৰীৰ পানী নুশুকায়। অসমত এনে ৰস (ৰহ) ঢলা পুখুৰী অনেক আছিল আৰু সেইবোৰ ঠাইক ৰহঢলা হিচাপে জনা গৈছিল। উত্তৰ গুৱাহাটীতো যে ৰহঢলা পুখুৰী আছিল ৰহঢলা নামটোৱে প্ৰমাণ কৰে। বৰ্তমান উত্তৰ গুৱাহাটী কলেজৰ গাতে লাগি থকা ৰহঢলা পুখুৰীৰ নামেৰে ৰহঢলা গাঁওখন তাৰেই প্ৰমাণ। উত্তৰ গুৱাহাটী অঞ্চলত ৰহঢলা মানুহৰ বসতিস্থান আছিল বুলি অনুমান কৰিব পাৰি। আহোমৰ দিনত পুখুৰী বিলাকত ৰহ ঢালিছিল। পাৰদ বা পাৰাৰেই আন এটা নাম 'ৰস'। 'ৰস' ৰ স-হ হৈ ৰহ শব্দৰ সৃষ্টি হৈছে। ৰসক অসমীয়া মানুহে ঘৰুৱাকথাত 'ৰহ' বোলে। 'ৰহঢলা' বুলি এখেল মানুহে এই ৰস বা ৰহ প্ৰস্তুত কৰি পুখুৰী বিলাকত ঢালিছিল।

উত্তৰ গুৱাহাটীৰ লোক সংস্কৃতিসমূহ লিপিবদ্ধ নোহোৱা বাবে ইয়াৰ অনেক সমল কালৰ বুকুত হেৰাই গৈছে। স্মৃতিগ্ৰন্থ, বিভিন্ন প্ৰবন্ধৰ মাজত কিছুমান লোক-সংস্কৃতি ৰক্ষিত হৈ আছে। দুই এখন গ্ৰন্থৰ মাজৰ পৰাও ইয়াৰ লোক-সংস্কৃতি বাচি উলিয়াব পাৰি। তেনে এখন প্ৰমান্য গ্ৰন্থ হ'ল "সদাৰমীনৰ আত্মজীৱনী"[১৬] এই আত্মজীৱনীখনৰ পৰা কেইটামান উদ্ধৃতি ইয়াত দিয়া হ'ল-

১। পৰ্বতৰ নখত ঘৰ কৰা নিষেধ। পৃ. ৩৮

২। পৰীক্ষিত পুখুৰীৰ পাৰত ঘৰ কৰা ভাল নহয়। পৃ.৩৮

৩। যি ঋতুত সন্তান জন্ম হয় সেই ঋতুৰ নামেৰে সন্তানৰ নাম ৰখা হৈছিল। হৰকান্ত সদৰামীনৰ প্ৰথম দুহিত্ৰীৰ বসন্তকালত জন্ম বাবে বাসন্তী নাম ৰখা হৈছিল।

৪। ল'ৰা ছোৱালীৰ বেমাৰ হ'লে সিহঁতৰ আৰোগ্য কামনা কৰি "মাধৱত এক লক্ষ তুলসী আগকৰা হৈছিল।

৫। শপত দিয়া আৰু শপত খোৱা প্ৰথা আছিল। পৃ.৪৪

৬। বেজালি আছিল আৰু নিদানী ঔষধৰ প্ৰচলন আছিল।

৭। 'উমানন্দৰ দক্ষিণে গোহাটীত পকা গীৰ্জাঘৰ হয় ১৮৪৫ চনত।'

৮। কোষ্ঠীত বিশ্বাস আছিল যদিও কোষ্ঠী মতে ৰাহি-জোৰা নাহিলে দৰা কইনা উভয় পক্ষৰ মন মিলিলে বিয়া পতা হৈছিল। চিত্ত শুদ্ধি গৰীয়সী আছিল। চিত্ত শুদ্ধি হ'লে জোৰা নাচাইছিল।

৯। বিয়াত যাত্ৰাগান, ঢুলীয়াহঁতৰ ভাৱনা আৰু চণ্ডীমন্দল ও দুৰ্গামঙ্গল প্ৰভৃতি গান হৈছিল। পৃ.৬৬

১০। পৰম্পৰা ভাৱে অশোকাষ্টমী পালন কৰি অহা হৈছিল।

১১। নতুন ঘৰ ল'লে আঘোন বা ফাগুণ মাহত লৈছিল।

১২। সমাজত মেল মতা নিয়ম আছিল। মেলতে বিচাৰ কৰা হৈছিল।

১৩। কামাখ্যালৈ গৈ ভগৱতী দৰ্শন হোৱা পৰম্পৰা আছিল। পৃ.২০২

১৪। বিজয়া দশমীত নাওখেল হৈছিল।

১৫। ব্ৰহ্মভোজৰ ব্যৱস্থা আছিল।

'ৰাতি অশ্বক্ৰান্তত থাকি গোসাঞীৰ ব্ৰহ্মভোজ কাৰবাৰ কৰো।' পৃ.২০৪

১৬। অশ্বক্ৰান্তৰ ওচৰত মৃতকক খৰি দিয়া পৰম্পৰা অতি প্ৰাচীন।

১৭। ১ বহাগত অশ্বক্ৰান্তত স্নান কৰি জনাৰ্দন ঠাকুৰক সেৱা কৰা হৈছিল। পৃ.২১২

১৮। জন্মাষ্টমী ধুম ধামেৰে পালন কৰা হৈছিল।

১৯। অশ্বক্ৰান্তৰ সৰস্বতী কুণ্ডত সৰস্বতী পূজাৰ দিনা স্নান কৰা পৰম্পৰা আছিল।

২০। চুৱা হ'লে বেলেগ কৈ শুইছিল। শান্তি বিয়াত যিবোৰ উপহাৰ তাৰ ভিতৰত চুৱা হ'লে শোবৰ বাবে কঠ দিয়া হৈছিল।

২১। হাতীদাঁতৰ কাঁকৈ (ফণি), মহৰ শিঙৰ ফনি ব্যৱহাৰ হৈছিল।

২২। গায়ন-বায়ন-নটুৱা নাচ হৈছিল।

লোক সংস্কৃতিৰ সংজ্ঞা কোনো দল বা গোষ্ঠী বা সম্প্ৰদায় নতুবা কোনো এখন ঠাইক নিৰ্ভৰ কৰি দিব নোৱাৰি। কিয়নো লোক সংস্কৃতিৰ পৰিসৰ অতি বিশাল। লোক সংস্কৃতিৰ মাইগ্ৰেচন অৰ্থাৎ প্ৰব্ৰজন হ'ব পাৰে। সেয়ে লোক সংস্কৃতিৰ মাইগ্ৰেচন থিয়ৰি (Migration theory) অৰ্থাৎ প্ৰব্ৰজনগত সিদ্ধান্ত প্ৰচলিত আছে।


## সহায়ক গ্ৰন্থপঞ্জী

১। শৰ্মা, নবীন চন্দ্ৰ ঃ লোক সংস্কৃতি, পৃ. ৩

২। ঐ ঃ চন্দ্ৰপ্ৰকাশ, পানবজাৰ, ১ম প্ৰকাশ ১৯৯৭ ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৬

৩। ঐ ঃ অসমীয়া লোক সংস্কৃতিৰ আভাস, পৃ. ৪-৬ ঃ বাণীপ্ৰকাশ, পানবজাৰ, ১ম প্ৰকাশ ১৯৮৯

৪। ঃ প্ৰকাশন পৰিষদ প্ৰকাশিত অবোণোদই' পৃ. ৯৭৩

৫। সংবাদ দাতা ঃ বাশীৰাম বড়ো, ফুলুং ১১-১০-২০০৬

৬। সংবাদ দাতা ঃ ডঃ যোগেন্দ্ৰ নাথ ফুকন, গুৱাহাটী, ৭-১১-২০০৬

৭। লেখাৰু, উপেন চন্দ্ৰ (সম্পা) ঃ কথা গুৰু চৰিত, পৃ.৭০

৮। গোস্বামী, ভৃগুমোহন ঃ ' চিলা পৰ্বতৰ গদ্য আৰু পণ্ডিত হেমচন্দ্ৰ গোস্বামী', গৰীয়সী, তৃতীয়বছৰ, প্ৰথম সংখ্যা অক্টোবৰ, ১৯৯৫, পৃ. ৮২।

৯। শৰ্মা, ৰবীন্দ্ৰ নাথ ঃ 'ৰজাদিনীয়া গড়' স্মৃতিগ্ৰন্থ, উত্তৰ গুৱাহাটী, মধুপুৰ, ১৯৯৭চন, পৃ.৬ ।

১০। সংবাদদাতা ঃ মনীন্দ্ৰকুমাৰ বৰুৱা, উত্তৰ গুৱাহাটী, ৪-২-২০০৭।

১১। বৰুৱা, কৃষ্ণচন্দ্ৰ ঃ 'বৃহত্তৰ উত্তৰ গুৱাহাটীৰ প্ৰাচীন মঠ-মন্দিৰ ধৰ্মানুষ্ঠান' দীৰ্ঘেশ্বৰী, ১৯৮৯ পৃ.৬৫।

১২। বৰদলৈ, নিৰ্মল প্ৰভা ঃ 'দেৱী দীৰ্ঘেশ্বৰী' দীৰ্ঘেশ্বৰী, ১৯৮৯ পৃ.৪।

১৩। গগৈ, লুচাই ঃ 'জলাহৰ দেওপূজা', দীৰ্ঘেশ্বৰী ১৯৮৯, পৃ.৩১।

১৪। শৰ্মা, হেমচন্দ্ৰ আৰু ভট্টাচাৰ্য, শশীমোহন ঃ অশ্বক্ৰান্ত দেৱালয়ৰ ইতিবৃত্ত, দ্বিতীয় প্ৰকাশ ১৩৯৪ ভাস্কৰাব্দ, পৃ.১৪

১৫।বসুমাতাৰী, বেণুধৰ ঃ 'খেৰাই পূজা', মইনাজ্যোতি উত্তৰ গুৱাহাটী, পৃ. ৩৪ ।

১৬। বৰ বৰুৱা, হিতেশ্বৰ ঃ আহোমৰ দিন, অসম প্ৰকাশন পৰিষদ, ৩ য় সংস্কৰণ ২০০৪ চন, পৃ. ৪৭৪।

১৭। বৰদলৈ, কুমুদচন্দ্ৰ (সম্পা) ঃ সোনামুৱা সদৰামীন স্বৰ্গীয় হৰকান্ত শৰ্মা মজুমদাৰ বৰুৱাৰ লিখিত আত্মজীৱনী সদৰামীনৰ আত্মজীৱনী, ১৯৬০ চন, চেপ্টেম্বৰ।






# ইতিহাসৰ পাতনিত - আকাশ-মহাকাশ আৰু আকাশীযান


হৃপেশ দাস
জ্যেষ্ঠ প্ৰবক্তা, পদাৰ্থ বিজ্ঞান বিভাগ


ফৰকাল ৰাতি তৰাফুলীয়া আকাশখনলৈ চালে কাৰনো বাৰু মনপ্ৰাণ পুলকিত হৈ নুঠে! পশ্চিম দিগন্তত হেঙুলী ৰহণ চতিয়াই বেলিটোৱে মেলানি মাগোতেই পূৰ্বাকাশত সোণালী আভা সানি সদ্যস্নাতা ন-কইনাজনীৰ কপালত সেন্দুৰৰ ফোঁটটিৰ দৰে তলমলকৈ জিলিকি ক্ৰমে ক্ৰমে উঠি আহে পূৰ্ণিমাৰ জোনবাই। মুহূৰ্ত্তৰ ভিতৰতে ডুবগৈ তন্ময় হৈ পৰে মোহময়ী প্ৰকৃতিদেৱী শৰতৰ ফৰিংফুটা ৰূপালী জোনাকত।

হৃদয় জুৰোৱা জোনাকত চোতালত ঢাৰি পাৰি শৰতৰ নিশা আইতাই কোৱা সাধুবোৰে আজিও মনত বিমল আনন্দৰ জোঁৱাৰ তোলে। বিশ্বৰ শত-সহস্ৰ শিল্পীৰ কণ্ঠত স্পন্দিত হৈ অহৰ্নিশে বাজি থাকে জোন-বেলি-তৰাৰ সমন্বয়ৰ সুমধুৰ সংগীত। শত শত কবি প্ৰাণত ছন্দোবদ্ধ হৈ কলমৰ কাপেৰে নিগৰি পৰে সন্মোহিনী পদ্য-গীত-কবিতা। ঠুনুক ঠানাককৈ মাতটি ফুটি ওলাইছেহে মাথোন পোনাটিয়ে - আইঐ দেহী মৌসনা মাতেৰে আওৰাইছে -

Twinkle twinkle little star,
How I wonder what you are.
Up above the world so high,
Like a diamond in the sky.........

হিয়াৰ আমঠু আমাৰ কবিয়েও নিশাৰ তৰাবছা আকাশৰ ৰূপত উদ্বাউল হৈ লিখা নাই জানো -

জিকমিক জিকমিক হেৰা সৰু তৰা,
আকাশত বহি বাৰু তুমি কিনো কৰা।
তিৰবিৰ চকুযুৰি মুখহাঁহি ভৰা,
পোহৰোৱা অমানিশা উজ্জ্বলোৱা ধৰা।..........

আমাৰ এই আকাশখনে আদিম যুগৰে পৰা মানৱ হৃদয়ত যি কৌতুহলৰ সৃষ্টি কৰিছে এই ধাৰা চিৰপ্ৰবাহমান। মহিমাময়ী এই আকাশৰ প্ৰতিক্ষণৰ ৰূপান্তৰণত উদ্বিগ্ন হৈ পৰিছিল আমাৰ পূৰ্বসুৰি গুহা কন্দৰ বাসী সকলেও। ৰিব্ ৰিব্ মৃদু মলয়া, জহত দেই যোৱা দেহত সৰি পৰা শীতল বৰষুণ, ঘোপ মৰা এন্ধাৰৰ তৰাৰ জিলিকনি, বিজুলীৰ চিকমিকনি, কিৰেঙা লগা শীতৰ পুৱাৰ কোমল ৰ'দ আদিৰে এফালে আকাশে দিয়া কিযে মনজুৰোৱা পৰিবেশ। আনফালে গগন ফালি যোৱা বজ্ৰ নিনাদ, বিজুলী গাজনি, পলকতে চাৰখাৰ কৰি নিয়া ধুমুহা বানপানীও এই আকাশৰে সৃষ্টি। এই সকলোৰে লগত নিজকে খাপখুৱাই চলিছিল আমাৰ আদিম পুৰুষ-ককা-আজোককাসকলে আৰু চলি আছো আমিও। কেতিয়াবা প্ৰকৃতিৰ তাণ্ডৱত ভয়ত পেপুৱা লাগি বিতত হৈ পৰোঁ আৰু কেতিয়াবা সাম্য সুন্দৰ পৰিবেশত আনন্দত আত্মহাৰা হৈ উঠো। প্ৰকৃতিৰ এই ৰহস্যৰ পম খেদি ফুৰিছিল আদিম মানৱে।

বহু অতীত বাগৰিল। সভ্যতাইও বহু ৰূপ সলালে। দোপত দোপে আগবাঢ়িল সভ্যতাই। মানৱৰ জ্ঞানৰ পৰিধি বৃদ্ধি হ'বলৈ ধৰিলে ক্ৰমে ক্ৰমে। গুহা এৰি ঘৰ সাজিলে। চোতালত বহি বহি আকাশলৈ চালে আৰু ভাবিলে। ঠাইয়ে ঠাইয়ে অধ্যয়ন চলিল আকাশৰ-প্ৰকৃতিৰ। গ্ৰীক দাৰ্শনিকসকলে এই ক্ষেত্ৰত ইতিমধ্যে বহু আগবাঢ়ি গ'ল। ৰচিত হ'ল আকাশৰ ৰহস্যৰ ওপৰত বহুতো কল্প আৰু সত্য কাহিনীৰ। মানৱ মনে আকাশৰ পৰা গৈ মহাকাশত বিচৰণ কৰিবলৈ ধৰিলে। আকাশত উৰি ফুৰা মুক্ত বিহংগবোৰক দেখি ভাবিবলৈ ধৰিলে - "আমিও যদি চৰাই হ'লোহেঁতেন!"......... ডেউকাহীন মনে আলোকবৰ্ষৰ পাছত আলোকবৰ্ষ অতিক্ৰমি সীমাহীন মহাকাশত ভ্ৰমি আৰু পিট পিটাই চাই কল্প কাহিনীহে ৰচিব পাৰে কিন্তু কায়িক ভাবে বিচৰণ অবিহনে সত্য কাহিনী ৰচে কেনেকৈ। নিজৰ দেহত তেনেকৈ উৰি ফুৰিব পৰাকৈ শক্তিশালী পাখী লগায় কেনেকৈ নিজকে জীৱশ্ৰেষ্ঠ বুলি জহাই ফুৰা মানৱে! তথাপি কিন্তু আকাশৰ ৰহস্য ভেদ কৰাৰ দুৰ্বাৰ আকাংক্ষা এৰা নাই মানৱে। মনত অস্থিৰতা আৰু উদ্বিগ্নতাই চিৰন্তন ক্ৰিয়া কৰিব ধৰিলে। মনতে পাঙে আৰু পাতে উৰি উৰি যোৱাৰ পৰিকল্পনা — জোনবাইৰ দেশলৈ আৰু তাৰ পৰা তৰাৰ দেশলৈ।

এই সকলোবোৰৰ আদিতে সমস্যা হ'ল অলঙ্ঘনীয় দূৰত্ব।

দূৰত্বক অতিক্ৰম কৰিব পাৰিলেই যেন সকলো সম্ভৱ। কিন্তু সেইয়াও তো নহয়। উৰি উৰি গলোৱেই যেনিবা। তাত খাম কি, থাকিম ক'ত? জীয়াই থাকিবলৈ বায়ু বা আছেনে নাই! অকল বায়ু থাকিলেই নহ'ব, তাত উপযুক্ত পৰিমাণৰ অক্সিজেন থাকিব লাগিব। পণ্ডিত সকলে আকৌ আৰম্ভ কৰিলে বায়ুমণ্ডলৰ অধ্যয়ন। হেন সময়তে চাৰ আইজাক নিউটনে আবিস্কাৰ কৰিলে মাধ্যাকৰ্ষণ শক্তিৰ। এই মাধ্যাকৰ্ষণে টানি ৰাখিছে পৃথিৱীৰ চাৰিওফালে গাতে লাগি থকাকৈ তাৰ বায়ুমণ্ডলটো। মাধ্যাকৰ্ষণ নাথাকিলে কিয়ে হ'লহেতেন! আমাৰ বায়ুখিনিয়েও চোন আমাক এৰি ক'ৰবালৈ গুচি গ'লহেঁতেন। এক সময়ত মানুহে ভাবিছিল - আমি যদি আকাশ মহাকাশলৈ যাওঁ তেন্তে বায়ুৰ বাবে আমাৰ একো অসুবিধাই নহয়। জোনবাইৰ দেশতো ৰংমনে খেলি থাকিব পাৰিম। ওহো নহয়, পিছতহে গম পালো আমাৰ আকাশৰ পাছৰ মহাকাশত বায়ুয়ে নাই। জোনবাইৰ বুকুতো পানী, বায়ু একোৱেই নাই। অকল উশাহ নিশাহৰ বাবেই বায়ু নালাগে। বায়ু তাপ আৰু পোহৰৰ বাবেও লাগে। তেনেহ'লে মহাকাশত তাপো নাই, পোহৰো নাই। বাঃ! সূৰ্যটোৰ ওচৰত থাকিও মহাকাশ খন তেনেহ'লে ঘোৰ অন্ধকাৰ!

বায়ুমণ্ডলটোৰ প্ৰকৃতিৰ বিষয়ে অলপমান জানি ল'বৰ মন নাযায়নে বাৰু? আকাশী যানৰ কথা পতাৰ আগতে বায়ুমণ্ডলটোৰ কথা অলপ নাপাতিলে কথাখিনিচোন আধৰুৱা হ'ব যেন লাগে। খুউব চমুকৈ বায়ুমণ্ডলটো এনেকুৱা ঃ

বায়ুমণ্ডলটোক আজিৰ পণ্ডিতসকলে মূলত তিনিটা প্ৰধান স্তৰত ভাগ কৰিছে। সেইয়া হ'ল - ট্ৰপ'স্ফেয়াৰ, ষ্ট্ৰাট'স্ফেয়াৰ আৰু আয়ন'স্ফেয়াৰ। পৃথিৱীৰ গাতে লাগি থকা স্তৰটো ট্ৰপ'স্ফেয়াৰ। ই পৃথিৱী পৃষ্ঠৰ পৰা ৮ কিঃমিঃৰ পৰা ১৬ কিঃ মিঃ লৈ বিস্তৃত হৈ আছে। এই স্তৰতে ৰ'দ, বতাহ, মেঘ, বৰষুণৰ সৃষ্টি হয়। ইয়াৰ শেষৰ আৱৰণটোক ট্ৰপ'পজ নাম দিয়া হৈছে। ইয়াৰ উষ্ণতা প্ৰায় ৭৫° ছেলছিয়াছ ট্ৰপ'পজৰ পৰাই ষ্ট্ৰাট'স্ফেয়াৰ স্তৰটো আৰম্ভ হৈছে। প্ৰায় ৫০ কিঃমিঃ পৰ্যন্ত জুৰি থকা এই স্তৰৰ ওপৰলৈ উষ্ণতা বাঢ়ি গৈ প্ৰায় শেষ অংশত 0° ছেলছিয়াছ হয়। 0° ছে. এই অঞ্চলটোক ষ্ট্ৰাট'পজ বোলে। এই স্তৰটোত বায়ু অতি পাতল আৰু শান্ত। প্ৰায় ৩০ কিঃ মিঃ ৰ পৰা ৫০ কিঃ মিঃ লৈ তুলনামূলক ভাবে উচ্চ উষ্ণতাৰ এই স্তৰত অ'জন গেছৰ এটা আবৰণ আছে। এই অ'জনৰ আৱৰণটোৱে সূৰ্য্যৰ পৰা বিকিৰিত হোৱা অতিবেগুণী ৰশ্মি (UV) নামৰ মাৰাত্মক ৰশ্মিবোৰ শোষণ কৰি পৃথিৱীৰ জীৱ সমূহক মৃত্যুমুখৰ পৰা বচাই ৰাখিছে। এই আবৰণৰ ঠিক তলতে ছালফেট অণুৰ এটা উপস্তৰো আছে। ৫০ কিঃ মিঃ উচ্চতাৰ পৰা ৮৫ কিঃ মিঃ উচ্চতা পৰ্যন্ত বিস্তৃত হৈ থকা উপস্তৰটোক মেছ'স্ফেয়াৰ বোলা হয়। ঋতু আৰু অক্ষাংশ অনুসাৰে ইয়াৰ উষ্ণতাৰ সালসলনি ঘটি থাকে। উষ্ণতা কমি গৈ ৯০° ছে. পৰ্যন্ত হয়গৈ। ইয়াৰ ওপৰত মেছ'পজ নামৰ এটা আৱৰণ আছে। ৮৫ কিঃ মিঃ ওপৰৰ স্তৰটোক থাৰ্ম'স্ফেয়াৰ বোলে। প্ৰায় ৩০০ কিঃ মিঃ উচ্চতালৈ এই স্তৰৰ উষ্ণতা বৃদ্ধি হৈ থাকে। ইয়াৰ পৰা কেইবাশ কিল'মিটাৰলৈ উচ্চতাৰ লগত উষ্ণতাৰ সম্পৰ্ক নাথাকে। এই স্তৰত উষ্ণতা প্ৰায় ৭৫০° ছেঃ ৰ পৰা ১২৫০° ছেঃ পৰ্যন্ত হয়।

মেছ'স্ফেয়াৰৰ ওপৰৰ স্তৰটোৱেই হ'ল আয়ন'স্ফেয়াৰ। এই স্তৰটোক আকৌ D, E, $F_1$, আৰু $F_2$ এই চাৰিটা উপস্তৰত ভাগ কৰা হৈছে। এই স্তৰ কিছুমান বৈদ্যুতিক আধান আৰু আয়নেৰে গঠিত। এই স্তৰৰ পৰাই অনাতাঁৰ তৰংগ (ৰেডিঅ'তৰংগ) প্ৰতিফলিত হৈ আহে। প্ৰায় 600 কিঃ মিঃ উচ্চতাৰ পাছৰ অঞ্চলটোক এক্স'স্ফেয়াৰ নাম দিয়া হৈছে। 100 কিঃ মিঃ ৰ ভিতৰত আণৱিক অক্সিজেন আৰু নাইট্ৰ'জেন গেছ আছে। 100-700 কিঃ মিঃ ৰ ভিতৰত পাৰমাণৱিক অক্সিজেন আৰু 700 কিঃ মিঃ ওপৰত হিলিয়াম আৰু হাইড্ৰ'জেন গেছ পোৱা যায়। এইয়াই থোৰতে আমাৰ ঠিক ওপৰত থকা আকাশখনৰ এটা অংশ। ইয়াৰ পাছৰ পৰাই আমি হয়তো মহাকাশ পাম। অৱশ্যে আকাশ আৰু মহাকাশৰ কোনো সঠিক সীমাৰেখা নাই। আমি ভাবিছে লৈছো। মহাকাশতেই আছে চন্দ্ৰ, সূৰ্য্য, ধূমকেতু আৰু অগণন তৰা আৰু তাৰকাৰাজ্য। বায়ুমণ্ডলৰ পাছত মহাকাশ কেৱল মহাশূন্য। এই মহাশূন্যৰ সীমা নাই, নাই কোনো পৰিধি। অসীম আৰু প্ৰসাৰণশীল মহাশূন্য-মহাবিশ্ব। এই মহাবিশ্বৰ কোনো এক সামান্য অংশত থাকি আমাৰ সৌৰজগতৰ অধিপতি সূৰ্যই হেনো পূবৰ পৰা পশ্চিমলৈ অহা যোৱা কৰি (আপততঃ) দিন আৰু ৰাতিৰ সৃষ্টি কৰি আছে। অনাখৰী, অজ্ঞ আমাৰ আদিম পুৰুষ সকলৰ মহাজগতৰ এই দুৰ্বোধ্য ৰহস্যই সৃষ্টি কৰিছিল অলেখ দেব-দেৱীৰ।

দাৰ্শনিক তথা সকলো দৰ্শনৰ পিতৃস্বৰূপ এৰিষ্ট'টলৰ মতে





আছিল যে বিশ্বব্ৰহ্মাণ্ডৰ সকলো বস্তুৱেই আমাৰ পৃথিৱীৰ চাৰিওফালে ঘূৰি ফুৰে। অৰ্থাৎ সকলোৱে পৃথিৱীকেন্দ্ৰিক। তাৰ পাছতে টাইক'ব্ৰাহে, টলেমি, কপাৰনিকাছ, কেপলাৰ, গেলিলিঅ', নিউটন আদি দাৰ্শনিক কিম্বা বৈজ্ঞানিকসকলে অংকৰে আৰু ছবিৰে দিলে সৌৰজগতৰ একো একোটা স্পষ্ট ধাৰণা। কপাৰ নিকাছৰ পৰীক্ষা নিৰীক্ষাই প্ৰমাণ কৰি দিলে পৃথিৱী সূৰ্য্যৰ চাৰিওফালে পৰিভ্ৰমণ কৰে বুলি। গেলিলিঅ'ইও তাকেই কৈ থৈ গ'ল। নিজে আবিষ্কাৰ কৰা দূৰবীণ যন্ত্ৰেৰে দেখুৱালে পৃথিৱীকেন্দ্ৰিক সৌৰজগতৰ দৃশ্য। আবিষ্কাৰ কৰিলে বৃহস্পতিৰ চাৰিটা উপগ্ৰহ আৰু দেখুৱালে চন্দ্ৰপৃষ্ঠৰ সুন্দৰ ছবি। সূৰ্য্যৰ চাৰিওফালে পৃথিৱী ঘূৰে বুলি কোৱাৰ অপৰাধত পোপৰ কোপদৃষ্টিত পৰি বৃদ্ধ বয়সত গেলিলিঅ'ই শিকলিৰে বান্ধ খাব লগাও হ'ল। সৌৰজগতৰ লগতে মহাকাশৰ স্পষ্ট ধাৰণা মানুহৰ মনতো গঢ় লৈ উঠিল। মহাকাশ বিজ্ঞানীসকলৰ মহাকাশত উৰি ফুৰাৰ আৰু ইয়াৰ অধ্যয়নৰ হাবিয়াসো বহুগুণে বৃদ্ধি হ'বলৈ ধৰিলে। সাগৰ-মহাসাগৰ জয়ৰ পাছত পৃথিৱী পৃষ্ঠত আৰু উদ্ঘাটন কৰিবলৈ একো বাকী নথকাত মহাকাশৰ ৰহস্য উদঘাটনৰ বাহিৰে মানুহৰ আৰু একো নাথাকিল। পুষ্পক ৰথ, মেজিক কাৰ্পেটত উঠি ধৰ্মৰ আকাশত উৰি ফুৰা ধৰ্মৰ কাহিনীবোৰেও মানুহৰ এই হেপাহৰে আন কিছুমান নিদৰ্শন। আকাশত উৰি ফুৰিব পৰা আকাশীযান আবিষ্কাৰৰ বহু প্ৰচেষ্টা চলিল।

অৱশেষত বিজ্ঞানী সকলৰ চিন্তা আৰু চেষ্টাৰ বলত 1903 খ্ৰীঃৰ 17 ডিচেম্বৰত অৰ্ভিল ৰাইট আৰু উইল্বাৰ ৰাইট নামৰ আমেৰিকাৰ দুই ভাই ককাইয়ে প্ৰথমখন আকাশীযান (উৰাজাহাজ) আকাশত উৰুৱাই বিশ্ববাসীক চমক খুৱালে। ৰাইট ভাতৃদ্বয়ে উত্তৰ কেলিফৰ্ণিয়াৰ কিটি হৱাকৰ ওচৰৰ উপকুলত প্ৰায় 35 মিটাৰ দূৰত্ব উৰি থাকিল তেওঁলোকৰ এই আকাশী যানত উঠি। ৰচি, পাইপ আৰু ফেব্ৰিকেৰে তৈয়াৰ কৰা দুখন পাখী (গ্লাইডাৰ) যুক্ত এই উৰাজাহাজৰ তলৰ পাখীখনত চালক (পাইলট) বহিছিল। পাইলটৰ সোঁফালে আছিল এটা ইঞ্জিন আৰু পাছফালে আছিল ইঞ্জিনৰ প্ৰপেলাৰ। কৃতকাৰ্যতাৰ শীৰ্ষত নহ'লেও এইয়াই আছিল উৰাজাহাজৰ যুগান্তকাৰী আৰম্ভণি। সেই আৰম্ভণিৰ পাছতেই মহাকাশ যুগে বহুত পৰিৱৰ্তন, পৰিবৰ্ধন আৰু সংশোধনৰ মাজেৰে আকাশ কিম্বা মহাকাশ বুৰঞ্জীৰ ক্ষণে ক্ষণে পৃষ্ঠা সলাবলৈ ধৰিলে। প্ৰায় প্ৰথম বিশ্বযুদ্ধ অৰ্থাৎ 1914 খৃঃ লৈ আকাশীযানৰ উন্নতি কিছু প্ৰাথমিক পৰ্যায়তে থাকিল যদিও দ্বিতীয় বিশ্বযুদ্ধৰ সময়ছোৱাত ইয়াৰ বহুত উন্নতি সাধন হ'ল। দ্বিতীয় বিশ্বযুদ্ধত বায়ুসেনা শক্তিয়ে বিজয় তথা পৰাক্ৰম প্ৰদৰ্শনৰ সিদ্ধান্তকাৰী কাৰক হৈ পৰিল। প্ৰপেলযুক্ত ইঞ্জিনৰ সলনি ইন্ধন দহনৰ সহায়ত চলা উন্নত মানদণ্ডৰ ইঞ্জিন তৈয়াৰ হ'ল। চাৰ আইজাক নিউটনৰ গতিৰ তৃতীয় সূত্ৰৰ ব্যৱহাৰ কৰি নতুন ইঞ্জিন উদ্ভাৱন কৰা হ'ল। নিউটনৰ গতিৰ তৃতীয় সূত্ৰটো হ'ল - "প্ৰত্যেক ক্ৰিয়াৰে সমান আৰু বিপৰীত মুখী প্ৰতিক্ৰিয়া আছে।" এই নীতি মতে ইন্ধন দহন কৰি সৃষ্টি হোৱা ধোঁৱাই যিমান জোৰেৰে পাছলৈ ঠেলে সিমান জোৰেৰে ইঞ্জিন এটা আগলৈ গতি কৰে। উৰাজাহাজ উদ্ভাৱনৰ পাছত এই নীতিৰে তীব্ৰবেগী ৰকেটৰ আৱিষ্কাৰ হ'ল। ৰকেটৰ আবিষ্কাৰে মহাকাশ বিজ্ঞানৰ দ্ৰুত পৰিবৰ্তন আনিবলৈ ধৰিলে। এই নীতিৰেই বিজ্ঞানীসকলে প্ৰস্তুত কৰি উলিয়ালে মহাকাশ সমৰৰ বাবে অগ্নি, পৃথ্বি, ত্ৰিশূল ইত্যাদি ইত্যাদিৰ দৰে মাৰাত্মক কিছুমান মৰণাস্ত্ৰৰ। দ্বিতীয় বিশ্বযুদ্ধৰ জাৰ্মান V-1 আৰু V-2 এই মহাকাশ যুদ্ধত ব্যৱহাৰ কৰা ৰকেটযুদ্ধৰ পথ প্ৰদৰ্শক। জাৰ্মান V-1 আৰু V-2 আছিল তৰল ইন্ধ্ৰযুক্ত ৰকেট। V-2 এই মৰণাস্ত্ৰই জাৰ্মানৰ পৰা প্ৰায় 300 কিঃ মিঃ দূৰত্ব উৰি আহি লণ্ডনত খুন্দা মাৰিছিল।

সভ্যতাৰ ফেঁহুজালিৰ পৰাই জোন-তৰাৰ দেশত ভ্ৰমি ফুৰাৰ স্বপ্নৰ বহুতো লিখিত ইতিহাসো আছে। 160 খৃঃতে গ্ৰীক চিন্তাবিদ লুচিয়ানে তেখেতৰ True History ত লিখিছিল চন্দ্ৰ অভিযানৰ কল্পকাহিনী। আটলাণ্টিক মহাসাগৰৰ বুকুৰ পৰা প্ৰচণ্ড ঘূৰ্ণীবতাহ এজাকে উৰুৱাই চন্দ্ৰলৈ লৈ গৈছিল এখনি জাহাজ। চন্দ্ৰত সেই জাহাজৰ যাত্ৰীসকলে মুখামুখী হৈছিল সূৰ্য্যৰ সৈতে যুদ্ধ কৰিবলৈ সাজু হোৱা এদল যোদ্ধাৰ। অন্য এটা গল্পত লুচিয়ানে লিখিছিল ওখ পৰ্বতৰ পৰা শক্তিশালী পাখী লগাই মানুহ উৰি গৈছিল চন্দ্ৰলৈ বুলি। পাছত ভল্টেয়াৰ, আলেকজেণ্ডাৰ ডুমাচ, জুলভাৰ্ণ, এড্গাৰ এলান পো আৰু এইচ, জি, ৱেল্চেও লিখিছিল চন্দ্ৰলৈ যোৱা কিছুমান মনোৰম কাহিনী।

এই কল্প কাহিনীৰ লগে লগে সঁচাসচিকৈ কিছুমান ঠাইত কিছুমান ঘটনাও ঘটি আছিল। ৰকেট আবিষ্কাৰৰ সঁচা দিনটো কি, কোনে কৰিছিল এই সকলো কথা আচলতে অস্পষ্ট। ইয়াৰ মাজতে চীনা সকলেও 1232 খ্ৰীঃত মংগোলসকলৰ

বিৰুদ্ধে ধনু আৰু উৰন্ত অগ্নিৰে যুদ্ধ কৰিছিল। ওঠৰ শতিকাৰ শেষৰ ফালে হাইডৰ আলি আৰু তেওঁৰ উত্তৰাধিকাৰী টিপুচুলতানে ইংৰাজৰ বিৰুদ্ধে কৰা যুদ্ধৰ, নেপ'লিনৰ যুদ্ধ আদিতো ৰকেট অস্ত্ৰ ব্যৱহাৰ কৰা হৈছিল।

ৰকেট মানেই কেৱল মৰণাস্ত্ৰ নহয়। ৰকেটক যান হিচাবে ব্যৱহাৰ কৰি ইয়াৰ বকোচাত উঠি মহাকাশত ঘূৰি ফুৰাৰ চেষ্টা চলালে প্ৰযুক্তিবিদ আৰু বিজ্ঞানীসকলে। প্ৰথম আৰু দ্বিতীয় বিশ্বযুদ্ধৰ কালছোৱাত দলবদ্ধ আৰু একক ভাবে ঠাইয়ে ঠাইয়ে লাগি পৰিল উন্নত মানৰ ৰকেট তৈয়াৰ কৰা কামত। উদ্বাউল হৈ পৰিল চন্দ্ৰ অভিযানৰ বাবে। তাৰ পাছতে মংগল, বৃহস্পতি আদি কৰি সৌৰজগতৰ আন আন গ্ৰহ অভিযান। বিশ্বব্ৰহ্মাণ্ডত নিসংগ মানৱে বিচাৰিবলৈ আৰম্ভ কৰিলে সৌৰজগত বা বিশ্বব্ৰহ্মাণ্ডৰ আন ঠাইত নিজৰ সংগী। আৰু এই অভিযান কালক্ৰমত তীব্ৰৰ পৰা তীব্ৰতৰ হ'বলৈ ধৰিলে। ফলস্বৰূপে আৱিষ্কাৰ হ'ল কৃত্ৰিম উপগ্ৰহৰ। আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰবাৰ্ট গোডাৰ্ডে 1926 চনৰ 16 মাৰ্চত তৰল অক্সিজেন আৰু হাইড্ৰ'জেন গেছ ইন্ধন হিচাবে ব্যৱহাৰ কৰি প্ৰথমখন ৰকেট আকাশলৈ এৰি দি বিশ্ববাসীক চমক খুৱালে। 55 মিটাৰ দূৰত্ব অতিক্ৰম কৰিলে গোডাৰ্ডৰ এই ৰকেটখনে। উল্লেখযোগ্য যে গোডাৰ্ডে তেখেতৰ এই ৰকেটৰ পৰীক্ষাসম্বন্ধীয় সকলো কাম ক্লাৰ্ক বিশ্ববিদ্যালয়ত তেখেতে পি. এইচ. ডি কৰি থকা কামৰ ভিতৰত আছিল। 1919 চনত তেখেতে প্ৰকাশ কৰা "A method of reaching extreme altitudes" শীৰ্ষক পেপাৰ খন আছিল তেখেতৰ এই বিষয়ৰ অধ্যয়নৰ প্ৰথম আকৰ্ষণ। সাধাৰণ মানুহে তেতিয়া গোডাৰ্ডৰ এই প্ৰচেষ্টাক অবান্তৰ আৰু বলিয়ালী বুলি ঠাট্টা কৰিছিল। পাঠকক কৈ থোৱা ভাল হ'ব যে গোডাৰ্ডৰ ৰকেট উৰোৱাৰ মনোৰম কাহিনী পঢ়িবলগীয়া। 17 জুলাই 1929 খ্ৰীঃত গোডাৰ্ডে এটা বেৰ'মিটাৰ, এটা থাৰ্মমিটাৰ আৰু এটা সৰু কেমেৰা লৈ স্থাপন কৰা ৰকেট খন হ'ল ৰকেট ইতিহাসৰ মহাকাশ গৱেষণাৰ বাবে যন্ত্ৰপাতি কঢ়িয়াই নিয়া প্ৰথমখন ৰকেট।

ইয়াৰ পাছতে ৰকেট যুগৰ দোপত দোপে উন্নতি সাধন হ'ল। 1936 খ্ৰীঃৰ ভিতৰত ৰকেটে অতিক্ৰম কৰা দূৰত্ব 55 মিটাৰৰ পৰা গৈ 2,200 কিঃ মিঃ আৰু দ্ৰুতি প্ৰতিঘণ্টাত 1,100 কিঃ মিঃ পৰ্যন্ত পালে।

দ্বিতীয় বিশ্বযুদ্ধই ৰকেটৰ আৱিষ্কাৰৰ ক্ষেত্ৰত বৈপ্লৱিক পৰিবৰ্তন আনিলে। জাৰ্মান V-2 ৰকেটেৰে-লণ্ডনত সৃষ্টি কৰা আঘাটে বিশ্বৰ বিজ্ঞানীসকলক ৰকেটৰ উন্নত প্ৰযুক্তি সৃষ্টিত অনুপ্ৰাণিত কৰিলে। 1937 অৰ পৰা 1941 খ্ৰীঃ সময়ছোৱাৰ ভিতৰত ভনব্ৰাউন আৰু তেওঁৰ দলৰ কিছুমানে লগ লাগি A-4 আৰু A-5 শ্ৰেণীৰ কিছুমান ৰকেটৰ উদ্ভাৱন কৰি সেইবোৰ মূলত সামৰিক কামত লগালে। জাৰ্মান, ছোভিয়েত ৰাছিয়া, আমেৰিকা আদিত ৰকেট উদ্ভাৱনৰ প্ৰতিযোগিতাৰ খলকনি লাগিল। বছৰে বছৰে উদ্ভাৱনৰ চমক লগা প্ৰগতিয়ে ইখন দেশ আৰু সিখন দেশৰ বিশেষকৈ সামৰিক বাহিনীৰ মাজত শংকা আৰু হিংসাৰ সৃষ্টি কৰিবলৈ ধৰিলে। ৰাছিয়াৰ ছেৰ্গেই কৰোলেভ নামৰ নায়ক জনৰ নেতৃত্বত তৈয়াৰ হৈ উঠিল ভষ্টক, ভোছখোদ, ছয়ুজ শ্ৰেণীৰ কৃত্ৰিম উপগ্ৰহৰ। ইফালে জাৰ্মানৰ ডেকা ৱাৰ্নহাৰ ভনব্ৰাৰ্ডনৰ নেতৃত্বত চলিল A-4, V-1, V-2 ৰকেটৰ নিৰ্মাণ প্ৰক্ৰিয়া। 1952 খ্ৰীঃলৈ 64 খন V-2 ৰকেট শূন্যলৈ উৎক্ষেপিত হৈছিল। ইতিমধ্যে 1958 খ্ৰীঃত আমেৰিকাত মহাকাশ গৱেষণাৰ কেন্দ্ৰস্থল NASA স্থাপন হ'ল।

ছোভিয়েট ৰাছিয়াই ইতিমধ্যেই উন্নতিৰ জখলাৰ শেষ খোপত ভৰি দিলেই। 4 অক্টোবৰ 1957 খ্ৰীঃত ছোভিয়েট ৰাছিয়াৰ কৃত্ৰিম উপগ্ৰহ স্পুটনিক-1 আকাশ ভেদি মহাকাশলৈ উৰা মাৰি পৃথিৱীৰ কক্ষপথত থাকি পৃথিৱীক পৰিভ্ৰমণ কৰিবলৈ ধৰিলে। মহাকাশ বিজয়ৰ দীৰ্ঘদিনীয়া সপোন বাস্তৱত পৰিণত হ'ল। ইফালে কিন্তু প্ৰতিদ্বন্দ্বী আমেৰিকা যুক্তৰাষ্ট্ৰই বহি নাথাকিল। কিছুদিন পাছতেই 1958 খ্ৰীঃ 31 জানুৱাৰী দিনা তেওঁলোকৰ প্ৰথমটো কৃত্ৰিম উপগ্ৰহ পৃথিৱীৰ কক্ষপথত স্থাপন কৰিলে। সেই সময়তে আমেৰিকাৰ ৰাষ্ট্ৰপতি কেনেডিয়ে ঘোষণা কৰিলে যে আমেৰিকাই হ'ব চন্দ্ৰ অভিযানৰ প্ৰথম দেশ। তেতিয়াৰে পৰা NASA ৰ বিজ্ঞানীসকলে বৃহৎ আকাৰৰ মানুহ কঢ়িয়াই নিব পৰা বিধৰ ৰকেট তৈয়াৰ কৰাত মনোনিবেশ কৰিবলৈ ধৰিলে। এপ'লো আঁচনিৰ জৰিয়তে ৰাষ্ট্ৰপতি কেনেডিৰ সন্মানাৰ্থে সাজিলে বৃহত আকাৰৰ ৰকেট। কৃত্ৰিম উপগ্ৰহ আৰু স্কাইলেব নামৰ প্ৰথম মহাকাশ ষ্টেচন। ৰাছিয়াইও আৰম্ভ কৰিলে লুনা-আঁচনি। 1959 খ্ৰীঃত লুনা-৩ য়ে চন্দ্ৰৰ চাৰিওফালে এপাক মাৰিলে। এই যানে চন্দ্ৰৰ আঁৰৰ কাহানিও নেদেখা ফালৰ ফটোও তুলি আনিলে।

ইতিমধ্যে ৰাছিয়াই স্পুটনিক II যানত উঠাই দিলে 'লাইকা' নামৰ কুকুৰটোক। পৰীক্ষা কৰি চালে মহাকাশত জীৱৰ অস্তিত্ব বিষয়ে। 1957 খ্ৰীঃৰ নৱেম্বৰ মাহৰ এটি দিনত এক সপ্তাহৰ মূৰত বেচেৰা 'লাইকা'ৰ ভেল টুকুৰাহে পৃথিৱীলৈ ঘূৰি আহিল। তাৰ পাছত পঠালে এটি 'বান্দৰ'। এনে বহু পৰীক্ষা নিৰীক্ষাৰ পাছত 12 এপ্ৰিল 1961 খ্ৰীঃত ৰাছিয়াৰ মহাকাশচাৰী হিচাবে প্ৰথম মহাকাশৰ বুকুলৈ উৰা মাৰিলে ইউৰি গ্ৰেগাৰিণে। প্ৰায় 108 মিনিট সময় মহাকাশৰ বুকুত উৰি সুস্থ ভাবে পৃথিৱীলৈ ঘূৰি আহি গ্ৰেগাৰিণে মহাকাশ বুৰঞ্জীৰ সোণালী পাত সংযোজন কৰিলে।

আমেৰিকাৰো সাহস বাঢ়ি গ'ল। প্ৰচণ্ড গতিত কাম কৰিবলৈ ধৰিলে। ৰাষ্ট্ৰপতি কেনেডিৰ সন্মান ৰক্ষা কৰি 20 জুলাই, 1969 খ্ৰীঃত আমেৰিকাই নমালে জোনবাইৰ বুকুত প্ৰথমখন মানৱযান এপ'লো - 11 । মহাকাশচাৰী নীল আৰ্মষ্ট্ৰং আৰু এডুইন এলড্ৰিন হৈ পৰিল বিশ্ববাসীৰ হিয়াৰ আমঠু প্ৰথম চন্দ্ৰত খোজ পেলোৱা মানুহ। মাইকেল কলিন্স চন্দ্ৰ পৃষ্ঠত নানামিল। যানখন পৰিচালনাৰ দায়িত্বত থাকিল।

জোনবাইৰ মাটিত প্ৰথম খোজটো হৈ পৰিল -

"One small step for a man, one giant leap for mankind."

তাৰ পাছত আৰু আমি ৰৈ থকা নাই। মানৱৰ মহাকাশ অভিযানে প্ৰচণ্ড গতিৰে ধাবমান হৈ আছে বিশ্বব্ৰহ্মাণ্ডৰ সীমা বিচাৰি— নিসংগতা আঁতৰাবৰ মানসেৰে সংগী বিচাৰি।



## মহৎলোকৰ বাণী

* শিক্ষকসকল জীৱনদাতা, পিতৃ-মাতৃতকৈও বেছি শ্ৰদ্ধাৰ পাত্ৰ। কাৰণ পিতৃ-মাতৃয়ে সন্তান জন্মহে দিয়ে, জীৱন যাত্ৰাৰ প্ৰণালী শিক্ষকেহে নিৰূপণ কৰে।

*- এৰিষ্ট'টল*

* জীৱন সংগ্ৰামৰ পদে পদে বাধা নাথাকিলে সংগ্ৰামৰ অৰ্থ কি হ'ল? সহজতে পোৱা কোনো বস্তুৱে তৃপ্তি নাথাকে। তৃপ্তি কষ্টসাধ্য বস্তু এটাৰ ওপৰতহে পোৱা যায়।

*- থমাছ হাৰ্ডি*

* মই যেতিয়া হাঁহো, মোৰ মনৰ সকলোবোৰ বোজা আঁতৰি যায়।

*- ৰবীন্দ্ৰনাথ ঠাকুৰ*

* তুমি আনক কি দিব পাৰিছা তাতে তোমাৰ সুখ নিহিত হৈ আছে, কি পাইছা তাতে নহয়।

*- মহাত্মা গান্ধী*

* চাৰিটা বস্তু অমৃত - গাখীৰেৰে বনোৱা আহাৰ, শীতৰ ঠেটুৱৈ ধৰা স্থাৰত জুই, ৰজাই দিয়া সন্মান আৰু দুজনৰ মাজত থকা ভালপোৱা।

*- বুদ্ধদেৱ।*

* এখন ভাল কিতাপ নষ্ট কৰা আৰু এজন জ্ঞানী মানুহক হত্যা কৰা একে কথা।

*- মিল্টন*

* আজিৰ কাম কাইলৈ কৰিম বুলি পেলাই নথবা কাৰণ, কাইলৈ তোমাৰ কি হ'ব পাৰে তুমি নাজানা।

*- হজৰত মহম্মদ*

*সংগ্ৰাহক -*

*বিন্টি শইকীয়া, স্নাতক দ্বিতীয় বৰ্ষ*

# বন্ধু আৰু বন্ধুত্ব

প্ৰাঞ্জল বৰুৱা
স্নাতক দ্বিতীয় বৰ্ষ (বিজ্ঞান)

'বন্ধুত্ব শব্দটো এনে এটা মধুৰ শব্দ যিটোৰ উচ্চাৰণতেই অনুভৱ হয় এক মধুৰ শিহৰণ। মনলৈ ভাঁহি আহে কিছুমান ক্ষুদ্ৰ কথাৰ মাজে মাজে মিঠা হাঁহি, অভিমান, হাই-কাজিয়া আৰু বহুতো সৰু-সুৰা ছবি। দুখন হৃদয়ৰ মাজত থকা বুজাবুজি, মৰম, ভালপোৱা ইত্যাদি বন্ধুত্বৰেই ৰূপ। বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজেদিয়ে বন্ধুত্ব গঢ়ি উঠে।

বন্ধুত্ব গঢ়ি উঠিবলৈ হ'লে একে ভাবধাৰা, সূক্ষ্ম অনুভূতি, নিস্বাৰ্থভাৱে পৰস্পৰে ইজনে সিজনক ভালপোৱা, দুজনৰ মাজত বিশ্বাস, সুখ-দুখৰ সমভাগী হোৱা আদি মনোভাবৰ লগতে অতিকৈ প্ৰয়োজন হয় বুজাবুজিৰ। ঘাত-প্ৰতিঘাত আৰু বিভিন্ন পৰিস্থিতিত উদ্ভৱ হোৱা বিশৃংখলতাৰ মাজেদি গঢ়ি উঠা বন্ধুইহে প্ৰকৃততে বন্ধুত্ব। বন্ধুত্ব গঢ়ি তোলা সহজ, কিন্তু সেই বন্ধুত্ব চিৰজীৱন সুদৃঢ় কৰি ৰখাটো কঠিন। সেয়েহে কোৱা হয় বন্ধুত্ব কাঁচৰ দৰে। এবাৰ ভাঙিলে তাক কেতিয়াও গঢ়িব নোৱাৰি, কিন্তু এই ভাগি যোৱা বন্ধুত্বও পুনৰ ঠন ধৰি উঠিব পাৰে যদিহে সেই বন্ধুত্ব প্ৰকৃত হয়। বন্ধুত্ব যদিও এটা সৰু শব্দ তথাপিও ইয়াৰ লগত জড়িত হৈ থাকে বহু কথা। এজন বন্ধুৰ লগত প্ৰত্যেকেই নিজৰ সুখ-দুখ, আবেগ-অনুভূতি ভগাই ল'ব পাৰে। সেইদৰেই এজন বন্ধুৰ ওচৰত মান-অভিমান, কাজিয়া, ধেমালিও বিনা সংকোচে কৰিব পাৰি। বন্ধু হ'ল সেইজন যিজনৰ ওচৰত প্ৰকাশ কৰা হয় হৃদয়ৰ অন্তঃকৰণত সাঁচি ৰখা আশা-নিৰাশা, সুখ-দুখৰ কথা। কল্পনাৰ জগতৰ সকলো সপোন মুক্তকণ্ঠে প্ৰকাশ কৰিবলৈ ইচ্ছা হয় মাত্ৰ নিজৰ আপোন বন্ধুৰ ওচৰত। বন্ধুত্বৰ সম্পৰ্কটো তেজ আৰু আত্মীয়তাৰো শীৰ্ষত।

কিন্তু বৰ্তমান যুগত সঁচা বন্ধুত্ব বিচাৰি পোৱা কঠিন। যান্ত্ৰিকভাৱে প্ৰেমৰ ৰূপ সলনি হোৱাৰ দৰে আজিকালি সলনি হৈছে বন্ধুত্ব। বন্ধুত্ব গঢ়াৰ প্ৰয়োজনীয় দুটা গুণ হৈছে বুজাবুজি আৰু ত্যাগ। পিছে বৰ্তমান যুৱ সমাজৰ বহুসংখ্যকেই বন্ধুত্ব মানে কেৱল হাঁহি-ফুৰ্তি, ৰং-ধেমালিকহে বুজে। তেওঁলোকৰ মনত হাঁহি-ধেমালি, প্ৰশংসা আদিয়েই বন্ধুত্ব। কিন্তু যুৱ সমাজৰ এই মানসিকতাই প্ৰকৃত বন্ধুত্বক বিপন্ন কৰিছে। বন্ধুত্ব অপৰিহাৰ্য অংগ বুলি ভবা ৰং-ধেমালি বন্ধুত্বৰ প্ৰকৃত ৰূপ নহয়। প্ৰকৃত বন্ধু এজনে বন্ধুৰ কাৰ্য বা বন্ধুক সমালোচনা কৰাৰ অধিকাৰ থাকে। এনে বন্ধুত্বৰ এজনে নিসংকোচে আনজন বন্ধুৰ দোষখিনি দেখুৱাই দি তাৰ বাবে আলোচনা কৰিব পাৰে। তেওঁক বিপথে পৰিচালিত হোৱাৰ পৰা ৰক্ষা কৰিব পাৰে।

আন কাৰোবাৰ পৰা পোৱা উপদেশতকৈ প্ৰকৃত বন্ধুৰ পৰা লাভ কৰা উপদেশ বেছি বিশ্বাসযোগ্য। বন্ধুত্ব গঢ়ি তুলিবলৈ বয়স বা লিংগৰ প্ৰয়োজন নাই। বন্ধুত্বই কেতিয়াও বয়সৰ অন্তৰ নামানে। একেদৰেই নামানে লিংগ বা ধৰ্ম। এজন ডেকা হয়তো এগৰাকী গাভৰুৰ প্ৰিয় বন্ধু হ'ব পাৰে। একেদৰে এগৰাকী গাভৰুও এজন ল'ৰাৰ প্ৰিয় বান্ধৱী হ'ব পাৰে। দুদিনীয়া বন্ধুৰ অভাৱ নাই। কিন্তু সেইবোৰ বন্ধুৰ পৰা পোৱা ঠগ, প্ৰবঞ্চনাই মানুহক আঘাতহে দিয়ে। বন্ধুত্বৰ শেষ পৰিণতিয়েই প্ৰেম— এনে উদাহৰণ বিৰল নহয় যে নিজৰ বন্ধুৰ প্ৰতি ওপজা অনুৰাগৰ ফলতেই সেই বন্ধুত্ব প্ৰেমলৈ ৰূপান্তৰিত হয়। বন্ধুত্বৰ পৰিণতি প্ৰেম হ'ব পাৰে কিন্তু প্ৰেমৰ শেষ পৰিণতি বন্ধুত্ব কেতিয়াও হ'ব নোৱাৰে। বন্ধুত্ব স্থায়ী কৰাটো কঠিন কাম যদিও দুৰ্বহ নহয়। লাগে মাথো কেইটামান সাধাৰণ কৌশল। বন্ধুৰ অবিহনে আপুনি জানো উপভোগ কৰিব পাৰিব বৰ্ষাৰ প্ৰথম বৰষুণ বা শৰতৰ মিঠা আবেলি? বন্ধুৰ অবিহনে জীৱন মৰু সদৃশ। বন্ধুক চিৰস্থায়ী কৰিবলৈ বন্ধুৰ মূল্য বুজিব লাগে।

আপুনি যদি কাৰোবাৰ পৰা সঁচা বন্ধুত্ব আশা কৰিছে তেন্তে নিজেও প্ৰকৃত বন্ধুত্বৰ নিৰ্মল আনন্দ দিবলৈ যত্ন কৰিব লাগিব। তেওঁৰ দুখত দুখী হ'বলৈ যত্ন কৰিব লাগে, সান্ত্বনা দিব লাগে কিন্তু মিছা সান্ত্বনা দিব নালাগে। বন্ধুত্ব বজাই ৰাখিবলৈ অনবৰত উপদেশ দি থাকিব নালাগে। অনবৰত উপদেশ শুনাৰ ফলত বন্ধুৰ মনত বিৰক্তিৰহে সৃষ্টি হয়। বন্ধুৰ স্বাধীনতাত হস্তক্ষেপ কৰিব নালাগে। অৱশ্যে যদি সেই স্বাধীনতাই বন্ধুক বিপথগামী কৰে তেন্তে বুদ্ধি আৰু বন্ধুত্বৰে তাৰ সমাধান কৰিব লাগে। বন্ধুৱে বেয়া পোৱা বিষয়বোৰ তেওঁৰ বৰ্তমানত এৰাই চলিবলৈ যত্ন কৰিব লাগে। দেখিব আপোনাৰ অপ্ৰিয়বোৰো এৰাই চলিছে। প্ৰত্যেকটো কথাই বন্ধুক ক'ব লাগে যদিহে আপুনি ভাবে তাৰ পৰা আপোনাৰ একো অপকাৰ নহয়। আপোনাৰ ওপৰত থকা বন্ধুৰ বিশ্বাস কেতিয়াও ভাঙিব নালাগে, বৰং সেই বিশ্বাস গাঢ় কৰিবলৈ যত্ন কৰিব লাগে। একে ৰুচিৰ বন্ধুত্ব গঢ়িলে বহুক্ষেত্ৰত সুবিধা হয়, এজনে নজনা কথাবোৰ আনজনৰ পৰা আয়ত্ব কৰিব পাৰি। বন্ধুজনৰ আচাৰ-ব্যৱহাৰ কেনেকুৱা, মাদক দ্ৰব্য সেৱনত পৰিছে নেকি, এইবোৰ কথাৰ প্ৰতিও দৃষ্টি নিক্ষেপ কৰাটো উচিত। কাৰণ এজন লোকৰ স্বভাৱ-চৰিত্ৰ বহুখিনি নিৰ্ভৰ কৰে তেওঁৰ বন্ধুৰ ওপৰত। যেনেদৰে কোৱা হয় প্ৰত্যেকজন সফল পুৰুষৰ আঁৰত এগৰাকী নাৰী থাকে ঠিক তেনেদৰেই এজন ভাল চৰিত্ৰৰ লোকৰ আঁৰত বন্ধুত্বৰ হাত থাকে। এজন বিপথগামী লোকক ৰক্ষা কৰিব পাৰে একমাত্ৰ অন্তৰংগ বন্ধুজনেহে। বন্ধুত্ব যদি দৃঢ় হয় সেই বন্ধুত্বৰ শক্তিৰে অসাধ্য সাধন কৰিব পাৰি। বন্ধুজনৰ ভাল গুণসমূহ আনৰ আগত প্ৰশংসা কৰিব লাগে, কেতিয়াও তোষামোদ বা সমালোচনা কৰিব নালাগে, অন্যথা আনৰ ওচৰত গুৰুত্ব হেৰুৱাব লগা হোৱাৰ লগতে বন্ধুজনে আপোনাৰ ওচৰত বিশ্বাস নকৰা হ'ব। বন্ধুজনৰ কিবা বেয়া দেখিলে বন্ধুসুলভ ধেমালিৰে সংশোধন কৰিবলৈ প্ৰচেষ্টা চলাব লাগে। তেতিয়াহে তেওঁ নিজকে আত্মনিয়ন্ত্ৰণ কৰি সৰল ব্যক্তিত্ব গঢ়ি তুলিবলৈ চেষ্টা কৰিব। বিপদ-আপদৰ সময়ত স্বাৰ্থপৰ নহৈ বন্ধুক পাৰ্য্যমানে সহায় কৰিবলৈ যত্ন কৰিব লাগে। বন্ধুৰ লগত মাজে সময়ে প্ৰকাশিত কিতাপসমূহৰ ওপৰত এক গঠনমূলক পৰ্যালোচনা আদান-প্ৰদান কৰিলে দুয়োজনৰে বৌদ্ধিক জ্ঞানৰ দ্ৰুতবেগে উত্তৰণ ঘটিব। বন্ধুৰ লগত যোগাযোগৰ মাধ্যম হিচাপে ফোন কৰাৰ উপৰিও মাজে সময়ে চিঠি লিখাৰ অভ্যাস কৰিলে ভাষাৰ ওপৰত দখল বাঢ়ে তথা অনুভৱবোৰক সংৰক্ষণ কৰি ৰাখিব পৰা যায়, যিটো ফোনত সম্ভৱ নহয়।

এনেদৰি বিভিন্ন দিশ চালি-জাৰি চাই বন্ধু নিৰ্বাচন কৰিব লাগে। নহ'লে বিপদৰ সময়ত কোনে কেতিয়া কাক ঠগায় তাৰ কোনো নিশ্চয়তা নাই আৰু তেওঁলোকৰ সংগত বেয়া হোৱাৰ উপৰিও বিপদত পৰিব লগাও হ'ব পাৰে।

বন্ধুত্ব এটা মুদ্ৰাৰ দুই পিঠিৰ দৰে, যি নহ'লে জীৱন নিস্ফল। সেয়েহে এই বন্ধুত্বক যিকোনো উপায়েৰে বচাই ৰাখিবলৈ চেষ্টা কৰিব লাগে।

❋❋❋

## কৌতুক

হৃষিকেশ বৰুৱা
দ্বাদশ শ্ৰেণী

১। বজাৰত বস্তুৰ জুই-ছাই দাম। গ্ৰাহক এজনে আপেল কিনিব খুজিছে -

গ্ৰাহক : হেৰা ভাইটি, আপেলৰ কেজি কিমানকৈ?
দোকানী : এশ ত্ৰিশ টকা দাদা।
গ্ৰাহক : আও ইমান দাম নে? সত্তৰ টকাকৈ হ'ব?
দোকানী : দাদা, এটা আপেলত একামোৰ মাৰিয়েই যাওক। মালিকে সুধিলে গৰুৱে খোৱা বুলি ক'ম। তথাপি সত্তৰ টকাত দি গালি খাব নোৱাৰো।

২। শিক্ষক : ক'চোন বাজীৰ, 'যতীনে চুৰ কৰে' - ইয়াৰ ভৱিষ্যত ৰূপ কি হ'ব?
ছাত্ৰ : ছাৰ, সি ধৰা নপৰিলে ধনী হ'ব আৰু ধৰা পৰিলে ৰঙাঘৰৰ ভাত খাব।

৩। ইংৰাজী ক্লাছত এজন ছাত্ৰই শিক্ষকক সুধিলে : ছাৰ I don't know মানেনো কি?
শিক্ষক : মই নাজানো।
ছাত্ৰ : তেন্তে কাক সুধিমনো ছাৰ?

৪। শিক্ষক : তুমি কেনেকৈ জানিলা জন্তুৰ চকু কোনো দিনে বেয়া নহয়?
ছাত্ৰ : কাৰণ, আজিলৈকে কোনো জন্তুৱে চছমা পিন্ধা দেখা নাই ছাৰ।

# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ 'ৰুক্মিণী হৰণ নাট' ঃ এটি আলোচনা

তাৰিণীকান্ত হা
মুৰব্বী ঃ অসমীয়া বিভা

শ্ৰীমন্ত শংকৰদেৱ অসমৰ সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ কলাকাৰ। তেওঁ অসমত নৱবৈষ্ণৱ ধৰ্মৰ গুৰিধৰোতা আৰু পথ প্ৰদৰ্শক। তেওঁৰ আবিৰ্ভাৱৰ আগতে অসমত বৈষ্ণৱ ধৰ্মৰ ক্ষীণ সোঁত এটি প্ৰবাহিত হ'লেও শাক্তধৰ্ম, তান্ত্ৰিকতা আৰু আন আন ধৰ্মমতৰ খেলিমেলিত সমাজত নানান বিশৃংখলা আৰু ব্যভিচাৰৰ সৃষ্টি হৈছিল। সৌভাগ্যক্ৰমে সেই সময়তে শংকৰদেৱৰ আবিৰ্ভাৱ হ'ল আৰু তেওঁ ভাৰতৰ বহু তীৰ্থস্থান চাই খ্ৰীষ্টিয় দ্বাদশ শতিকাৰ পৰা সমগ্ৰ ভাৰতবৰ্ষতে যি ভক্তি আন্দোলনৰ সূচনা, প্ৰচাৰ আৰু বিস্তাৰ হৈছিল সেই মহাজাতীয় আন্দোলনৰ আদৰ্শাত্মক সাৰমৰ্ম নিজাকৈ অনুধাৱন কৰি অসমত একশৰণ হৰিনাম ধৰ্মৰ প্ৰকাশ আৰু প্ৰচাৰৰ ব্ৰত গ্ৰহণ কৰে। ঘাইকৈ ধৰ্ম প্ৰচাৰৰ অৰ্থেই তেওঁ গীত, পদ, কাব্য, নাট আদি ৰচনা কৰি অসমীয়া সাহিত্যৰ ৰবভেটি নিৰ্মাণ কৰে।

শংকৰদেৱ আছিল বহুমুখী প্ৰতিভাৰ আঁকৰ স্বৰূপ। মাধৱদেৱৰ ভাষাত তেওঁ আছিল 'সৰ্ব গুণাকৰ, যাকেৰি নাহিকে উপাম'। প্ৰায় ছকুৰি বছৰীয়া জীৱন পৰিক্ৰমাত এজন যুগদ্ৰষ্টা তথা যুগস্ৰষ্টা হিচাপে শংকৰদেৱে ধৰ্ম প্ৰচাৰ, সমাজ সংস্কাৰ, সাহিত্য সৃষ্টি, চিত্ৰবিদ্যা, সংগীত, অভিনয়— সকলো বিষয়তে তেওঁৰ অম্লান প্ৰতিভাৰ স্বাক্ষৰ ৰাখি মৃতপ্ৰায় অসমীয়া জাতিটোক সঞ্জীৱিত আৰু শক্তিশালী কৰি থৈ গৈছে।

অসমীয়া নাট্য সাহিত্যৰ জনক হ'ল শ্ৰীমন্ত শংকৰদেৱ। এই নাট্য সাহিত্য মূলতঃ বৈষ্ণৱ আন্দোলনৰ ফল। শংকৰদেৱৰ আগতে কোনো ধৰণৰ ৰচিত নাট অসমীয়া ভাষাত নাছিল। অৱশ্যে কিছু নাটকীয় গুণবিশিষ্ট ওজাপালি, পুতলা নাচ আদি অনুষ্ঠান পূৰ্বৰে পৰাই অসমত প্ৰচলিত আছিল। শংকৰদেৱে ভগৱানৰ লীলা-মাহাত্ম্য জনসাধাৰণৰ মাজত সৰবৰাহী কৰি তুলিবৰ কাৰণে আৰু লোকসমাজক নৃত্য, গীত আৰু অভিনয়ৰ সহায়েৰে আকৰ্ষণ কৰিবৰ কাৰণে এইশ্ৰেণীৰ অংকীয়া নাটৰ উদ্ভাৱন কৰে। এটা অংক থকা বাবে ইয়াক অংকীয়া নাট বোলা হয় যদিও শংকৰদেৱে নিজে ইয়াক 'যাত্ৰা', 'নাট' 'নৃত্য' আৰু 'নাটক' 'কালিদমন লীলা যাত্ৰা', 'সীতা বিবা বিহাৰ নৃত্য', 'সেহি গোপালক কেলি নাটক', 'পৌ পত্নী প্ৰসাদ নাম নাট' বুলিছে। চৰিতপুথিত এই ধৰণৰ না সৃষ্টিক বুজাবৰ কাৰণে 'অংক' শব্দ ব্যৱহাৰ কৰিছে ('পাৰিজা হেন নাম/অংক মহা অনুপাম/কৰিলা শংকৰ তাত পাছে') 'অংকীয়া' শব্দটো কিছুমান সমালোচকে ভ্ৰমাত্মক বুলি ক খোজে। কিন্তু অসমীয়া সমাজ জীৱনত শব্দটো ইম গভীৰভাৱে সোমাই আছে যে ইয়াক সহজে নাইকীয়া কৰি নোৱাৰি।

প্ৰধানকৈ সংস্কৃত নাটকৰ আৰ্হিত আৰু থলুৱা লোক নাট্যানুষ্ঠান ওজাপালি, পুতলা নাচ আদিৰ অনুপ্ৰেৰণা শংকৰদেৱে নাট ৰচনাত প্ৰবৃত্ত হৈছিল। তেওঁৰ দ্বাৰা ৰচি নাটকেইখন হ'ল— 'পত্নী প্ৰসাদ', 'কালিয় দমন', 'কে গোপাল', 'ৰুক্মিণী হৰণ', 'পাৰিজাত হৰণ' আৰু 'ৰাম বিজয় এই নাটকেইখন ৰচনা কৰাৰ আগতে তেওঁ 'চিহ্নযাত্ৰা' না সংলাপবিহীন অথচ ধেমালিৰ ঘোষা, ভটিমা, শ্লোক আ গীত-মাতেৰে সমৃদ্ধ ভাওনা লিখাৰ উপৰি অভিনয় কৰিছি চৰিতপুথি মতে, 'জন্মযাত্ৰা' আৰু 'কংস বধ' নামৰ দুখন না শংকৰদেৱে ৰচনা কৰিছিল। সেই দুখন পাছত হেৰোৱা ব চৰিতপুথিত উল্লেখ আছে। শংকৰদেৱে তেওঁৰ নাটকেইখ বিষয়বস্তু মূলতঃ ভাগৱতপুৰাণ, হৰিবংশ, বিষ্ণুপুৰাণ আ ৰামায়ণৰ পৰা গ্ৰহণ কৰিছে। অৱশ্যে মূল কাহিনীৰ লগ তেওঁ মৌলিক প্ৰতিভাৰ সংযোগেৰে ইয়াক অন্য এক মা দান কৰিছে।

'ৰুক্মিণী হৰণ' নাটৰ কাহিনীভাগ শংকৰদেৱে ভাগৱতপুৰাণৰ পৰা আহৰণ কৰিছে। ভাগৱতৰ দশমস্ক ৫২-৫৪ অধ্যায়ত এই কাহিনী বৰ্ণিত হৈছে। থোৰতে না কাহিনীভাগ এনে ধৰণৰ— সুৰভি আৰু হৰিদাস ভাটৰ মু শ্ৰীকৃষ্ণ আৰু ৰুক্মিণী পৰস্পৰে পৰস্পৰৰ ৰূপ-গুণ শুনি আকৃষ্ট হ'ল। কিন্তু দাম্ভিক ককায়েক ৰুক্মবীৰে ৰুক্মিণীক শিশুপাললৈ বিয়া দিবৰ সিদ্ধান্ত ল'লে। তাকে শুনি ৰুক্মিণীয়ে বিশ্বস্ত ব্ৰাহ্মণ বেদনিধিক মাতি আনি চিঠিত নিজৰ সকলো কথা বিৱৰি লিখি শ্ৰীকৃষ্ণৰ ওচৰলৈ পঠিয়াই দিলে। ৰুক্মিণীক উদ্ধাৰ কৰিবলৈ বেদনিধিৰ স'তে শ্ৰীকৃষ্ণ আহি কুণ্ডিল নগৰী পালে। ৰুক্মিণীয়ে সয়ম্বৰ সভাত শ্ৰীকৃষ্ণক বৰমাল্য পিন্ধোৱাত শ্ৰীকৃষ্ণই ৰুক্মিণীক ৰথত তুলি লৈ দ্বাৰকা অভিমুখে যাত্ৰা কৰিলে। কিন্তু সয়ম্বৰত উপস্থিত জৰাসন্ধ, শিশুপাল প্ৰমুখ্যে ৰাজন্যবৰ্গই বাট ভেটি ধৰাত তেওঁলোকৰ লগত শ্ৰীকৃষ্ণৰ যুদ্ধ লাগে আৰু যুদ্ধজয়ী হৈ শ্ৰীকৃষ্ণই ৰুক্মিণীক দ্বাৰকালৈ নি বিবাহ কৰায়। ভাগৱতত বৰ্ণিত এই কাহিনীভাগকে পৰিস্থিতি উজ্জ্বল আৰু চৰিত্ৰ সজীৱ কৰিবলৈ যিখিনিত ৰহণ লগোৱাৰ প্ৰয়োজন, সেইখিনিত শংকৰদেৱে নিজস্বভাৱে তুলিকা চলাইছে। অৱশ্যে এনে কৰিবলৈ যাওঁতে তেওঁ মূলৰ আদৰ্শ আৰু গাম্ভীৰ্য বিনষ্ট হ'ব দিয়া নাই। সুৰভি আৰু হৰিদাস ভাটৰ দ্বাৰা নায়ক-নায়িকাৰ ৰূপ-গুণানুকীৰ্তন, নায়ক-নায়িকাৰ পূৰ্বৰাগৰ চিত্ৰ, বেদনিধিৰ আচৰণ, ৰুক্মিণীৰ প্ৰতি ৰূপমুগ্ধ ৰজাসকলৰ বীভৎস্য ভাৱনা, বুঢ়া বজা ভীষ্মক আৰু ডেকা তেজত ওফন্দি ফুৰা ৰুক্মবীৰৰ আচৰণ, ৰুক্মিণীৰ সখী লীলাৱতী আৰু মদন মঞ্জৰীৰ চৰিত্ৰ সৃষ্টি, বিবাহ মণ্ডপত ব্ৰহ্মাৰ মূৰ্চা যোৱা আদি পৰিস্থিতি ৰচনাত আৰু চৰিত্ৰসমূহৰ আচৰণ চিত্ৰণত মহাপুৰুষে মৌলিকতাৰ পৰিচয় দিছে।

নাটখনিত জগতৰ ঈশ্বৰ-ঈশ্বৰীৰ মিলনক শংকৰদেৱে ভক্তিৰ দৃষ্টিৰে ৰূপায়ণ কৰিছে যদিও প্ৰকাশৰ মাধ্যম কিন্তু লৌকিক। ডেকা-গাভৰুৰ স্বচ্ছন্দ প্ৰেমৰ মিলনপথত যেনেকৈ সমাজ নাইবা পিতৃ-মাতৃ আৰু জ্ঞাতি-কুটুম্ব অন্তৰায় হৈ থিয় দিয়ে; বংশ মৰ্যাদা অথবা জাত্যাভিমানৰ বশৱৰ্তী হৈ আপোনজনেই যেনেকৈ মিলনৰ কণ্টক স্বৰূপ হয়; 'ৰুক্মিণী হৰণ'তো সেইদৰে নায়ক-নায়িকাৰ মিলনত কুলগৌৰৱ আৰু বংশ মৰ্যাদাভিমানী ৰুক্মবীৰে বাধা হৈ থিয় দিছে। ফলত লোক সমাজত হোৱাৰ নিচিনাকৈয়ে কৃষ্ণই ৰুক্মিণীক হৰণ কৰি নি নিজ ঠাই দ্বাৰকাত বিবাহ কাৰ্য্য সমাধান কৰিছে। এই ঘটনাক আমাৰ সমাজত অতীজৰে পৰা চলি অহা ৰাক্ষস বিবাহৰে এক নিদৰ্শন বুলিব পাৰি।

শংকৰদেৱৰ সাৰ্থক নাট্যসৃষ্টি 'ৰুক্মিণী হৰণ'ত সংগীত, নৃত্য আৰু ভক্তি মাহাত্ম্যৰ লগতে সন্নিবিষ্ট হৈছে নাট্যবৈচিত্ৰ। নাটখনত চৰিত্ৰসমূহে আপোন মহত্বৰে আত্মপ্ৰকাশ কৰিছে। ফলত কেৱল ভক্তি আদৰ্শ প্ৰকাশৰ অনুসংগ নহৈ নাটখনে মানৱীয় আশা-আকাংক্ষাৰ প্ৰতিভূ স্বৰূপেও থিয় দিছে। নাটখনত 'কোটি কল্পতৰু পূৰণ কামা', 'ব্ৰহ্মা-মহেশ সেৱিত শ্ৰীনাৰায়ণ' শ্ৰীকৃষ্ণৰ মানৱীয় দিশটোৰো বাঞ্জিত হৈছে। ৰুক্মিণীৰ বিবাহকেন্দ্ৰিক সংঘাতময় নাটকীয় পৰিস্থিতিক সামৰি গঠিত ঘটনাসমূহৰ সূচাৰু চিত্ৰণে নাটখনক গৰিমা প্ৰদান কৰিছে। সংগীত আৰু নৃত্য পৰিকল্পনা বা গীতসমূহৰ ভাৱ আৰু কাব্যিক ঐশ্বৰ্যই নাট্যবস্তু বা চৰিত্ৰসমূহৰ ব্যক্তিত্ব বিকাশৰ লগৰীস্বৰূপ হৈছে।

'ৰুক্মিণী হৰণ' নাটৰ চৰিত্ৰসমূহৰ ভিতৰত নায়িকা ৰুক্মিণীৰ চৰিত্ৰই সবাতোকৈ আকৰ্ষণীয়। ৰুক্মিণী ধৈৰ্য্যশীলা, উপস্থিত বুদ্ধিসম্পন্না আৰু গভীৰ প্ৰেমিকা। ভাটৰ মুখে শ্ৰীকৃষ্ণৰ ৰূপ-গুণ-গৌৰৱৰ কথা শুনি তেওঁ 'শ্ৰীকৃষ্ণক স্বামীভাৱে বৰল ঃ কৃষ্ণগ্ৰহে হৃদয়ে ধৰল, কৃষ্ণক চৰণ চিন্তিয়ে' থকা দেখা যায়। ৰুক্মবীৰে কৃষ্ণৰ পৰা আঁতৰাই নি শিশুপাললৈ বিয়া দিয়াৰ ব্যৱস্থা কৰাত ৰুক্মিণী ক্ষন্তেকৰ কাৰণে আকুল হৈ পৰিছে যদিও সাধাৰণ প্ৰেমিকাৰ দৰে ধৈৰ্য্যহীনা হোৱা নাই। বৰঞ্চ 'পাপী তুহু সাত শত্ৰুতো অধিক ভেলি ঃ তুহু জনমি কি নিমিত্তে নাহি মৰলি" বুলি ককায়েকক গালি পাৰি উঠি বেদনিধি বিপ্ৰৰ হাতত দ্বাৰকালৈ পঠোৱা চিঠিত সমস্ত বিৱৰি কৃষ্ণক মাতি পঠিয়াইছে। বেদনিধিৰ মুখত কৃষ্ণৰ আগমনৰ বাতৰি পাই প্ৰণাম জনাই ৰুক্মিণীয়ে ব্ৰাহ্মণৰ 'হে পিতা, বাপে উপজাইল মাত্ৰ ঃ তুহু প্ৰাণ দান দেৱল। তোহাক গুণ সুজয়ে নাহি পাক' বোলা কথাষাৰতে ৰুক্মিণীৰ বিনয়ী আৰু কৃতজ্ঞতাৰ দিশটো ফুটি উঠিছে। কৃষ্ণপ্ৰেমত মত্ত হৈ পিতৃ আৰু জ্যেষ্ঠ ভ্ৰাতৃক ত্যাগ কৰিছে যদিও ৰুক্মিণীৰ মন স্ত্ৰীসুলভ কোমলতা আৰু স্নেহভাৱ বিবৰ্জিতা নহয়। শ্ৰীকৃষ্ণই ৰুক্মবীৰক কাটিবলৈ লওঁতে তেওঁ কৃষ্ণৰ ভৰিত ধৰি ককায়েকৰ প্ৰাণভিক্ষা কৰিছে। দৈহিক সৌন্দৰ্য্যৰ ফালৰ পৰাও ভীষ্মক নন্দিনী 'পেখিতে সুৰ-নৰ-মুনি মোহে'।

অখিল ব্ৰহ্মাণ্ডৰ গৰাকী পৰমপুৰুষ শ্ৰীকৃষ্ণক নাটত মানৱীয় ৰূপত তুলি ধৰি জনসাধাৰণক ভক্তিৰসৰ সোৱাদ দিবলৈ যত্ন কৰা হৈছে। শ্ৰীকৃষ্ণ অনুপম ৰূপৰ অধিকাৰী, কৰ্তব্যপৰায়ণ আৰু প্ৰেমিক। ভাটৰ মুখে ৰুক্মিণীৰ মদন পিছলি পৰা সৌন্দৰ্য্যৰ কথা শুনি সাধাৰণ ডেকা প্ৰেমিকৰ দৰেই তেওঁৰো মনত পূৰ্বৰাগ জন্মিছে। সেয়ে বেদনিধিৰ পৰা ৰুক্মিণীৰ প্ৰেমপত্ৰ পাই সময় ব্যয় নকৰি কুণ্ডিললৈ ঢাপলি মেলিছে। প্ৰবল প্ৰতাপী জৰাসন্ধ, শিশুপাল আদি ৰাজন্যবৰ্গক যুদ্ধত পৰাভূত কৰি শ্ৰীকৃষ্ণই নিজ পৰাক্ৰম দেখুওৱাৰ লগতে

ৰুক্মিণীৰ অনুৰোধত ৰুক্মবীৰক প্ৰাণে নামাৰি দয়াশীলতা প্ৰকাশ কৰিছে। শ্ৰীকৃষ্ণ অতিথিপৰায়ণ। দ্বাৰপালৰ মুখত বেদনিধিৰ আগমন বাৰ্তা পাই নিজে উঠি গৈ প্ৰণাম জনাই 'আলিংগন ধৰিয়ে অভ্যন্তৰ পৰৱেশ কৰাৱল। স্বহস্তে পাৱ পখালিয়ে পঞ্চামৃত ভুঞ্জাৱল' আৰু 'নিজ হাতে পাৱ মৰ্দিয়ে শ্ৰম দূৰ কয়কহো বাত পূচত।'

নাটখনিত বেদনিধি চৰিত্ৰটি শংকৰদেৱৰ অনুপম সৃষ্টি। মূলত উল্লেখিত নায়িকাৰ বিশ্বস্ত ব্ৰাহ্মণজনেই নাটত বেদনিধি ৰূপত অৱতীৰ্ণ হৈছে। বেদনিধি 'তপৰ মহিমাএ আকাশৰ চন্দ্ৰ আনি দিতে' পাৰে। সুদূৰ দ্বাৰকাৰ পৰা শ্ৰীকৃষ্ণক কুণ্ডিললৈ লৈ অহা কাৰ্য্যই তেওঁৰ দৌত্যকুশলতা প্ৰমাণ কৰে। বেদনিধি নিৰ্লোভী, পৰোপকাৰতে তেওঁৰ আনন্দ। ৰুক্মিণীয়ে পুৰস্কৃত কৰিব খোজাত তেওঁ কৈছে— 'হামাৰ অশ্ৰিৰ্বাদ শ্ৰীকৃষ্ণ সহিতে তোহাত সুবসতি হোক। তব হামাৰ সকল প্ৰসাদ ভেল।' তপৰ বলত আকাশৰ চন্দ্ৰকো আনি দিব পৰা এইজন বেদনিধিৰে শ্ৰীকৃষ্ণৰ বায়ুবেগত চলা ৰথত উঠাৰ লগে লগে শ্ৰুতিভংগ হ'ল, হাত-ভৰি ঠৰঙা দিলে, পেট ফুলিল, নাকত নিশ্বাস নোহোৱা হ'ল। এনে বৰ্ণনাৰ দ্বাৰা নাট্যকাৰে হাস্যৰস সৃষ্টিৰ সুযোগ লৈছে।

নাটখনিত আনবোৰ চৰিত্ৰ গৌণ। কুণ্ডিল অধিপতি ভীষ্মক বৃদ্ধ আৰু জ্ঞানী। কন্যাদায়গ্ৰস্ত পিতৃৰ দায়িত্ব তেওঁৰ আছে। নবীন যৌৱনা ৰুক্মিণীৰ বাবে শ্ৰীকৃষ্ণই যে যোগ্য স্বামী হ'ব তাক তেওঁ বুজে। কিন্তু ডেকাপুত্ৰৰ কথাৰ ওপৰত মাত মাতিব নোৱাৰি তেওঁ পুতেকৰ মততে মত দিছে। ভীষ্মকৰ বৰপুত্ৰ তথা ৰুক্মিণীৰ জেষ্ঠ ভ্ৰাতৃ ৰুক্মবীৰ মদগৰ্বী আৰু কৃষ্ণবিদ্বেষী। পিতৃৰ মতক অমান্য কৰি তেওঁ ৰুক্মিণীক শিশুপাললৈ বিয়া দিব ওলাইছে। তেওঁৰ দৃষ্টিত কৃষ্ণ 'সে যাদৱ অনাচাৰ, গো-বধ, স্ত্ৰী-বধ, মাতুল বধ, কত পাপ কয়ল থিক'। ৰুক্মবীৰ প্ৰতিজ্ঞাপৰায়ণ। সেয়ে শ্ৰীকৃষ্ণৰ লগত যুদ্ধত হাৰি সত্য ৰক্ষাৰ্থে কুণ্ডিললৈ প্ৰত্যাবৰ্তন নকৰি ভোজকট নগৰত থাকিব লয়। এই ধৰণে দেখা যায় যে ৰুক্মিণীৰ বাহিৰে আনবোৰ চৰিত্ৰৰ নাটখনত বহল ৰেখাংকন নাই যদিও নাট্যকাৰৰ নিপুণ হাতৰ তুলিকাৰ সামান্য স্পৰ্শৰ যোগেদিয়েই চৰিত্ৰবোৰ স্বকীয় বৈশিষ্ট প্ৰকাশ কৰিবলৈ সক্ষম হৈছে।

আগত কোৱা হৈছে যে বৈষ্ণৱ ধৰ্ম প্ৰচাৰেই আছিল শ্ৰীমন্ত শংকৰদেৱৰ নাট ৰচনাৰ প্ৰধান উদ্দেশ্য। ভক্তিধৰ্ম প্ৰচাৰৰ জৰিয়তে জনচিত্তত কৃষ্ণপ্ৰেম জগাই তোলাই হ'ল তেওঁৰ নাটকেইখনৰ মুখ্য আদৰ্শ। 'ৰুক্মিণী হৰণ' নাটো এই আদৰ্শৰ পৰা বিচ্যুত নহয় আৰু সেই উদ্দেশ্য সফল কৰি তুলিবলৈকে শংকৰদেৱে শ্লোক, গীত, নৃত্য, কথা, অভিনয়, পয়াৰ, চিত্ৰ মুখা, বাদ্য, গায়ন-বায়ন আদি উপাদানেৰে নাটকেইখনৰ শৰীৰ নিৰ্মাণ কৰি অসমীয়া মানুহৰ সুকুমাৰ মনতো ৰূপময়, সুৰময়, সুন্দৰ আৰু নিতোল কৰি তুলিলে। এই নাট আৰু ইয়াৰ ভাওনা পৰম্পৰাই অসমীয়া জনসমাজত এক চিৰন্তন সংস্কৃতিৰ পথ ৰচনা কৰিলে।

সংস্কৃত নাটকৰ আৰ্হিত শংকৰদেৱে তেওঁৰ নাটত সংস্কৃত শ্লোক ব্যৱহাৰ কৰিছিল। তেওঁৰ নাটকেইখনত ব্যৱহৃত সৰ্বমুঠ ১৭৩টা (কিছুমান মতে ১৭৯টা) শ্লোকৰ ভিতৰত 'ৰুক্মিণী হৰণ' নাটত মুঠ ৪২টা শ্লোক পোৱা যায়। এই শ্লোকসমূহ নাটকীয় ঘটনাপ্ৰৱাহৰ অগ্ৰগতিৰ সহায়ক। সন্তাৱলী গ্ৰন্থৰ সাক্ষ্য অনুসৰি 'পণ্ডিতে বুজিবে শ্লোক কৰিলা ৰচনা'। ফলত সাধাৰণ দৰ্শকৰে নহয়, পণ্ডিতলোকৰো অংকীয়া নাটৰ প্ৰতি আগ্ৰহ বাঢ়িছিল। শ্লোকসমূহ মূলতঃ তিনি প্ৰকাৰৰ— নান্দী শ্লোক, চৰিত্ৰৰ চাল-চলন বুজোৱা শ্লোক আৰু নাট্যকাৰৰ বিষয় প্ৰৱেশ তথা মোখানিৰ শ্লোক। শ্লোকসমূহে নাটকীয় ঘটনাৰ একো একোটা বিশেষ অৱস্থাৰ চিত্ৰ দাঙি ধৰে। সংস্কৃত নাটকৰ নিচিনাকৈয়ে শংকৰদেৱৰ নাটো নান্দী শ্লোকেৰে আৰম্ভ হয়। দেৱ, দ্বিজ, নৃপতিৰ আনন্দদায়িনী স্তুতি অথবা আশীৰ্বাদ বচনেই নান্দী। 'ৰুক্মিণী হৰণ' নাটত দুটা নান্দী শ্লোক আছে। প্ৰথমটোত পৰমপুৰুষ শ্ৰীকৃষ্ণৰ স্তুতি কৰা হৈছে—

'যৎপাদপংকজৰজঃ শিৰসা সুৰেশাঃ
সৰ্বোদয়াঃ দিৱিষদোহতি মুদোদ্বহন্তি।
যৎ কীৰ্ত্তনাৎ কলিমলং মনুজাঃ ত্যজন্তি
কৃষ্ণস্য তস্য চৰণং শৰণং ব্ৰজেম।।'

দ্বিতীয় শ্লোকত স্তুতিৰ লগতে নাটৰ বিষয়বস্তুৰো আভাস দিয়া হৈছে—

'চৈদ্যাদিনৃপতীন্ বিজিত্য তৰসা যেনহৃতাৰুক্মিণী
যেনাজৌ বিনিৰ্জিত্য দুৰ্জয়ৰিপু ৰুক্মিবীৰূপীকৃতঃ।
বৈদৰ্ভী বিধিবৎ বিৱাহকমৰোৎ যো দ্বাৰৱত্যাং মুদাঃ
তস্মৈ শ্ৰীপৰমাত্মনে ভগৱতে কৃষ্ণায় কুৰ্মো নমঃ।।'

এনেদৰে সূত্ৰধাৰ আৰু ভাৱৰীয়াৰ মুখেৰে পঠিত শ্লোকসমূহৰ সমাৱেশেৰে শংকৰদেৱে নাটকীয় ঐতিহ্যৰ লগতে বিষয়বস্তুৰ গাম্ভীৰ্যও বৃদ্ধি কৰিছে। অংকীয়া নাট আকৃতিত নাট যদিও প্ৰকৃততে গীতিকাব্য। কেৱল আৰম্ভণী বা আৰম্ভণিয়েই নহয়, সমগ্ৰ নাটকীয় বিষয়বস্তুকে ইয়াত গীতৰ সহায়েৰে আগবঢ়াই লৈ যোৱা হয়। শংকৰদেৱে সংগীতমুখৰ পৰিৱেশৰ দ্বাৰা জনচিত্তত ভক্তিৰ বীজ ৰোপণত অগ্ৰাধিকাৰ দিছিল। সেয়ে নাট্যবস্তু বিকাশৰ বিভিন্ন স্তৰ আৰু পৰিস্থিতি, চৰিত্ৰসমূহৰ মানসিক অৱস্থা আৰু কাৰ্যকলাপ আদি গীতৰ মাধ্যমত প্ৰকাশ কৰাইছে। আনকি কাৰ্যৰে দেখুৱাব লগীয়া আমনিদায়ক দৃশ্যৰাজি সংগীতৰ মধুৰ ঝংকাৰেৰে সৰস আৰু চিত্তস্পৰ্শী কৰি তোলা দেখা যায়। শংকৰদেৱৰ ছখন নাটত ব্যৱহৃত ১৪৪টা গীতৰ ভিতৰত 'ৰুক্মিণী হৰণ'ত ৩৬টা গীত সন্নিবিষ্ট কৰিছে। গীতবোৰ দুটা শ্ৰেণীৰ— এবিধ ৰাগ-ৰাগিনীযুক্ত আৰু আনবিধ বৰ্ণনাত্মক পয়াৰ। পয়াৰবোৰ সাধাৰণতে কৰুণ ৰসৰ। উল্লেখযোগ্য যে 'ৰুক্মিণী হৰণ' নাটত সন্নিবিষ্ট গীতবোৰত ১৬টা ৰাগ আৰু ৮খন তালৰ ব্যৱহাৰ পোৱা যায়। ভাবানুযায়ী ছন্দ, অনুপ্ৰাস, যমক আৰু বিভিন্ন অলংকাৰ প্ৰয়োগৰ দ্বাৰা বৰ্ণনীয় বিষয়ক ৰমণীয় আৰু শ্ৰুতিমধুৰ কৰি পৰিস্থিতি বা ভাবানুভূতিৰ পৰ্যাপ্ত চিত্ৰ একোখন প্ৰতিটো গীতত অংকনৰ প্ৰয়াস দেখা যায়।

শংকৰদেৱৰ আনকেইখন নাটৰ নিচিনাকৈ 'ৰুক্মিণী হৰণ'তো ভটিমাৰ প্ৰয়োগ দেখা যায়। সংস্কৃত 'ভট্ট' শব্দৰ পৰা উৎপন্ন ভাট শব্দৰ সাধাৰণ অৰ্থ স্তুতি পাঠক। ভট্টৰ কাৰ্যই ভটিমা। প্ৰাচীন ভাৰতত চাৰণ, ভাৰত আদি একশ্ৰেণীৰ গায়কে পুৰাণ প্ৰভৃতিৰ গীত গাই ফুৰিছিল বুলি জনা যায়। সেইবোৰৰ অনুকৰণতে শংকৰদেৱে নাটত ভটিমাৰ প্ৰয়োগ কৰিব পাৰে। ভটিমা সদায় গুৰু-গম্ভীৰ আৰু স্তুতিবাচক। নাট্যৰস পৰিৱেশন আৰু ভাওনা চিত্তাকৰ্ষক কৰি তোলাত ভটিমাৰ অৱদান অনবদ্য। ভটিমাবোৰ তাল সংযোগ নকৰাকৈ সুৰ ধৰি গোৱা হয়। শংকৰী নাটত তিনি শ্ৰেণীৰ ভটিমাৰ প্ৰয়োগ দেখা যায়— নাট ভটিমা, দেৱ ভটিমা আৰু ৰাজ ভটিমা। নাটৰ আৰম্ভ আৰু শেষত প্ৰয়োগ কৰা ভটিমাই নাট ভটিমা, দেৱতাৰ প্ৰশস্তিমূলক ভটিমাক দেৱ ভটিমা আৰু ৰজাৰ গুণ-গৰিমা প্ৰকাশক ভটিমাক ৰাজ ভটিমা বোলে। নাট ভটিমা আকৌ তিনি প্ৰকাৰৰ। প্ৰথমবিধ সূত্ৰধাৰৰ ভটিমা। নাটৰ বিষয়বস্তু উপস্থাপন আৰু শ্ৰীকৃষ্ণ বা শ্ৰীৰামৰ লীলা আৰু ৰূপ বৰ্ণনা এইবিধ ভটিমাৰে কৰা হয়। দ্বিতীয়বিধ নাটৰ শেষত গোৱা মুক্তিমংগল ভটিমা। দৰ্শক তথা সমজুৱাৰ মংগল কামনা কৰি এই ভটিমা গোৱা হয়। তৃতীয়বিধ ভটিমা ভাট, কোনো চৰিত্ৰ অথবা সূত্ৰধাৰৰ মুখতো দিয়া হয়। 'ৰুক্মিণী হৰণ' নাটত সুৰভি আৰু হৰিদাস ভাটৰ মুখত এই ভটিমাৰ প্ৰয়োগ দেখা যায়।

অসমীয়া গদ্যৰ বুৰঞ্জী শংকৰদেৱৰ নাটকীয় গদ্যৰেই আৰম্ভ হৈছে। এই নাটকীয় গদ্য ব্ৰজাৱলী ভাষাত ৰচিত। চৰিত্ৰৰ সংলাপ আৰু সূত্ৰধাৰৰ নাট্য-নিৰ্দেশনাৰ মাধ্যম এই গদ্য। 'ৰুক্মিণী হৰণ' নাটতো ব্যৱহৃত এই ব্ৰজাৱলী ভাষাটো কোনো নিৰ্দিষ্ট অঞ্চলৰ প্ৰচলিত ভাষা নহয়; একপ্ৰকাৰ কৃত্ৰিম সাহিত্যিক ভাষাহে। শ্ৰীকৃষ্ণৰ ব্ৰজধামৰ লীলা প্ৰকাশৰ মাধ্যম বুলিয়েই ইয়াক ব্ৰজাৱলী নাম দিয়া হৈছিল। মৈথিলী ভাষাৰ লগত অসমীয়া বৈয়াকৰণিক আৰু আভিধানিক ৰূপ লগ লগাই শংকৰদেৱে ইয়াক সৃষ্টি কৰিছে। এই ভাষাৰ ব্যৱহাৰৰ ফলত অসমৰ বাহিৰতো নিজ ভাবধাৰা প্ৰচাৰত সুচল হ'ব বুলি ভাবিয়েই শংকৰদেৱে নাট আৰু গীতত ব্ৰজাৱলী ব্যৱহাৰ কৰা কথা অম্বিকানাথ বৰাদেৱে অনুমান কৰে। তদুপৰি অংকীয়া নাটৰ দৈৱী চৰিত্ৰৰ মুখত দৈনন্দিন জীৱনত ব্যৱহৃত ভাষা দিলে চৰিত্ৰৰ মৰ্যাদা হানি হোৱাৰ আশংকা। ব্ৰজাৱলী দেৱভাষা হ'লেও গ্ৰামীলোকে বুজি পোৱা কোমল-মধুৰ বাবেও শংকৰদেৱে নাটত ইয়াক ব্যৱহাৰ কৰিব পাৰে।

অংকীয়া নাটৰ মুখ্য বা কেন্দ্ৰীয় চৰিত্ৰ প্ৰকৃততে সূত্ৰধাৰ। সূত্ৰধাৰৰ জঁকাটো সংস্কৃত নাটকৰ পৰা লৈ তাৰ ৰক্ত-মাংসত শংকৰদেৱে আপোন মনৰ মাধুৰী মিহলাইছে। অংকীয়া নাটত সূত্ৰধাৰ আৰম্ভণীৰে পৰা শেষলৈকে মঞ্চত উপস্থিত থাকে। তেওঁ নান্দী গায়, নাটৰ বিষয়বস্তুৰ ইংগিত দিয়ে, ভাৱৰীয়াসকলক প্ৰৱেশ-প্ৰস্থান কৰায় আৰু গীত-কথাৰ যোগেদি তেওঁলোকৰ পৰিচয় দৰ্শকৰ ওচৰত দাঙি ধৰে। নাটকীয় ঘটনাপ্ৰবাহ আৰু পৰিস্থিতিসমূহ গীত আৰু কথাসূত্ৰৰ যোগেদি মুকলিকৈ প্ৰকাশ কৰা সূত্ৰধাৰজনেই সংস্কৃত শ্লোক, ব্ৰজাৱলী গীত অথবা পয়াৰ আৰু গদ্যখিনিও এফালৰ পৰা গাই যায়। ঘটনা পৰম্পৰা আৰু নাট্য পৰিস্থিতিৰ কথা দৰ্শকক দি যায়। আধুনিক নাটকৰ স্মাৰক আৰু নাট্য কাৰ্যক্ৰমৰ গুৰুত্বপূৰ্ণ কামফেৰাও সূত্ৰধাৰৰ দ্বাৰাই সম্পন্ন হয় আৰু মুক্তিমংগল ভটিমা গাই তেওঁ নাটৰ পৰিসমাপ্তি ঘোষণা কৰে। মুঠ কথাত অংকীয়া নাটৰ সূত্ৰধাৰজন একেধাৰে গায়ক, নৰ্তক, পৰিস্থিতি ব্যাখ্যাকাৰী আৰু অভিনয় পৰিচালক। 'ৰুক্মিণী হৰণ' নাটতো সূত্ৰধাৰ চৰিত্ৰটি সেই ৰূপতে দেখিবলৈ পোৱা যায়।

সংস্কৃত নাটকৰ আৰ্হিত শংকৰদেৱে তেওঁৰ নাটকেইখনতো প্ৰৰোচনা আৰু প্ৰস্তাৱনা অংশ দুটা সংযোগ কৰিছে। সূত্ৰধাৰে প্ৰশংসা বচনৰ জৰিয়তে দৰ্শকৰ মন নাটৰ প্ৰতি ঢাল খুওৱাকে

প্ৰৰোচনা বোলে। 'ৰুক্মিণী হৰণ' নাটত দেখা যায় সূত্ৰধাৰে— 'ভো ভো সভাসদ সাধুজন, যে জগতক পৰম গুৰু নাৰায়ণ, যাহেৰি অংশ অৱতৰি, বাৰম্বাৰ ভূমিক ভাৰ হৰয়, সোহি ভগৱন্ত শ্ৰীকৃষ্ণ সাক্ষাতে আপুনে অৱতৰি, ওহি সভামধ্যে ৰুক্মিণীহৰণ বিহাৰ নৃত্য পৰম কৌতুকে কৰব, তাহে সাৱধানে দেখহ শুনহ।'— এইবুলি সভাসদ দৰ্শকক নাট্যাভিনয়ৰ প্ৰতি প্ৰৰোচিত কৰিছে। প্ৰৰোচনাৰ পিছৰ অংশটো হ'ল প্ৰস্তাৱনা। সূত্ৰধাৰে সংগীৰ লগত মঞ্চলৈ আহি কথোপকথনৰ চলেৰে মঞ্চত কোন ভাৱৰীয়াই কেনেদৰে প্ৰৱেশ কৰিব তাক কৈ দিয়ে- এয়ে প্ৰস্তাৱনা। 'ৰুক্মিণী হৰণ' নাটত দেখা যায়—

'সূত্ৰ ঃ আহে সংগি! কি বাদ্য শুনিয়ে।।
সংগীবোল ঃ সখি দেৱ দুন্দুভি বাজ।
সূত্ৰঃ আ ঃ সে পৰম ঈশ্বৰ শ্ৰীকৃষ্ণ মিলল মিলল।।'

সূত্ৰধাৰ আৰু সংগীয়ে এনেদৰে কথোপকথনৰ জৰিয়তে প্ৰস্তাৱনা অংশ সম্পাদন কৰিছে।

এক অংকযুক্ত হোৱা কাৰণে শংকৰদেৱৰ আটাইকেইখন নাটত পঞ্চসন্ধি আৰু পঞ্চ অৱস্থাৰ ৰেখা অস্পষ্ট যদিও 'ৰুক্মিণী হৰণ' নাটত ইয়াৰ স্পষ্ট উপস্থিতিৰ উমান পোৱা যায়। নাটখনিত সুৰভি আৰু হৰিদাস ভাটৰ মুখেদি পৰস্পৰৰ ৰূপ-গুণৰ কথা শুনি শ্ৰীকৃষ্ণ-ৰুক্মিণীৰ মনত পূৰ্বাৰাগৰ সঞ্চাৰ হোৱা অৱস্থাই প্ৰাৰম্ভাৱস্থা আৰু মুখ সন্ধি; ৰুক্মবীৰৰ বাধা, বেদনিধিৰ দ্বাৰকা যাত্ৰা আৰু শ্ৰীকৃষ্ণৰ কুণ্ডিল আগমনেই যত্নাৱস্থা আৰু প্ৰতিমুখ সন্ধি; ৰুক্মিণীক হৰণ কৰি শ্ৰীকৃষ্ণৰ দ্বাৰকা যাত্ৰাই প্ৰাপ্ত্যাশা আৰু গৰ্ভসন্ধি; শিশুপাল, ৰুক্মবীৰ আদিৰ শ্ৰীকৃষ্ণৰ লগত যুদ্ধই নিয়তাপ্তি আৰু বিমৰ্ষসন্ধি তথা দ্বাৰকাত শ্ৰীকৃষ্ণ ৰুক্মিণীৰ বিবাহেই ফলাগম অৱস্থা আৰু নিৰ্বহন সন্ধিৰ নিৰ্দেশ কৰিছে। এনেদৰে পঞ্চসন্ধি আৰু পঞ্চ অৱস্থাৰ উপস্থিতিয়ে নাটখনিৰ উৎকৃষ্টতাকে প্ৰমাণ কৰিছে।

'ৰুক্মিণী হৰণ' নাট শংকৰদেৱৰ শেষ বয়সৰ ৰচনা। নাটখনিত শ্ৰীকৃষ্ণৰূপী ভগৱানৰ ওচৰত বিৰোধী শক্তি পৰাভূত হৈছে, কিন্তু নিশ্চিহ্ন হোৱা নাই। শিশুপাল, জৰাসন্ধ, ৰুক্মবীৰ আদি বিৰোধী শক্তি নাটখনিত শ্ৰীকৃষ্ণৰ ওচৰত পৰাভূত হোৱা দেখা যায়। আন এক লক্ষণীয় দিশ হ'ল নাটকীয় গদ্যৰ ব্যৱহাৰ। কাব্যতকৈ গদ্যভাষাৰ যোগেদি মানুহৰ হৃদয় জগতলৈ প্ৰৱেশ কৰিবলৈ যেন অলপ সহজ। গদ্যৰ ভাষাইহে যেন প্ৰস্তুত থকা কথাক জীৱনৰ বাস্তৱতাৰ বেছি ওচৰ চপাই আনে। সেই কাৰণেই হয়তো শংকৰদেৱে নাটত অসমীয়া গদ্য (ব্ৰজাৱলী) ব্যৱহাৰ কৰিছিল। 'ৰুক্মিণী হৰণ' নাটখনিত ৰুক্মিণীয়ে বেদনিধিৰ হাতত শ্ৰীকৃষ্ণলৈ লিখি দি পঠোৱা চিঠিখনত ব্যৱহৃত গদ্য সাৱলীল আৰু অত্যন্ত অৰ্থব্যঞ্জক। চিঠিত ৰুক্মিণীয়ে লিখিছে যে— 'হে স্বামী কৃষ্ণ, ভিক্ষুক মুখে তোহাৰ ৰূপ-গুণ শুনিয়ে হামু কায়বাক্যমনে তোহাক পতিভাৱে বৰয়িছি। অথি শিশুপাল পাপী হামাক নিতে চাহে। জানি প্ৰাণনাথ, সত্বৰে আসি হামাক ৰক্ষা কৰহ। তোহাক ছাড়ি হামাৰ গতি নাহি।' এই চিঠিৰ কাৰণেই ৰুক্মিণীৰ চৰিত্ৰই দৰ্শকৰ চিত্তত বেছি দকৈ সাঁচ বহুৱাব পাৰিছে।

শংকৰদেৱৰ নাটকেইখনৰ ভিতৰত কলেবৰত 'ৰুক্মিণী হৰণ' আটাইতকৈ ডাঙৰ। নাটৰ কাহিনীভাগ নাট্যকাৰে নিজ কৌশলেৰে সজাইছে। কেতিয়াবা তেওঁ মূলৰ পৰা আঁতৰিও গৈছে আৰু চৰিত্ৰ চিত্ৰণৰ বেলিকা সদায় মুকলি পথকেই গ্ৰহণ কৰিছে। সংঘাত সৃষ্টি কৰি চৰিত্ৰ চিত্ৰণ কৰা শংকৰদেৱৰ উদ্দেশ্য নহয়। জীৱন জগতৰ বৈচিত্ৰময় ৰূপ আৰু ক্ৰিয়াশীলতা ৰূপায়ণো তেওঁৰ লক্ষ্য নহয়। নৃত্য-গীত আৰু অভিনয়ৰ যোগেদি ভগৱানৰ অৱতাৰী লীলা অনুভৱযোগ্য আৰু দৰ্শনীয় কৰি দৰ্শকৰ মনত ভক্তি বিগলিত ভাবঘন প্ৰভাৱ এটি সৃষ্টি কৰাহে তেওঁৰ উদ্দেশ্য। নাট্যৰসতকৈ ভক্তিৰস সৃষ্টিহে তেওঁৰ লক্ষ্য। অংকীয়া নাট হিচাপে 'ৰুক্মিণী হৰণ'ৰ বাহ্যৰূপ আছে, কিন্তু প্ৰকৃত নাটকৰ প্ৰাণস্পন্দন ইয়াত পোৱা নাযায়। বৰ্ণনাত্মক কথা সূত্ৰ আৰু গীতৰ প্ৰাচুৰ্যই এটি ভাৱাত্মক পৰিৱেশহে সৃষ্টি কৰে, ক্ৰিয়াত্মক নাট্য পৰিৱেশ নহয়। পৌৰাণিক কাহিনী যথাযথ ৰাখিব লগা হোৱা বাবেই হয়তো শংকৰদেৱে নাটখনত চৰিত্ৰক স্বকীয়ভাৱে ৰূপ দিবলৈ চেষ্টা কৰা নাই। নাটৰ মাধ্যমেদি কৃষ্ণলীলা কীৰ্তন, দৰ্শন আৰু শ্ৰৱণ কৰোৱাটোহে তেওঁৰ সুস্পষ্ট আদৰ্শ।

নাট্য ৰচনাৰ সফলতা নিৰ্ভৰ কৰে সামাজিক, দৰ্শক, শ্ৰোতা আৰু ৰসজ্ঞমণ্ডলীৰ আগ্ৰহৰ ওপৰত। নাট্যকাৰসকলে সেয়ে সমাজক গুৰুত্ব দিহে নাট ৰচনাত হাত দিয়ে। শংকৰদেৱেও 'ৰুক্মিণী হৰণ' নাটত সচেতনভাৱেই 'সভাসদ সাধুজন', 'সভাসদ লোক' আদি শব্দবোৰ প্ৰয়োগ কৰিছে। এনে ধৰণেই যুগস্ৰষ্টা কলাকাৰ শংকৰদেৱে স্বকীয় সৃজনশীলতাৰে পোনপ্ৰথমে অসমীয়া ভাষাত নাট ৰচনা কৰাৰ আদৰ্শ প্ৰতিষ্ঠা কৰি থৈ গ'ল। নাট্য আৰু অভিনয় কলাৰ সমাজৰ সৰ্বস্তৰৰ লোকৰ মন-প্ৰাণ আকৰ্ষণ কৰিব পৰা এক সুকীয়া আবেদন আছে। সেই কাৰণে ইয়াৰ জনপ্ৰিয়তা আৰু ঐতিহাসিক, সামাজিক তথা সাহিত্যিক মূল্য অপৰিসীম।

***





# সাহিত্য অকাডেমী বঁটা পাওঁতা অসমীয়াসকল

*সংগ্ৰহ ঃ জুমি মণি দেৱী
উঃ মাঃ প্ৰথম বৰ্ষ (কলা)

১৯৫৪ চনৰ মাৰ্চ মাহৰ ১২ তাৰিখে ভাৰত চৰকাৰে সাহিত্য একাডেমী গঠন কৰিছিল। সেই একাডেমীৰ ঘাই উদ্দেশ্য আছিল ভাৰতৰ সকলো ভাষা আৰু সাহিত্যৰ উন্নতিৰ হকে কাম কৰা আৰু ভাষা আৰু সাহিত্যৰ উন্নতি সাধন কৰি দেশখনৰ সকলো অংশৰ সংস্কৃতিৰ মাজত ঐক্য স্থাপন কৰা।

| বঁটা পাওঁতাৰ নাম | বঁটা পোৱা কিতাপখনৰ নাম | চন |
|---|---|---|
| ১। যতীন্দ্ৰ নাথ দুৱৰা | বনফুল | ১৯৫৫ |
| ২। বেণুধৰ শৰ্মা | কংগ্ৰেছৰ কাঁচিয়লি ৰ'দত | ১৯৬০ |
| ৩। ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য | ইয়াৰুইংগম | ১৯৬১ |
| ৪। বিৰিঞ্চি কুমাৰ বৰুৱা | অসমৰ লোকসংস্কৃতি | ১৯৬৪ |
| ৫। অম্বিকাগিৰি ৰায় চৌধুৰী | বেদনাৰ উল্কা | ১৯৬৬ |
| ৬। ত্ৰৈলোক্য নাথ গোস্বামী | আধুনিক গল্প সাহিত্য | ১৯৬৭ |
| ৭। নলিনীবালা দেৱী | অলকানন্দা | ১৯৬৮ |
| ৮। অতুল চন্দ্ৰ হাজৰিকা | মঞ্চলেখা | ১৯৬৯ |
| ৯। লক্ষ্মীনাথ ফুকন | মহাত্মাৰ পৰা ৰূপকোঁৱৰলৈ | ১৯৭০ |
| ১০। চৈয়দ আব্দুল মালিক | অঘৰী আত্মাৰ কাহিনী | ১৯৭২ |
| ১১। সৌৰভ কুমাৰ চলিহা | গোলাম | ১৯৭৪ |
| ১২। নৱকান্ত বৰুৱা | ককাদেউতাৰ হাড় | ১৯৭৫ |
| ১৩। ড° ভবেন্দ্ৰ নাথ শইকীয়া | শৃংখল | ১৯৭৬ |
| ১৪। আনন্দ চন্দ্ৰ বৰুৱা | বকুল বনৰ কবিতা | ১৯৭৭ |
| ১৬। ভবেন বৰুৱা | সোণালী জাহাজ | ১৯৭৯ |
| ১৭। যোগেশ দাস | পৃথিৱীৰ অসুখ | ১৯৮০ |
| ১৮। নীলমণি ফুকন | কবিতা | ১৯৮১ |

| | | |
|---|---|---|
| ১৯। মামণি ৰয়ছম গোস্বামী | মামৰে ধৰা তৰোৱাল আৰু দুখন উপন্যাস | ১৯৮২ |
| ২০। ড° নিৰ্মলপ্ৰভা বৰদলৈ | সুদীৰ্ঘ দিন আৰু ঋতু | ১৯৮৩ |
| ২১। দেবেন্দ্ৰ নাথ আচাৰ্য্য | জংগম (মৰণোত্তৰভাৱে) | ১৯৮৪ |
| ২২। কৃষ্ণকান্ত সন্দিকৈ | কৃষ্ণকান্ত সন্দিকৈৰ ৰচনা সম্ভাৰ (মৰণোত্তৰভাৱে) | ১৯৮৫ |
| ২৩। তীৰ্থনাথ শৰ্মা | বেণুধৰ শৰ্মা | ১৯৮৬ |
| ২৪। হৰেকৃষ্ণ ডেকা | আন এজন | ১৯৮৭ |
| ২৫। ড° লক্ষ্মীনন্দন বৰা | পাতাল ভৈৰৱী | ১৯৮৮ |
| ২৬। ড° হীৰেণ গোঁহাই | অসমীয়া জাতীয় জীৱনত মহাপুৰুষীয়া পৰম্পৰা | ১৯৮৯ |
| ২৭। স্নেহ দেৱী | স্নেহ দেৱীৰ একুৰি গল্প (মৰণোত্তৰভাৱে) | ১৯৯০ |
| ২৮। অজিত বৰুৱা | ব্ৰহ্মপুত্ৰ ইত্যাদি পদ্য | ১৯৯১ |
| ২৯। হীৰেণ ভট্টাচাৰ্য্য | শইচৰ পথাৰ মানুহ | ১৯৯২ |
| ৩০। কেশৱ মহন্ত | মোৰ যে কিমান হেঁপাহ | ১৯৯৩ |
| ৩১। শীলভদ্ৰ | মধুপুৰ বহুদূৰ | ১৯৯৪ |
| ৩২। চন্দ্ৰপ্ৰসাদ শইকীয়া | মহাৰথী | ১৯৯৫ |
| ৩৩। নিৰুপমা বৰগোহাঞি | অভিযাত্ৰী | ১৯৯৬ |
| ৩৪। ড° নগেন শইকীয়া | আন্ধাৰত নিজৰ মুখ | ১৯৯৭ |
| ৩৫। অৰুণ শৰ্মা | আশীৰ্বাদৰ ৰং | ১৯৯৮ |
| ৩৬। মেদিনী চৌধুৰী | বিপন্ন সময় | ১৯৯৯ |
| ৩৭। অপূৰ্ব শৰ্মা | বাঘে টাপুৰ ৰাতি | ২০০০ |
| ৩৮। মহিম বৰা | এধানি মাহীৰ হাঁহি | ২০০১ |
| ৩৯। নলিনীধৰণ ভট্টাচাৰ্য্য | মহৎ ঐতিহ্য | ২০০২ |
| ৪০। বীৰেশ্বৰ বৰুৱা | অনেক মানুহ, অনেক ঠাই আৰু নিৰ্জ্জনতা | ২০০৩ |
| ৪১। হীৰেন্দ্ৰ নাথ দত্ত | মানুহ অনুকূলে | ২০০৪ |
| ৪২। (i) ইয়াছে দৰজে থংছি | মৌন ওঁঠ, মুখৰ হৃদয় | ২০০৫ |
| (ii) মংগল সিং হাজোৱাৰী | জিউনি মাওথাং বিচমৃৰি আবৌ আৰজ | ২০০৫ |
| ৪৩। অতুল চন্দ্ৰ গোস্বামী | চেনেহ জৰীৰ গাঁঠি | ২০০৬ |

***





# চুটী গল্প শিতান



# ভিক্ষাৰী

বৰ্ষা হাজৰিকা
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

মাঘ-ফাগুণ মহীয়া বতৰ। খুব ঠাণ্ডা। ৰাতিপুৱা বৰ পলমকৈ ৰ'দ ওলায়। ৰাজুয়ে সেই সময়ত চোতালত পীৰা এখনত বহি ৰ'দ পুৱাই আছিল। এনেতে এজনী ভিক্ষাৰী আহি ৰাজুহঁতৰ পদূলিত ৰৈ চিঞৰিবলৈ ধৰিলে— 'আই অলপ ভিক্ষা দিয়া।' ভিক্ষাৰীজনক দেখি তাৰ বৰ খং উঠিল। সি ক'লে— 'ঐ যা, ইয়াৰ পৰা আঁতৰ হ।' মাক ওলাই আহিল আৰু ভিক্ষাৰীজনীক এটকীয়া নোট এখন হাতত তুলি দি ৰাজু ক বুজালে— 'নাপায় ৰাজু, আজিৰ পৰা এনেকুৱা কাম কেতিয়াও নকৰিবা।' কিন্তু ৰাজুয়ে মাকৰ কথা নুশুনিলে। সি দৌৰি কোনোবা ফালে গুচি যায়। কিয় জানো ভিক্ষাৰী দেখিলেই ৰাজুৰ খং উঠি যায়। ৰাস্তাৰে গৈ থাকোতেই যদি ভিক্ষাৰী দেখে সি দূৰৰ পৰাই নাক-মুখ কোচাই দিয়ে। সি আঁতৰি অন্যফালে যায়।

এদিনাখনৰ কথা। সেইদিনা আছিল ৰবিবাৰ। ৰাজুয়ে ৰাতিপুৱাই তাৰ বন্ধু ৰবিৰ ঘৰলৈ যাব ওলাল। সি গৈ আছে, এনেতে ৰাস্তাৰ দাঁতিত পাগলী বুঢ়ী এজনীয়ে কিবা বকি থকা দেখিলে। বুঢ়ীজনীৰ হাতত এটা তিনি-চাৰি ঠাইত চাপ খোৱা চিলভাৰৰ বাটি আছিল। দিনৰ দিনটো খুজি-মাগি কিবা অলপ পোৱাৰ আশাত তাই সেইদৰে ৰাস্তাৰে গৈ আছিল। তাইক দেখি কেইজনমান দুষ্ট ল'ৰাই ফৰ্মূটি দলিয়াই খেদি লৈ ফুৰিছে। ইয়াকে দেখি ৰাজুয়েও এটা শিল ৰাস্তাৰ পৰা তুলি লৈ পাগলীজনীৰ গালৈ মাৰি দিলে। সেই শিলটো তাইৰ ভৰিত লগাত তাই বৰকৈ দুখ পালে। তাই ঠাইতে বৈ গ'ল আৰু ৰাজুলৈ চাই চাই ক'বলৈ ধৰিলে— 'হে ভগৱান, সকলো তোমাৰ ইচ্ছা।'

ৰবিক ঘটনাটো কৈ ৰাজুয়ে খুব হাঁহিলে। কিন্তু ৰবিয়ে নাহাঁহিলে। সি ৰাজুৰ কাৰ্য্যক গৰিহণা দি ক'লে— 'সিহঁত ভিক্ষাৰী যদিও আমাৰ দৰে সিহঁত মানুহ ৰাজু। তই তেনে নকৰিবি। সিহঁতক মাৰিলে সিহঁতেও আমাক অভিশাপ দিব বুজিছ।' 'যাঃ যাঃ সিহঁত পাগল, থৈ দে সিহঁতৰ অভিশাপ' এইবুলি কৈ ৰাজুয়ে কথাখিনি পাতলভাৱে উৰুৱাই দিলে। 'আবেলি হৈ আহিল। যাওঁ দে ৰবি। সিফালে মায়ে চাগে চিন্তা কৰি আছে।' 'তেন্তে বাৰু যা আকৌ আহিবি—' ৰাজুয়ে ৰবিক মাত লগাই ঘৰলৈ বুলি খোজ ল'লে। সি খুব বেগাই আহিল। এনেতে কিছুদূৰত সি হুলস্থূল লগা শুনিবলৈ পালে।

'ধৰ ধৰ ই সকলো নিলে। ধৰ-মাৰ।' কথাটোনো কি জানিবলৈ ৰাজুয়ে দৌৰি আহি সেই নিৰ্দিষ্ট ঠাইখিনিত ৰৈ গ'ল। ইফালে দোষী পলাই পত্ৰং দিলে। দোষীক মাৰিবলৈ বুলি খেদি অহা মানুহ দুজনৰ সন্মুখত পৰিল ৰাজু। ৰাজুকে চোৰ বুলি মানুহকেইজনে তাকে মাৰিবলৈ ধৰিলে। লগে লগে আঁতৰৰ পৰা কোনো কোনোবাই চিঞৰি উঠিল 'তাক নামাৰিবি ঐ তাক নামাৰিবি। সি তহঁতৰ বস্তু চোৰ কৰা নাই। তহঁতৰ চোৰ সেইফালেদি পলাইছে। ই অন্য ল'ৰা।' ৰাজুক বুঢ়ীয়ে সিহঁতৰ পৰা আজুৰি টানি আনিলে আৰু তাই পুনৰ ক'লে— 'ই নিৰ্দোষী। মই সকলো দেখি আছিলো।'

বুঢ়ীজনীৰ মুখলৈ চোৱাত সি কঁপি উঠিল আৰু সি তাইক চিনি পালে। সিহঁতৰ ঘৰলৈ প্ৰায়েই ভিক্ষা মাগিবলৈ যোৱা সেই বুঢ়ীজনী। এদিন সি টান কথাও সেই বুঢ়ীজনীক শুনাইছিল। তাৰ ভালদৰে মনত আছে। কিন্তু সেই মুহূৰ্তত তাৰ বুঢ়ীজনীৰ প্ৰতি মৰম উপজিল। আজি এই মহা বিপদত এনে এজনী সামান্য বুঢ়ীজনীয়ে তাক ৰক্ষা কৰিলে। তাৰ প্ৰাণ বচালে। সি তাইৰ ওপৰত সন্তুষ্ট হ'ল আৰু ভিক্ষাৰীৰ প্ৰতি থকা ঘৃণা ভাব তেতিয়াৰে পৰাই আঁতৰ হ'ল। সি তাইক ক'লে— 'তুমি মোক ক্ষমা কৰি দিয়া। আজিৰ পৰা মই তোমালোকক টান কথা নকওঁ।'

'নাই বোপাই। আজি তোক বেয়া পালে কি হ'ব। তোক বেয়া পালে ভগৱানে আমাক দোষিব।' তাৰ পিছত ঘৰলৈ উভতিল আৰু সকলো কথা মাকৰ আগত সি খুলি ক'লে আৰু ঘৰৰ পৰা পকা পকা মধুৰিআম আৰু পইচা দুটামান পি... ভিক্ষাৰীজনীক বিদায় দিলে।





# জীৱন নে যাতনা

অনামিকা বৰা
প্ৰবক্তা ঃ অসমীয়া বিভাগ

ৰিক্সা এখনত উঠি একান্তমনে আগবাঢ়িছো ৰীতাৰ ঘৰলৈ। ৰীতা মোৰ কলেজীয়া দিনৰে সহপাঠী, ঘৰ উজান বজাৰত। পঢ়ি থাকোতে মাজে মাজে তাইৰ ঘৰলৈ গৈছিলো। বৰ্তমান ব্যস্ততাৰ মাজত বন্ধুৰ ঘৰলৈ খুউব কমেই আহ-যাহ ঘটে। টেলিফোনে যেন আমাক আৰু পংগু কৰি পেলাইছে। কিন্তু আজি সোঁশৰীৰে যোৱাৰ অতি প্ৰয়োজন। ৰীতাৰ মাকৰ অসুখ। টান নৰীয়া নহ'লেও কিছুদিন ধৰি বিছনাতে আছে। যিখন ঘৰত গৈ সীমাহীন মৰম পাওঁ, যিজনী মানুহে আদৰেৰে এসাঁজ নুখুওৱাকৈ নপঠিয়ায়; সেইজনী মানুহৰ খবৰ নোলোৱাকৈ থাকিব নোৱাৰিলো।

ৰিক্সাৰ চকা ঘূৰি আছে ক্ৰমান্বয়ে আগলৈ। মনত দুলিব ধৰিছে পুৰণি স্মৃতি। সুখ-দুখ, আশা-নিৰাশা, পোৱা-নোপোৱাৰ অংকই মনত ঢৌ খেলি থাকোতেই মন কৰিলো হঠাৎ ৰিক্সাৱালাজনৰ ভৰি দুখন পেডেলৰ ওপৰত ৰৈ গ'ল। মোৰো চকুকেইটা সেই দৃশ্যটোৰ ফালেই গ'ল। কটন কলেজৰ আৰ্টছ বিল্ডিঙৰ সমুখৰ ফুটপাথটোৰ ওপৰত কেইজনমান ডেকা ল'ৰাই এজন আধা বয়সীয়া বৃদ্ধক মাৰি আছে। দেহৰ সমস্ত শক্তি প্ৰয়োগ কৰি এজনে লাঠ মাৰিলে বৃদ্ধজনক। আনবোৰে চৰিয়াইছে, ঘুচিয়াইছে। এটাই চুলিকোচাত ধৰি মানুহজনক চোঁচৰাই আনিলে। মানুহজনে কাকৌ-কোকালি কৰিব ধৰিলে— 'নামাৰিবা ঔ, মোক নামাৰিবা......! মোৰ গাত একো দোষ নাই........!' মানুহজনৰ কথালৈ কাৰোৰে ভ্ৰূক্ষেপ নাই। উদং শৰীৰৰ বৃদ্ধজনৰ হাড়কেইডাল গণিব পাৰি। আঁঠুৰ ওপৰত দুভাঁজকৈ পিন্ধা লুঙিখন খুলি যোৱাৰ উপক্ৰম। ঘামে ধুৱাই পেলোৱা দুৰ্বল হাত দুখনেৰে থৰক বৰককৈ হাতযোৰ কৰিলে ল'ৰাকেইজনক। সিহঁতবোৰৰ বৃদ্ধজনৰ পকাচুলিকেইডাল বা শৰীৰৰ হাড়কেইডাললৈ অলপো দয়া নোপজিল। মিউনিচিপালিটিৰ ট্ৰাকত বাচ-বিচাৰ নকৰাকৈ বস্তু ভৰোৱাৰ লেখীয়া মানুহজনৰ কথাৰ সত্যাসত্য বিচাৰ কৰিবলৈও ডেকাকেইজনৰ সময় নাই। যৌৱনৰ সমস্ত উদ্দাম শক্তি বৃদ্ধজনৰ ওপৰতে আৰোপ কৰিলে। মোৰ দৰে বহুতেই চিনেমাৰ শ্বুটিং চোৱাৰ নিচিনাকৈ দৃশ্যটো উপভোগ কৰিলে। গলত টাই, হাতত চুটকেছ লোৱা কেইবাজনো ভদ্ৰলোকে বেগাবেগিকৈ সেই ৰাস্তাটোৰ ওপৰেৰে পাৰ হৈ গ'ল। কেইগৰাকীমান ভদ্ৰ মহিলাই মন্তব্য ব্যক্ত কৰিলে— 'এইবোৰৰ পৰা আৰু নহৈছে বুজিছেনে! সিদিনা বাছখনত গৈ আছো, এনেকৈ হেঁচিব ধৰিছে যেন মই এটা জড় পদাৰ্থহে। কিবা ক'বলৈ গ'লেও অশ্লীল কিছুমান ইংগিত দেখুৱাব; বেছিকৈহে লাজত পৰিব লাগে। এইবোৰক মাৰি মাৰি পুলিচক গতাই দিব লাগে!' দ্বিতীয় ভদ্ৰ মহিলাই কথাৰ হয়ভৰ দি তাৰ পৰা আঁতৰি আহিল। মনতে ধাৰণা কৰিলো মানুহজনে চাগৈ কাৰোবাক কিবা কৈছিল। কিন্তু দেখিলেতো মানুহজনক তেনেকুৱা যেন নালাগে। সত্যটো জানিবলৈ বৰকৈ মন গ'ল। ৰিক্সাৱালাজনৰ আগত ব্যক্ত কৰিলো 'কিয়বা মাৰিলে মানুহজনক!'

— 'নাই গম নাপাওঁ বাইদেউ' বুলি তেওঁ ৰিক্সাখনৰ পৰা নামি গ'ল। ওচৰৰ পাণ দোকানখনৰ পৰা এপেকেট চাধা কিনিলে। দেখিলো ফুটপাথৰ ওপৰত জোতা-চেণ্ডেল পলিচ কৰা সামগ্ৰী কিছুমান সিঁচৰিত হৈ আছে। চাধা অলপ হাতৰ তলুৱাত মোহাৰি মোহাৰি ৰিক্সাৱালাজন আহি চিটত বহিল। পুনৰ সুধিলো— 'কিবা গম পালা নেকি মানুহজনক কিয় মাৰিছে?'

— 'মানুহজনে জোতা পলিচ কৰে। কবিতা চৌধুৰী নামৰ উকিল এগৰাকীক বোলে কিবা কৈছিল। পলিচ কৰোতে নে কি কৰোতে মানুহজনে লেতেৰা ৰং লগা হাতখনৰ দাগ তেখেতৰ বগা শাৰীখনত লগালে। খং কৰি তেখেত গুচি গ'ল। কিন্তু প্ৰত্যক্ষদৰ্শী ল'ৰাকেইজনে মানুহজনক সুদাই নেৰিলে।'

ৰিক্সা আহি ৰীতাৰ ঘৰৰ সমুখত ৰ'ল। ৰিক্সাৱালাজনক বিদায় দি পাহাৰৰ ওপৰলৈ উঠি গ'লো। বহুদিনৰ মূৰত সমুখত দুয়ো দুয়োকে পাই ভাল লাগিল। মাহীদেউৰ খা-খবৰ ল'লো। বাটত দেখি অহা দৃশ্যটোহে মনৰ পৰা আঁতৰাব পৰা নাই। ৰীতাৰ আগত ঘটনাটো ব্যক্ত কৰিলো। 'আজিকালি এইবোৰ সৰু কথা, বাদ দে সেইবোৰ।' ৰীতাৰ কথা শুনি তাইৰ আগত সহজ হ'বলৈ চেষ্টা কৰিলো। ভাত-পানী খাই ৰীতা আৰু মাহীদেউৰ পৰা বিদায় ল'লো।

তললৈ এখোজ-দুখোজকৈ নামি আহি ৰিক্সা এখনৰ অপেক্ষাত ৰৈ আছো। চকুত পৰিল ছোৱালী এজনীয়ে জুপুৰী এটাৰ সমুখত বহি আছে। চকুত চকু পৰাত মোৰ ফালে একেথৰে চাবলৈ ধৰিলে। মুখখন চিনাকি লাগিল। ৰীতাই কৈছিল— সেইখিনি চৰকাৰৰ মাটি, তাত অঘৰী কিছুমানে ঘৰ কৰি আছেহি। তাত মোৰ কোন চিনাকি থাকিব পাৰে! ছোৱালীজনীয়ে মোৰ ফালে চাই হাঁহিবলৈ ধৰিলে। তাইৰ চেহেৰাটো মোৰ চকুত স্পষ্ট হৈ পৰিল। অলপ আচৰিত হৈয়ে সুধিলো— 'জোনালী, তই ইয়াত?' তাই মূৰটো জোকাৰিলে।

— 'আহক', তাই মাতিলে। মই জুপুৰীটোলৈ সোমাই গ'লো। মোক বহিব দিবলৈ অলপ সংকোচ কৰিলে তাই। নিজেই মূঢ়া এটা টানি লৈ বহিলো। কোঠাটোৰ চাৰিওফালে দৃষ্টি নিক্ষেপ কৰি দেখিলো অতি জৰাজীৰ্ণ অৱস্থা। সম্পত্তি বুলিবলৈ এখন খাট, কেইপদমান বন্ধা-বঢ়া কৰিবৰ বাচন, বেৰৰ ইটো মূৰৰ পৰা সিটো মূৰলৈ টানি ৰখা ৰচী এডালত দুখনমান কাপোৰ ওলোমাই থোৱা আছে। এটা চুকত ৰঙচুৱা চিমনীৰ লেম এটা, কেৰাচিনৰ চাকি এটাও কাষতে আছে। উবলি যোৱা চাৰিবেৰৰ মাজত সামগ্ৰীখিনি কোনোমতে ৰাখিছে মাত্ৰ।

— 'ক'ত আহিছিল বাইদেউ', জোনালীৰ মাতত চক্ খাই তাইৰ মুখলৈ চালো।

ওপৰত যে থাকে ৰীতা বৰা, তাই মোৰ বান্ধৱী। মাকৰ অসুখৰ খবৰ ল'বলৈ আহিছিলো।

— 'অ' ৰীতা বাইদেউ। আজিলৈকে কথা পাতি পোৱা নাই যদিও বাইদেউক কিবা এটা ভাল লাগে।' 'কিন্তু জোনালী, তইঁতৰ অৱস্থা এনেকুৱা হ'ল কেনেকৈ? তোৰ পঢ়া বাৰু আধাতে ৰ'ল; দাদায়েৰ এজন যে আছিল আৰু দেউতাৰ ক'ত?'

— 'মা ঢুকুৱাৰ পিছত মই যে পঢ়া এৰিলো তুমি জানাই। দেউতাই ৰিক্সা চলাই আমাক পোহপাল দি আছিল। দেউতাৰ অসুখৰ পিছত ৰিক্সা চলাবলৈ শক্তি নোহোৱা হ'ল। হাত-ভৰিবোৰ জঠৰ হৈ আহিল। দাদাই হোষ্টেলত থাকি পঢ়া-শুনা কৰাৰ ফলত ঘৰৰ একো খবৰেই নাৰাখে। থকা ঘৰটো খুড়াইঁতৰ লগত ভাগ-বতৰা হ'ল। আমাৰ ভাগটো বেচি দাদাক পঢ়ুৱালো। দাদাই ল' পঢ়ি ওকালতি কৰিলে। কলেজত পঢ়ি থাকোতেই ভালপোৱাজনীক মন্দিৰত বিয়া কৰোৱা বুলি আমালৈ খবৰ পঠিয়ালে। এতিয়া সি শহুৰেকৰ ঘৰত ঘৰজোঁৱাই। এই জুপুৰীটোত দেউতা আৰু মই অকলে থাকো।'

— 'তহঁতে এতিয়া কেনেকৈ চলিছ?'

— 'আগতে মই মানুহৰ ঘৰে ঘৰে বাচন-বৰ্তন ধুইছিলো। গৃহস্থৰ চকুত মোৰ কামতকৈ দেহটোৰ ওপৰতহে বেছি চকু। এঘৰ-দুঘৰকৈ কে'বাঘৰতো কাম এৰাত এতিয়া মোক ৰাখিবলৈ সন্দেহ কৰে। দেউতাই মানুহৰ জোতা-চেণ্ডেল পলিচ কৰি বিশ-ত্ৰিশ টকা পায় তাৰেই চলি আছো।'

ট্ৰেজিক বোলছবিৰ কাহিনী শুনাৰ দৰে জোনালীৰ কথাবোৰ শুনি গ'লো। মোতকৈ দুবছৰে সৰু জোনালী। সৰুতে একেলগে খেলিছিলো। মোৰ সৰু হোৱা ফ্ৰক, কিতাপ-বহীবোৰে অষ্টমমানলৈ পঢ়িলে তাই। আমি গাঁৱৰ ঘৰটো এৰি চহৰত থাকিবৰে পৰা জোনালীৰ কথা একোকে গম পোৱা নাই। সেই জোনালীৰ অৱস্থা যে এনেকুৱা হ'ব কোনে জানে?

জোনালীয়ে খালী চাহ একাপ আনি মোৰ হাতত দিলে। চাহ কাপত চুমুক এটা মাৰি সুধিলো— 'দাদায়েৰ আজিকালি আহেনে?'

— 'বিয়া কৰোৱাৰ পাছত অহা নাই। আগতে মাজে মাজে টকা পঠিয়াইছিল, এতিয়া সেইটোও নকৰে। নবৌৱে আমাৰ লগত সম্পৰ্ক ৰখাটো ভাল নাপায়। পাছে আজি দেউতাই নবৌক লগ কৰাৰ কথা। দেউতা গ'ল্ড ব্লাডাৰ ৰোগত ভুগি আছে। অলপ টকাৰ প্ৰয়োজন অপাৰেচনৰ বাবে।

— 'নবৌৱেৰাৰ ঘৰ ক'ত?'

— 'নবৌও দাদাৰ লগতে কাম কৰে, হাইক'ৰ্টৰ উকিল।'

— 'কি নাম তেওঁৰ?'

— 'কবিতা চৌধুৰী।' নামটো শুনা শুনা যেন লাগিল। অ' মনত পৰিছে, পুৱা দেখি অহা ঘটনাটোৰ নায়িকাগৰাকীৰ নামো কবিতা চৌধুৰীয়ে আছিল। এনেতে কোঠাটোৰ ভিতৰলৈ এজন আধাবয়সীয়া মানুহ সোমাই আহিল। জোনালীয়ে মানুহজনৰ লগত মোক পৰিচয় কৰোৱাই দিলে। মানুহজনক দেখি মোৰ অন্তৰখন বেদনাৰে ভৰি পৰিল। বুকুত অজনা আঘাত এটাই খুন্দা মাৰি ধৰিলে। গল-ওঁঠ শুকাই অহাত মোৰ মুখেৰে মাতটো ওলাই নাহিল। নিজকে নিজে ক'বলৈ ধৰিলো— কোনে ক'ব দুই হাতত ৰাতিৰ সাঁজ যোগাৰ কৰি অনা এই বৃদ্ধজনেই পুৱা ইমানকৈ মাৰ খাইছিল বুলি!!





# যন্ত্ৰণা

কুলেন দাস
স্নাতক প্ৰথমবৰ্ষ (কলা)

এটি জলন্ত বাষ্পপিণ্ডৰ দৰে জ্বলি উঠিছিল পুত্ৰ স্নেহত আকুল এহাল দুৰ্ভগীয়া পিতৃ-মাতৃৰ হৃদয়। আলিবাটত কাৰোবাৰ খোজৰ শব্দ শুনিলেই দৌৰি গৈ সোধে 'শুনিছানে হেৰৌ! মোৰ সোনাই কেনে আছে? ক'ত আছেগৈ? সি কেতিয়াকৈ উভতি আহিব?' এনেদৰে দিন-ৰাতি অতিবাহিত কৰি আহিছে এই হাল পিতৃ-মাতৃয়ে।

এৰা! এটি উচ্চবংশৰ এজন সাধাৰণ যুৱক বিজয় শৰ্মা। নানা দুখ-কষ্টৰ মাজেৰে কেনেবাকৈ বি.এ. সম্পূৰ্ণ কৰিছিল। ঘৰৰ আৰ্থিক অনাটনৰ বাবে চাকৰিৰ সন্ধানত ওলাই গৈ সাধাৰণ গাঁও এখনৰ এল.পি. স্কুলৰ অৱসৰ পোৱা শিক্ষক এজনৰ সহযোগত ওচৰৰে এখন প্ৰাইভেট স্কুলত শিক্ষকতা কৰিবলৈ ল'লে। উচ্চবংশৰ বিজয় শৰ্মাই সময়ৰ গতিত এজনী নিম্নবংশৰ ছোৱালীৰ প্ৰেমত পৰে আৰু কিছুদিন পিছত কোনেও নজনাকৈ দুয়ো বিয়া পাতিও লয়। কিন্তু... কিন্তু কি হ'ব! সমাজত প্ৰচলিত জাতিকুলৰ ভাৰধাৰাৰ ফলত বিজয় শৰ্মাৰ পৰিয়ালে ছোৱালীজনী নিম্নবংশৰ হোৱাৰ বাবে ঘৰৰ বোৱাৰীৰূপে গ্ৰহণ নকৰিলে। ফলত ঘৰ আৰু সমাজৰ পৰা বিতাৰিত হৈ বিজয় শৰ্মাই নিজ পত্নীক লগত লৈ বহু দূৰলৈ গুচি গ'ল। বৰ্তমান টকা নাথাকিলে সমাজত কেৱল উচ্চ শিক্ষা আৰু সৎ কামেৰে দুবেলা তৃপ্তিৰে দুসাজ ভাত মোকলাব নোৱাৰি। বিজয় শৰ্মাও আছিল এজন সৎ মনোভাৱৰ ব্যক্তি। সেয়ে বিজয় শৰ্মাৰ জীৱনতো একেই ঘটিল। অৰ্থাৎ ভোকৰ ভাত মুঠিও নোযোৱা হ'ল। ফলত দুয়ো পতি-পত্নী লোকৰ ঘৰত দিন মজুৰি কৰিবলৈ ল'লে আৰু তাৰ ফলত কিছু অভাৱ কমি আহিল। এনেদৰেই দিন মাহ উকলিল। শেষত সিহঁতৰ জীৱনলৈ এটি পুত্ৰ সন্তান আহিল। নৱজাত সন্তানক লৈ সিহঁতে নানা সপোন ৰচিবলৈ ধৰিলে। সপোন ৰচিলে ঠিকেই কিন্তু বাঢ়ি অহা সন্তানটিক উপযুক্ত ধৰণে পোহপাল দিব নোৱাৰাৰ ফলত তাৰ দেহৰ অৱস্থা নাইকীয়া হ'ল। বয়সৰ লগে লগে সি সমনীয়াৰ লগত খেলিব পৰা হ'ল কিন্তু তাক কোনেও লগ নিদিয়া হ'ল। সেয়ে সি সিহঁতৰ ভঙা পজাটোৰ ভিতৰতেই দিন-ৰাতি পাৰ কৰিবলৈ ধৰিলে। বাহিৰৰ পৰিৱেশৰ লগত তাৰ কোনো সম্পৰ্কই নথকা হ'ল। শিক্ষিত তথা শিক্ষাৰ মানদণ্ড ৰখা ব্যক্তি বিজয় শৰ্মাই তেওঁৰ নিজ পুত্ৰ ৰাজু শৰ্মাকো নানা কষ্টৰ মাজেৰে মেট্ৰিকৰ দুৱাৰ দলিলৈ লৈ গৈছিল আৰু সেই অনুসাৰে ৰাজুৱেও পিতৃ-মাতৃ আৰু স্কুলৰ মান ৰাখি সুখ্যাতিৰে মেট্ৰিক পাছ কৰিলে। বছৰৰ পিছত বছৰ পাৰ হৈছিল সঁচা কিন্তু বিজয় শৰ্মাৰ দুখৰ অন্ত নপৰিল। মেট্ৰিক পাছ কৰি দুবছৰ অনাই-বনাই পাৰ কৰি শেষত ৰাজুৱে আজি জীৱনৰ বাট বিচাৰি গভীৰ অৰণ্যৰ মাজত গছৰ তলত দিন-ৰাতি পাৰ কৰিছে। ঘৰৰ পৰা ওলাই যাবৰ আজি ছমাহমান হ'ল কিন্তু সি এবাৰো মাক-দেউতাকৰ খবৰ লোৱা নাই। ৰাজুৱে কি কৰিছে ক'ত আছেগৈ এনেদৰেই ভাবি থাকোতেই এদিন সি মাজৰাতি আহি ওলালহি। কিন্তু অলপ সময় থাকিয়েই সি গুচি গ'ল আকৌ আহিম বুলি কৈ। গাঁৱৰ মানুহৰ মুখত নানান কথা ওলাব ধৰিলে। তাৰ লগে লগে পুলিচেও আহি বাপেক-মায়েকক সোধ-পোছ কৰিবলৈ ধৰিলে। আকৌ কেতিয়াবা ৰাতি গৈ নানা অত্যাচাৰো কৰিবলৈ ধৰিলে। এনেবোৰ কাণ্ড দেখি শুনি আকৌ এদিন ৰাজুৱে শেষবাৰৰ বাবে মাক-দেউতাকক লগ কৰিবলৈ আহিছিল, কিন্তু পুলিচৰ চকুত ধৰা পৰি ৰাজুৱে আত্মৰক্ষাৰ বাবে দৌৰিবলৈ ধৰিলে। আগত ৰাজু আৰু পিছে পিছে পুলিচৰ দলটি। শেষত দৌৰি দৌৰি ৰাজু ভাগৰি পৰিল আৰু সকলো ভগৱানৰ হাতত এৰি দিলে। তাৰ কিছু সময় পিছত মাক-দেউতাকৰ ওচৰলৈ ঘূৰি আহিল (চিন স্বৰূপে সদায় ৰাজুৰ লগত থকা) দেউতাকে দিয়া ৰূপৰ আঙুঠিটো আৰু মাক-দেউতাকক লগ কৰিবলৈ পিন্ধি অহা পোচাকযোৰ। বছৰৰ পিছত বছৰ পাৰ হ'ল যদিও ৰাজু ঘূৰি নাহিল। কিন্তু আলিবাটৰ জোতাৰ দপদপনি শুনিলে আজিও বিজয় শৰ্মা আৰু পত্নীয়ে চিঞৰি চিঞৰি সোধে— 'হেৰৌ মোৰ সোনাইক ক'ত এৰি আহিলি, সি কেনে আছে, সি কেতিয়াকৈ আহিব? তাক আমি বহুত দিন দেখা নাই, তাক লগত পাবলৈ বৰ মন গৈছে'।

এইহাল পিতৃ-মাতৃয়ে সময়ৰ এনে দুৰ্বাৰ গতিত বছৰৰ পিছত বছৰ ধৰি দুখ যন্ত্ৰণাৰে ভৰা দিন ৰাতিবোৰ পাৰ কৰি আহিছে।

***

সঁচাকৈয়ে মূৰৰ বিকৃতি ঘটা নাইটো। নে তই তহঁত সকলোৰে চকুৰ আগত মোক সৰু কৰি দিব বিচাৰিছ। এনেদৰে নিকিৰ ওচৰৰ পৰা আঁতৰি যোৱাৰ অধিকাৰ তই ক'ত পালি।"

"অ ৰাহুল অ' মই নিকিৰ ওচৰৰ পৰা আঁতৰি যোৱাৰ অধিকাৰ পালো। আৰু সেই অধিকাৰ দিছে মোক মোৰ জীৱনে। তই সকলো জানিও কিয় নজনাৰ ভাও ধৰিছ ৰাহুল। মোৰ হাতত আৰু মাথো ছমাহৰ সময় আছে আৰু এই ছমাহৰ ভিতৰতে মই তহঁত দুটাৰ বিয়াখন হৈ যোৱাটো বিচাৰো। কাৰণ মই যোৱাৰ পিছত নিকি অকলশৰীয়া হোৱাটো মই নিবিচাৰো। আৰু মই জানো যে মোৰ বাহিৰে একমাত্ৰ তইয়ে নিকিক সুখী কৰিব পাৰিবি। আৰু বন্ধু তই জানো মোৰ এই অন্তিম ইচ্ছা কণ পুৰণ নকৰ।"

ইমান পৰে বোবাৰ দৰে থিয় হৈ থকা নিকিয়ে এইবোৰ কথাৰ একো অৰ্থই বিচাৰি পোৱা নাছিল।" ৰাজ, ৰাহুল তোমালোকে এইবোৰ কি কৈছা। ৰাজ তুমি কি সময় নোহোৱাৰ কথা কৈছা আৰু এইবোৰ..........। ৰাজ তুমি আচলতে মোৰ পৰা কি লুকুৱাইছা।" নিকিয়ে ৰাজৰ চাৰ্টটো খামুচি ধৰি উচুপি উঠিল।

"নিকি মই এতিয়া এজন AIDS ৰ দ্বাৰা আক্ৰান্ত ৰোগী। মোৰ বাছি থকাৰ সময় এতিয়া আৰু মাথো ছমাহ; লাষ্ট ষ্টেজ।" "ন', নেভাৰ, এয়া মিছা বুলি কোৱা ৰাজ; এয়া মিছা বুলি কোৱা।" নিকিৰ দুচকুৱে বৰষাৰ ঢলৰ দৰে চকুপানীৰ ঢল বৈ গৈছিল।

ৰাজে যোৰ কৰিয়ে নিকি আৰু ৰাহুলক তাৰ ওচৰৰ পৰা আঁতৰাই পঠিয়ালে। জীৱনৰ সৰ্বোচ্চ হেৰুৱাই সি যেন এতিয়া অতিশয় ভাগৰুৱা...........।

***

**(মহাবিদ্যালয় সপ্তাহ উপলক্ষে থিতাতে লিখা গল্প প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ প্ৰাপ্ত)**

## কৌতুক

*পূৰবী বড়া*
*স্নাতক প্ৰথমবৰ্ষ*

**ভদ্ৰলোক ঃ** ভাইটি, উত্তৰ গুৱাহাটী কলেজখন কোন খিনিত?
**ল'ৰা ঃ** আমাৰ ঘৰৰ ওচৰত।
**ভদ্ৰলোক ঃ** তোমালোকৰ ঘৰ কোনখিনিত?
**ল'ৰা ঃ** কিয়, উত্তৰ গুৱাহাটী কলেজৰ কাষত

**শিক্ষক ঃ** কোৱাচোন, 'গজেনে পৰীক্ষাত আনৰ বহী চাই লিখে।' এই বাক্যটোত কৰ্ম কোনটো?
**ছাত্ৰ ঃ** গোটেই বাক্যটোৱেই 'কুকৰ্ম' ছাৰ।

*****

**হোজা মানুহ ঃ** (চিনেমা হলৰ টিকট কাউন্টাৰত) চাওঁ, মোক আৰু এটা টিকট দিয়কচোন।
**কাউণ্টাৰ ক্লাৰ্ক ঃ** এইটোৰে সৈতে তিনিটা টিকট কিনিলে যে?
**হোজা মানুহজন ঃ** এ নক'ব আৰু হলৰ দুৱাৰ মুখতে পাগল এটা বহি আছে; ভিতৰলৈ সোমাবলৈ ল'লেই মোৰ টিকটটো ফালি ফালি পেলাই। এইবাৰ ফালকচোন তাক.............।

* উদ্দেশ্য যদি মহৎ হয়, কৰ্তব্যত যদি শিথিলতা নাথাকে, ব্যৰ্থতা কেতিয়াও আহিব নোৱাৰে। - *ৰবীন্দ্ৰনাথ ঠাকুৰ*

* কেৱল খায় লৈ জীয়াই থকাটোৱেই জীৱন নহয়, জ্ঞান আহৰণ কৰি মানসিক শক্তিৰ বিকাশ ঘটাব লাগে। - *চক্ৰেটিছ*





# এটা দুঃস্বপ্ন

*ৰিমঝিম গোস্বামী*
*স্নাতক প্ৰথম বৰ্ষ*

ৰাতুলে ধৈৰ্য্য হেৰুৱাই পেলালে। সি চিঞৰি উঠিল, "মই আৰু সহ্য কৰিব নোৱাৰিম।"

ৰাতুল। ৰাতুল দাস। তাৰ ঘৰ এখন ভিতৰুৱা গাঁৱত। য'ত আধুনিক সমাজৰ পৰশ বৰ্তমানলৈ পৰা নাই। সি ঘৰৰ ডাঙৰ ল'ৰা। তাৰ তলত দুজনী ভনীয়েক। সকলোৰে মৰমৰ, ৰাতুলৰ ঘৰত মতা নাম মুনু। নামটো যেনেকৈ মৰম লগা ল'ৰাটোও ঠিক তেনেকুৱাই। মাক-দেউতাকৰ একমাত্ৰ ল'ৰা যদিও, সি আন ল'ৰাৰ দৰে অবাধ্য নহয়। সি নিজৰ মাক-দেউতাকক সহায় সন্মান কৰি চলে, তেওঁলোকে যি কয়, যি উপদেশ দিয়ে সি তাকে শৰোগত কৰি পালন কৰে। সি ইয়াকো জানে যে সি যিহেতু ঘৰৰ ডাঙৰ, সি যি পথে পৰিচালিত হ'ব, তাৰ ভনীয়েক কেইজনীও সেই বাটেই যাব। সেয়েহে সি সদায় পঢ়া-শুনাত মন দিয়ে, আন বাহিৰা কথাত মূৰ নঘমাই, সকলোৱে ভাল পোৱা কাম কৰে। বিশেষকৈ তাৰ অন্তৰাত্মাই বাধা দিয়া কাম সি কেতিয়াও নকৰে। এই সকলোবোৰ সৎ গুণৰ বাবেই ৰাতুল অকল ঘৰখনৰে প্ৰিয়পাত্ৰ নহয়, তাৰ বিদ্যালয়ৰ লগতে সি গোটেই গাঁৱৰে নয়নৰ মণি।

সিহঁতৰ পেহীয়েক এগৰাকী গুৱাহাটীত থাকে। সেইসূত্ৰে ৰাতুলৰো মহানগৰীখন চোৱাৰ এক দুৰ্বাহ হেপাহ মনত সৰুৰে পৰা আছে। কিন্তু কোনো কাৰণবশত সেইটো সম্ভৱ হৈ উঠা নাই। কিন্তু এইবাৰ যেন সেই সুযোগটো ৰাতুলে পায় গ'ল। পেহীয়েকৰ ল'ৰা বিকিয়ে এইবাৰ মাঘ বিহু গুৱাহাটীত দেখুৱাব বুলি তাক জোৰকৈ লগত লৈ যাবলৈ ওলাল। সিয়ো বৰ আনন্দ পালে আৰু ভনীয়েকহঁতক তাৰ মনৰ কথা ক'লে, লগতে ক'লে সি তাৰ অনুভৱৰ কথা ডায়েৰীত লিখি ৰাখিব। বুকুত বহু আনন্দ লৈ সি বিকিৰ লগত গুৱাহাটীলৈ যাত্ৰা কৰিলে। সি বাছৰ পৰা নমাৰ লগে লগে এক উৎকত গোন্ধই তাৰ নাক কোচ খুৱাই নিলে। তেতিয়া তাৰ সিহঁতৰ ঘৰৰ চুৱা পেলোৱা ঠাইখনলৈ মনত পৰিল। সি ভাবিলে ইমান ডাঙৰ মহানগৰীখনৰ এয়া কি ৰূপ? তাৰ পাছত সি, অটো এখনত উঠি পেহীয়েকৰ ঘৰ পালেহি। পেহীয়েকে তাক আদৰ-সাদৰ কৰি জলপান খাবলৈ দিলে আৰু ক'লে আজি বিকিহঁতে লগৰ ল'ৰাৰ লগত খানা খাব, সিওঁ খাবনে নাই সুধিলে। বিকি যিহেতু ৰাতুলৰ সমবয়সীয়াই সেয়েহে সিও মান্তি হ'ল। সি দিনটো টি ভি চালে। সি আচৰিত হ'ল বিকিৰ চিন্তা ভাৱনাবোৰক লৈ। কাৰণ টিভিত ৰাতুলে বিকিক যিবোৰ অনুষ্ঠান দেখুৱালে সেইবোৰ দেখি তাৰ মূৰটো আচন্দ্ৰাই কৰি উঠিল।

গধূলি সময়ত বিকিয়ে তাক লগ ধৰিলে বজাৰলৈ। লগত আৰু দুটামান ল'ৰা। সি সিহঁতৰ লগত বজাৰ কৰোতে এক সংকোচ ভাৱে তাক আগুৰি ধৰিলেহি। ৰাতি সি সিহঁতৰ লগত খানা খাবলৈ নিৰ্দিষ্ট ঠাইত গৈ উপস্থিত হ'ল। ঠাই ডোখৰৰ ৰেহৰূপ দেখিয়েই তাৰ মনটো কোচ খায় গ'ল। তাত উপস্থিত সকলো ল'ৰা-ছোৱালীকে যেন আধুনিকতাই মহতিয়াই পেলোৱাৰ উপক্ৰম কৰিছে তাৰ এনে অনুভৱ হ'ল। সি দেখিলে তাত উপস্থিত গাভৰুবোৰক যেন হাৰ কপোৱা জাৰে চুবই পৰা নাই। তাৰ নিজৰে লাজ লাগি গ'ল। ঘৰত থকা তাৰ অবুজ ভনীয়েকহঁতলৈ মনত পৰিল। সি ভগৱানক ধন্যবাদ জনালে, যে ভনীয়েকহঁতক সি লগত নানিলে। অলপ পৰৰ পাছতে আৰম্ভ হ'ল মদ-মাংসৰ ভোজন পৰ্ব। সি দেখি তবধ মানিলে। ইয়াত কি বিহুত এইবোৰ খোৱা হয়। তাৰ মনত আছে - এদিনে খুৰাকে মদ খাই আহোতে বাপেক আৰু দুজনমানে লগ হৈ ভালকৈ মৰিওৱা কথাটো আৰু সেইদিন ধৰি খুৰাকে মদ খোৱা নাই। কিন্তু এতিয়াচোন বিকিয়ে গিলাচে গিলাচে মদ গিলি গৈ আছে কোনো সংকোচ নাই। তাকো খাবলৈ কোৱাত সি নাখাও বুলি কওঁতে তাক দুজনমানে গাঁৱলীয়া ভূত বুলি হাঁহিবলৈ ধৰিলে। তাৰ অস্বস্তি লাগিবলৈ ধৰিলে। অলপ পৰৰ পাছতে আৰম্ভ হ'ল ডেকা-গাভৰুৰ পাশ্চাত্য সুৰৰ লগত সুৰ মিলাই নচাৰ পৰ্ব। কাণ তাল মৰা শব্দত সেইবোৰক তাৰ ভূত-পিশাচৰ নৃত্য যেনহে লাগিল। তাৰ গাঁৱৰ সৰল মানুহ খিনিলৈ মনত পৰিল। বিহু বুলিলে গাঁৱত কি এক পৱিত্ৰ উৎসৱ আৰু ইয়াত দেখোন নৰকৰ দৰে কাৰ্য। সি ভাবি থাকোতেই তাক বিকিয়ে নি জোৰকৈ মদ

খুৱাই দিয়ে। সি কি ঘটিল ধৰিবকে নোৱাৰিলে। এজনে তাকো উচ্ছল নৃত্যলৈ টানি লৈ গ'ল। সেই সময়ত তাৰ নিজৰ অন্তৰাত্মাই হাহাকাৰ কৰি উঠিল আৰু সি ধৈৰ্য্যৰ বান্ধ হেৰুৱাই পেলাই চিঞৰি উঠিল, "মই আৰু সহ্য কৰিব নোৱাৰিম।" লগে লগে সি তাৰ পৰা গুছি আহিল আৰু পেহীয়েকৰ ঘৰত শুই থাকিল। পিছদিনা ৰাতিপুৱাতে সি এটা দুখ ভৰা মন লৈ ঘৰলৈ উভতি আহিল।

ৰাতুল গুৱাহাটীৰ পৰা উভতি অহা কাৰণে তাৰ ভনীয়েকহঁতে নানান কৌতুহল পূৰ্ণ প্ৰশ্ন কৰিলে। কিন্তু সি মাথো ক'লে, সি সেই সকলোবোৰ এক দুঃস্বপ্নৰ দৰে পাহৰি গৈছে। সিহঁতে একো বুজিব নোৱাৰিলে। সি মাক-দেউতাকক গৈ সেৱা কৰিলে আৰু মনত এক প্ৰতিজ্ঞা কৰি পেলালে।

মাকহঁতে একো বুজি নাপালে। কিন্তু ভাবিলে পুতেকে যি কৰিছে নিশ্চয় ভালেই কৰিছে।

***

(মহাবিদ্যালয় সপ্তাহ উপলক্ষে থিতাতে লিখা গল্প প্ৰতিযোগিতাত দ্বিতীয়পুৰস্কাৰ প্ৰাপ্ত)

## কৌতুক

ঃ বিয়াঘৰৰ ৰভা তলত এটা ল'ৰাই খুউব হাঁচিয়াই শেঙুণবোৰ হাতেৰে মচি থকাত ওচৰত বহা ভদ্ৰলোকজনে সুধিলে - 'শেঙুণবোৰ মচিবলৈ তোমাৰ ৰুমাল নাই নেকি?

ঃ আছে, কিন্তু মায়ে লেতেৰা কৰিবলৈ মানা কৰিছে।

*****

প্ৰথম মদাহী ঃ ঐ তই আৰু মদ নাখাবি।

দ্বিতীয় মদাহী ঃ কিয়

প্ৰথম মদাহী ঃ তই মানুহটো ক্ৰমান্বয়ে নেদেখা হৈ গৈ আছ, তোৰ যে নিচা ধৰিছে মই জানিছোঁ।

*****

প্ৰেমিকাক উদ্দেশ্যি ইংৰাজী ভালকৈ নজনা প্ৰেমিক ঃ আই লাভ ইউ

প্ৰেমিকা ঃ আই লাভ ইউ টু

প্ৰেমিক ঃ আই লাভ ইউ থ্ৰী।

*****

শিক্ষক ঃ কিমান লাজৰ কথা, তুমি ইমানবেতৰ কোব খাইও যে হাঁহি আছা!

ছাত্ৰ ঃ ছাৰ, আপুনিয়েইতো শিকাইছিল, যে যিকোনো বিপদ মানুহে বোলে হাঁহি হাঁহি হেলাৰঙে পাৰ কৰিব লাগে। সেই কাৰণেই..........।

******

গ্ৰাহক ঃ (ওৱেটাৰজনক উদ্দেশ্যি) হেৰা, মই আলু-পৰঠাৰ অৰ্ডাৰ দিছিলোঁ। কিন্তু ইয়াত দেখোন আলুৰ চিন-চাব একো নাই।

ওৱেটাৰ ঃ নামটো হ'লেই যে সকলো বস্তু থাকিব তাৰ কি মানে আছে। 'কাশ্মীৰী-বিৰিয়ানী' বিচাৰি আপোনাক আমি কাশ্মীৰখনকে আনি দিবহি পাৰিম বুলি ভাবিছে নেকি?

ঃ ভণ্টি তোমাৰ নামটো কি?

ঃ মাজনী

ঃ নহয় নহয় স্কুলৰ নামটো কি?

ঃ উত্তৰ গুৱাহাটী বালিকা বিদ্যালয়।

*পূৰবী বড়া*
*স্নাতক প্ৰথম বৰ্ষ*





# দুখ

*মৌচুমী বৰুৱা*
*স্নাতক প্ৰথম বৰ্ষ*

ৰাতুলে ধৈৰ্য হেৰুৱাই পেলালে। সি চিঞৰি উঠিল, "দেউতা, এতিয়া আমি কাক লৈ জীয়াই থাকিম?" ৰাতুল আছিল এজন খেতিয়কৰ ল'ৰা। দেউতাকে খেতি কৰি যি অলপ উপাৰ্জন কৰিছিল তাৰেই গোটেই পৰিয়ালটো দুবেলা-দুমুঠি লঘোণ নপৰাকৈ খাই আছিল। পৰিয়াল বুলিবলৈ মাত্ৰ চাৰিটা মানুহ - মাক-দেউতাক, সি আৰু তাৰ কণমাণি ভনীয়েক। যথাসময়ত ৰাতুলে প্ৰৱেশিকা পৰীক্ষা পাছ কৰি উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষত নামভৰ্ত্তি কৰিছে। ভনীয়েক তাতকৈ প্ৰায় ৮-৯ বছৰ মান সৰু হ'ব। ভনীয়েকে মণ্টেচৰী স্কুলতে পঢ়ি আছে। পৰিয়ালটো দুখীয়া হ'লেও সুখেৰে চলি আছিল। কিন্তু বিধিৰ বিধানকনো কোনে এৰুৱাব পাৰে। এনেদৰে চলি থাকোতে এদিন মাক জণ্ডিচ বেমাৰত আক্ৰান্ত হ'ল। উপযুক্ত চিকিৎসা আৰু ঔষধ-পাতিৰ অভাৱত বেমাৰত দিনক-দিনে কমাতকৈ বাঢ়িবলৈহে ধৰিলে আৰু এনেদৰে চাওঁতে চাওঁতে হঠাৎ এদিন সকলোকে এৰি থৈ ৰাতুলৰ মাকে মৃত্যুবৰণ কৰিলে। মাকৰ এনে আকস্মিক মৃত্যুত সিহঁতৰ পানীত হাঁহ-নচৰা অৱস্থা হ'ল। ল'ৰা-ছোৱালী কেইটাৰ এনে দুখলগা অৱস্থা দেখি দেউতাকে সিহঁতক মাকৰ অভাৱ অনুভৱ কৰিব নোৱাৰিবৰ বাবে দ্বিতীয় বিবাহ কৰিলে। পিছে দেউতাকৰ দ্বিতীয় পত্নী অৰ্থাৎ মাহীমাকে ৰাতুল আৰু তাৰ ভনীয়েকক অকণো মৰম আদৰ নকৰি নানা অত্যাচাৰহে কৰিবলৈ ধৰিলে। কেৱল অনবৰতে দুয়োটাকে গালি-শপনি পাৰে আৰু ৰাতুলক কলেজলৈ যাব নিদি ঘৰতে বিভিন্ন কাম-কাজত লগাইছিল। কিন্তু দেউতাকে আগৰ দৰেই দুয়োটাকে মৰম-আদৰ কৰিছিল আৰু মাহীমাকে দুয়োটাকে বেয়া-ব্যৱহাৰ কৰিলে গালি-শপনি পাৰিছিল। তথাপি দেউতাক খেতিৰ কামত যোৱাৰ সুযোগতে মাহীমাকে ল'ৰা-ছোৱালী দুটাৰ ওপৰত নানা অত্যাচাৰ কৰিবলৈ ধৰিলে। দেউতাকৰ মৰম-আদৰ পোৱাৰ লগে লগে ল'ৰা-ছোৱালী দুটাই মাহীমাকে কৰা সকলো অসৎ ব্যৱহাৰ আৰু অত্যাচাৰৰ কথা পাহৰি পেলাইছিল। দেউতাকৰ পৰা মাক-দেউতাক দুয়োৰে মৰম পোৱাৰ কাৰণে মাহীমাকে কৰা সকলো ব্যৱহাৰ তেওঁলোকে সহ্য কৰি আছিল। এনেতে হঠাৎ এদিন দেউতাকৰ মটৰ দুৰ্ঘটনাত আকস্মিক মৃত্যু ঘটিল। দেউতাকৰ মৃত্যুত দুয়োৰে আশাৰ চাকিটো নুমাই গ'ল।

***

## মহৎলোকৰ বাণী

* তুমি হাঁহিলে পৃথিৱীয়ে হাঁহিব; কান্দিলে অকলে কান্দিব লাগিব।

- সত্যেন বৰকটকী

* মানুহৰ যিবোৰ অনুভূতি প্ৰকাশ কৰা অসম্ভৱ সেইবোৰক সামান্যভাৱে হ'লেও প্ৰকাশ কৰিব পাৰে মাত্ৰ দুটা বস্তুৱে - প্ৰথমটো হ'ল - নীৰৱতা, দ্বিতীয়টো হ'ল সংগীত।

- অল্ডছ হাক্সলি

* মোৰ মমবাতিডালৰ দুয়োটা মূৰ জ্বলিব ধৰিছে। হয়তো গোটেই ৰাতি জ্বলি নাথাকিব। কিন্তু হেৰা, মোৰ বন্ধুসকল আৰু মোৰ শত্ৰুসকল - চোৱাচোন চোৱা, ই কেনে উজ্জ্বল পোহৰ দিব ধৰিছে।

- ছেইণ্ট ভিনচেণ্ট এড্‌না মিলে

* তেৱেঁই মহান কবি যিজনে প্ৰতিটো শব্দৰ মাজেৰে তেজ নিগৰাব পাৰে।

- ৱাল্ট হুইটমেন

*সংগ্ৰাহক -*
*বিন্টি শইকীয়া, স্নাতক দ্বিতীয় বৰ্ষ*

# কাৰাবন্দী ৰাতুল

*সুদেষ্ণা চৌধুৰী*
*স্নাতক তৃতীয় বৰ্ষ*

"ৰাতুলে ধৈৰ্য্য হেৰুৱাই পেলালে। সি চিঞৰি উঠিল," সন্ধিয়া তেতিয়া প্ৰায় পাঁচ বাজিছিল। চাপৰিৰ পৰা গৰুবোৰে আলিবাটৰ ধূলি উৰুৱাই নিজ নিজ গৃহস্থৰ ঘৰলৈ গতি লৈছিল। পৰিভ্ৰমী চৰায়েও জানিছিল এতিয়া সিহঁতৰ নিজৰ বাঁহলৈ উভটি যোৱা সময়। কিন্তু তথাপিও ৰাতুল ঘৰলৈ উভটি নহাত বোবা আৰু কণা বায়েক মৰমীয়ে তাক বিচাৰি বাটকুৰি বাব লাগিছে।

নিচেই দৰিদ্ৰ আৰু সৰু পৰিয়াল ৰাতুলহঁতৰ। মাতৃহাৰা ৰাতুল তাৰ কণা আৰু বোবা বায়েক মৰমী আৰু কোনোমতেদিন হাজিৰা কৰি সিহঁতক পোহপাল দিয়া দেউতাক। সিদিনা সন্ধিয়া বহু সময়লৈকে কণমানি ৰাতুল গাঁৱৰে ল'ৰাহঁতৰ লগত খেলিবলৈ ঘৰলৈ উভটি নহাত বায়েকে নিজৰ কাম সমূলি সামৰি ভগৱানক চিন্তি ঘৰৰ পদূলিত ৰৈ আছিল। দেউতাক ঘৰলৈ অহাত সদায়ে পলম হয় কিন্তু সিদিনা ৰাতুলো ইমান দেৰিলৈকে ঘৰলৈ নহাত তাই বৰ চিন্তিত হ'ল। তাই পাৰেমানে গাঁৱৰ যিজন মানুহেই তাইৰ আগেৰে পাৰ হৈ গৈছে সকলোকে 'ৰাতুল নেকি অ' বুলি প্ৰশ্ন কৰিছে। কোনোৱে যেতিয়া তাইক ৰাতুলৰ কথা সোধে সি ঘৰলৈ উভটি নহাৰ কথা কৈ তাক দেখিলে ঘৰলৈ সোনকালে আহিবলৈ বুলি কৈ পঠিয়াই দিয়ে।

এনেদৰে তাই বহু সময় পদূলিতে ঠিয় হৈ থাকিল। লাহে লাহে অন্ধকাৰ নামি আহিল। কিন্তু কণমানি ৰাতুল ঘৰলৈ ওভতাই নাই। সি চাগৈ তাৰ লগৰীয়াৰ লগতেই ব্যস্ত। দেউতাক আহি পাবলৈও আছে এতিয়া বহু সময়। উপায়হীন হৈ মৰমীয়ে ঘৰৰ আগচোতালতে বহি আছে। এনেতে সেই কুসংস্কাৰী দৰিদ্ৰনাশী মহাজন আহি সিহঁতৰ চোতালত ভৰি দিলে। প্ৰথমে সি তাইৰ কাষতে বহি ঘৰৰ দেউতাক আৰু ভায়েকৰ খবৰ ল'লে; পিছত সিহঁত দুয়ো নথকা বুলি গম পাই সি নিজৰ চল চক্ৰান্তৰে দুৰ্ভগীয়া মৰমীক ঘৰৰ ভিতৰলৈ নি নিজৰ পাশৱিক অত্যাচাৰ আৰম্ভ কৰি তাইৰ ওপৰত নিৰ্যাতন চলাবলৈ আৰম্ভ কৰিলে। গাঁৱলীয়া পৰিৱেশ, সন্ধিয়াৰ সময়, সেয়েহে গাঁৱৰ সকলো পুৰুষ-মহিলাই নিজৰ কাম আঁজৰি কৰি ঘৰ সোমাল। দুৰ্ভগীয়া মৰমীয়ে আপ্ৰাণ চেষ্টাৰে চিঞৰি উঠিল কিন্তু কোনোৱে তাইৰ কণ্ঠস্বৰ নুশুনিলে। এনেতে ৰাতুলে হাতমুখ ধুই ঘৰৰ ভিতৰত সোমাই মহাজনক বায়েক মৰমীৰ ওপৰত কৰা অত্যাচাৰ দেখি ধৈৰ্য্য হেৰুৱাই পেলালে আৰু ঘৰৰ ভিতৰত এটি চুকত দেউতাকে কাম কৰিবলৈ বুলি চোকা কৰি ৰখা কুঠাৰখনি আনি এটি প্ৰচণ্ড চিঞৰেৰে মহাজনক প্ৰহাৰ কৰিলে। থিতাতে মহাজন ঢলি পৰিল। নিয়তিয়ে কৰা এনে অত্যাচাৰৰ বলি হৈ ৰাতুল আছে এতিয়াও কাৰাবাসী হৈ।

***

## কৌতুক

গুৰুৱে শিষ্যৰ মুখত মদৰ গোন্ধ পাই মদ খোৱাৰ বদ অভ্যাস এৰিবলৈ উপদেশ দি কৈছে ঃ মদ খোৱা বদ অভ্যাস, মদ মানুহৰ শত্ৰু বুইছা।

শিষ্যই গুৰু কথা শুনি নম্ৰভাবে ক'লে

ঃ গুৰুদেৱ, আপুনিয়েইটো উপদেশ দিছিল যে, আমি আমাৰ শত্ৰুকো ভাল পাব লাগে।

*পূৰবী বড়া, স্নাতক প্ৰথম বৰ্ষ*

* মোৰ ছজন বিশ্বস্ত লগুৱা আছে; মই আটাইখিনি কথা সিহঁতৰ পৰাই শিকিছো। মোৰ লগুৱাকেইজনৰ নাম কেইটা হ'ল -

কি, কিয়, কেতিয়া, কেনেকৈ, ক'ত আৰু কোন।

*- ৰুডিয়াড কিপ্‌লিং*

*সংগ্ৰাহক -*
*বিণ্টি শইকীয়া, স্নাতক দ্বিতীয় বৰ্ষ*





# ৰচনাশিতান

# মহাবিদ্যালয়ৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ কৰ্তব্য

হিৰুমণি পাঠক
দ্বাদশ শ্ৰেণী

"ছাত্ৰানাং অধ্যয়নং তপঃ।"

মানৱ শিশুৰ অন্তৰত নিহিত হৈ থকা স্বাভাৱিক প্ৰবৃত্তি আৰু প্ৰতিভাক সুস্থ আৰু সুপৰিকল্পিতভাৱে বিকাশৰ পথ নিৰ্দেশ কৰি সৰ্বাঙ্গ সুন্দৰ জীৱন গঢ়িবলৈ প্ৰয়াস কৰা সময়ছোৱাই হৈছে ছাত্ৰ জীৱন। সংসাৰখন এখন বিচিত্ৰ যুদ্ধক্ষেত্ৰ। আমি মানুহবোৰ সেই যুদ্ধক্ষেত্ৰৰে একো একোজন সৈনিক। গতিকে জীৱন যুদ্ধৰ এই ৰণত সফলতা লাভ কৰিবলৈ হ'লে আমি সু-শিক্ষাৰে শিক্ষিত হ'বই লাগিব কিন্তু এই অধ্যয়ণ প্ৰণালী আগবঢ়াই নিবলৈ হ'লে আমি অনানুষ্ঠানিক শিক্ষাৰ লগতে কিছু পৰিমাণে হ'লেও আনুষ্ঠানিক শিক্ষা ল'বই লাগিব। আৰু এই আনুষ্ঠানিক শিক্ষা ল'বলৈ হ'লে আমি স্কুল, কলেজ, বিশ্ববিদ্যালয় আদি প্ৰতিষ্ঠানসমূহৰ লগত ওতঃ প্ৰোতঃ ভাৱে জড়িত হৈ থাকিব লাগিব। গতিকে ছাত্ৰ-ছাত্ৰী হিচাপে আমি যিটো প্ৰতিষ্ঠানত শিক্ষা গ্ৰহণ কৰি থাকো; যিটো প্ৰতিষ্ঠানৰ পৰা জ্ঞানৰ ভাণ্ডাৰ আহৰণ কৰিয়েই আমি সমাজত একো একোজন শিক্ষিত বিদ্যান লোক হিচাপে প্ৰতিস্থিত হওঁ সেই প্ৰতিষ্ঠানটোৰ প্ৰতি কিছুমান কৰ্ত্তব্য পালন কৰিব লাগিব।

আমি এতিয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী হিচাপে নিজৰ মহাবিদ্যালয়খনৰ প্ৰতি কিছুমান কৰ্তব্য অতি সুচাৰুৰূপে পালন কৰিব লাগিব।

পোন প্ৰথমেই আমি আমাৰ মহাবিদ্যালয়খনৰ চাৰিওফালৰ পাৰিপাৰ্শ্বিক পৰিৱেশ তথা শৈক্ষিক পৰিৱেশটোৰ প্ৰতি গুৰুত্ব প্ৰদান কৰিব লাগিব। আমাৰ মহাবিদ্যালয়ৰ চৌপাশ যাতে সম্পূৰ্ণ চাফ-চিকুণ হয় তাৰ ওপৰত গুৰুত্বদিব লাগিব। মহাবিদ্যালয়ৰ চৌহদত নানা ধৰণৰ গছ-গছনি তথা ফুল, ফল আদি ৰুই মহাবিদ্যালয়ৰ চৌহদ সৌন্দৰ্যময় কৰি তুলিব লাগিব। ইয়াৰ উপৰিও ছাত্ৰ-ছাত্ৰী হিচাপে আমি আমাৰ মহাবিদ্যালয়খনৰ পৰা যিমানখিনি পাৰি সিমানখিনি শিক্ষা আয়ত্ব কৰি ল'ব লাগে আৰু সকলো ছাত্ৰ-ছাত্ৰীকে শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত সচেতন কৰি তুলিব লাগে।

ছাত্ৰ-ছাত্ৰীসকলৰ অধ্যয়ন বিমুখিতা আজি এক সাধাৰণ অভ্যাসলৈ পৰিবৰ্ত্তিত হৈছে। বৃহত্তৰ সমাজখনত বিভিন্ন ক্ষেত্ৰত কঠিন প্ৰতিযোগিতাৰ সন্মুখীন হ'ব লাগিব বুলি জানিও একাংশ ছাত্ৰ-ছাত্ৰীয়ে নিজৰ নিয়মীয়া অধ্যয়নৰ প্ৰতি আওকাণ কৰে। ফলস্বৰূপে উপযুক্ত শৈক্ষিক জ্ঞান আহৰণ কৰাৰ পৰা বঞ্চিত হয়। ফলত এনে কিছুমান ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত অসৎ উপায়ৰ আশ্ৰয় লয়। কোৱা বাহুল্য যে পৰীক্ষাত অসৎ উপায় অৱলম্বনৰ ঘটনা ছাত্ৰসমাজৰ এক ডাঙৰ কলঙ্ক। কিন্তু এক শ্ৰেণীৰ ছাত্ৰই যেন এই কলঙ্কৰ বোজা লৈ ফুৰিবলৈ ভাল পায়। অসৎ উপায় অৱলম্বন কৰাৰ বাবে আইন সঙ্গতভাৱে তেওঁলোকক সতৰ্ক কৰি দিলে অথবা শাস্তি প্ৰদান কৰিলে তেওঁলোকে সতৰ্ক কৰোঁতা বা শাস্তি প্ৰদান কৰোঁতা শিক্ষক-শিক্ষয়িত্ৰী সকলক অপমান তথা শাৰীৰিকভাৱে আঘাত কৰি.জঘন্যতম অপৰাধ কৰে। শৈক্ষিক জগতত ছাত্ৰ সমাজৰ এই জঘন্যতম অপৰাধৰ যাতে পুনৰাবৃত্তি হ'ব নোৱাৰে তাৰ বাবে আমি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে যৎপৰোনাস্তি চেষ্টা চলাব লাগে।

ইয়াৰ উপৰিও কলেজ আৰু বিশ্ববিদ্যালয়ত যোগদান কৰা কিছুমান নৱাগতৰ দৈনন্দিন জীৱন ইমানেই অসহনীয় কৰি তোলে যে তেওঁলোকে শিক্ষানুষ্ঠান ত্যাগ কৰিব লগীয়া অৱস্থা হয়। "ৰেগিং" বুলি জনাজাত এই বিৰক্তকৰণ কাৰ্যই প্ৰায় কুৎসিৎ আৰু অশ্লীল ৰূপ ধাৰণ কৰে। এনে অমানৱীয় তথা উশৃংখল পৰিৱেশ এটা যাতে শিক্ষানুষ্ঠানত গঢ়ি উঠিব নোৱাৰে তাৰ কাৰণে ছাত্ৰ-ছাত্ৰীসকলেই আগভাগ লব লাগিব। ইয়াৰ উপৰিও মহাবিদ্যালয়খনৰ কোনো ছাত্ৰ-ছাত্ৰীয়ে যাতে নিচাযুক্ত দ্ৰব্য সেৱনৰ প্ৰতি আসক্ত নহয় তাৰ প্ৰতিও আমি সকলোৱে চকু দিব লাগিব। মুঠৰ ওপৰত মহাবিদ্যালয় খনত যাতে ছাত্ৰ-ছাত্ৰী সকলে শৃংখলাবদ্ধ ভাৱে নিজৰ নিজৰ দায়িত্ব পালন কৰে তাৰ প্ৰতি সকলোবোৰ ছাত্ৰ-ছাত্ৰীয়েই সজাগ হ'ব লাগিব। বৰ্তমান মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী হিচাপে আমি মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা সকলোবোৰ প্ৰতিযোগিতা, সাংস্কৃতিক অনুষ্ঠান তথা সমাজসেৱামূলক সকলো কামতে যোগদান কৰিব লাগে। কাৰণ আজিকালি অকল পাঠ্যপুথিৰ গতানুগতিক শিক্ষাই প্ৰকৃত





জীৱন গঢ়াৰ পথত যথেষ্ট নহয়। আমি আমাৰ জীৱন সৰ্বাংগ সুন্দৰ কৰি গঢ়ি তুলিবলৈ হ'লে গতানুগতিক শিক্ষাৰ লগতে কিছুমান নৈতিক, কাৰিকৰী আদি শিক্ষাৰো প্ৰয়োজন হয়। কথিত আছে যে, "All work and no play makes Jack a dull boy." অৰ্থাৎ খেলা-ধূলা নকৰাকৈ বা অৱসৰ বিনোদনৰ প্ৰতি পিঠি দি কেৱল পঢ়া কিতাপতে মূৰ গুজি থাকিলে ছাত্ৰৰ বুদ্ধি-বৃত্তি ভোটা হয়। গতিকে আমি মহাবিদ্যালয়খনৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক, মানসিক, সামাজিক আদি কৰি সৰ্বপ্ৰকাৰ বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগিব। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী হিচাপে আমাৰ নিজৰ মহাবিদ্যালয়খন যাতে শিক্ষাৰ লগতে আন সকলোবোৰ বিষয়তে আনবোৰ মহাবিদ্যালয়ৰ লগত সমানে ফেৰ মাৰিব পাৰে তাৰ কাৰণে যত্নবান হ'ব লাগিব।

ছাত্ৰ-ছাত্ৰীসকলৰ সৰ্বাত্মক বিকাশৰ উদ্দেশ্য আগত ৰাখি বৰ্তমান শিক্ষানুষ্ঠানসমূহত খেল-ধেমালী, ব্যায়াম, সমাজসেৱা, সাংস্কৃতিক কাৰ্যসূচী, প্ৰমোদ ভ্ৰমণ, হাতৰ কাম, গৃহ-বিজ্ঞান আদি বিভিন্ন কাৰ্যসূচী সহ-পাঠ্যসূচীৰ অন্তৰ্ভুক্ত কৰা হৈছে। গতিকে মহাবিদ্যালয়খনৰ যিবোৰ ল'ৰা-ছোৱালী একো একোটা বিশেষ বিষয়ৰ প্ৰতি আগ্ৰহী বা পাৰদৰ্শী তেওঁলোকক সেইবোৰ বিষয়ৰ নানা ৰাষ্ট্ৰীয়, আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতা, প্ৰদৰ্শনী আদিত ভাগ ল'বলৈ মহাবিদ্যালয়খনৰ ছাত্ৰ একতা সভা তথা শিক্ষকসকলেও সহায় কৰিব লাগিব। ইয়াৰ উপৰিও মহাবিদ্যালয় এখনৰ প্ৰতি মহাবিদ্যালয়খনৰ ছাত্ৰ-একতা সভাৰ দায়বদ্ধতা সবাতোকৈ বেছি। কাৰণ মহাবিদ্যালয় এখনৰ প্ৰায় আটাইবোৰ কাৰ্যসূচী তথা নানা ধৰণৰ সমস্যাসমূহ ছাত্ৰ একতা সভাই বিশেষভাৱে পৰিচালনা কৰিব লাগে। মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন অভাৱ অভিযোগবোৰ ছাত্ৰ-একতা সভাৰ জৰিয়তেই অধ্যক্ষলৈ প্ৰেৰণ কৰিব লাগে। মহাবিদ্যালয় এখনত অনুষ্ঠিত হোৱা বিভিন্ন কাৰ্যসূচী যেনে ঃ নৱাগত আদৰণি সভা, ছাত্ৰ একতা সভাৰ নিৰ্বাচন, বাৰ্ষিক খেল-ধেমালী সপ্তাহ, সৰস্বতী পূজা, মহাবিদ্যালয়ৰ প্ৰতিস্থা দিৱস, আদি বিভিন্ন অনুষ্ঠানসমূহ ছাত্ৰ-একতা সভাৰ লগতে মহাবিদ্যালয়খনৰ সকলোবোৰ ল'ৰা-ছোৱালীয়েই শৃংখলাবদ্ধ ভাৱে আৰু সুচাৰুৰূপে পালন কৰাত সহায় সহযোগিতা আগবঢ়াব লাগে। ছাত্ৰ জীৱনৰ আটাইতকৈ মনোমোহা, ৰঙে-ৰসে উপচি পৰা, মধুৰ স্বপ্নালিৰ আৱেগেৰে ভৰপূৰ বৈচিত্ৰময় সময়ছোৱাই হৈছে কলেজীয়া জীৱন। মুক্ত আকাশৰ তলত, মুক্ত মন আৰু মুক্ত চিন্তা লৈ জীৱনৰ জ্যোতিৰ বাট পোহৰাই তোলাৰ প্ৰচেষ্টাত আগ বঢ়াৰ সুন্দৰ পৰিবেশ কলেজত বিৰাজমান। মহাবিদ্যালয়সমূহ হৈছে বিদ্যাৰ্থীৰ তীৰ্থক্ষেত্ৰ। ভৱিষ্যতৰ কৃতকাৰ্যতা পূৰ্ণ, সুন্দৰ জীৱন গঢ়াৰ কৰ্মশালা কলেজসমূহ, বিদ্যাৰ্থীসকলৰ সাধনাৰ একো একোখন মহা আশ্ৰম। এই মহা আশ্ৰমৰ নিয়াৰিত গঢ়ি উঠে ভৱিষ্যতৰ সম্ভৱনাময় একোটা মহান জীৱন। সেয়েহে এনে মহান পৱিত্ৰ অনুষ্ঠানটোক উন্নতিৰ শিখৰত আগবঢ়াই নিবলৈ, এই অনুষ্ঠানটিক সুন্দৰ কৰি গঢ়ি তুলিবলৈ আমি ছাত্ৰসমাজে সমানে যত্নপৰ হ'ব লাগিব। আমি আমাৰ মহাবিদ্যালয়সমূহৰ জড়িয়তে লাভ কৰা শিক্ষাৰ জড়িয়তে বিশ্ব দৰবাৰত নিজেও আগুৱাই যাব লাগিব আৰু এই শিক্ষানুষ্ঠানখনকো আগুৱাই নিবলৈ সদায় যত্নপৰ হ'ব লাগিব। আমি আমাৰ শৈক্ষিক কৃতকাৰ্যতাৰ দ্বাৰা মহাবিদ্যালয়খনক শীৰ্ষতম উচ্চতাত উপনীত কৰিব পাৰিব লাগিব। আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক ফলাফলক লৈ যাতে মহাবিদ্যালয়খনে গৌৰৱ অনুভৱ কৰিব পাৰে তাৰ কাৰণে আমি সকলো ছাত্ৰ-ছাত্ৰীয়েই যত্নপৰ হ'ব লাগিব। ***

**(মহাবিদ্যালয় সপ্তাহ উপলক্ষে থিতাতে লিখা ৰচনা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ প্ৰাপ্ত)**

## মহৎলোকৰ বাণী

* অহংকাৰী মানুহবোৰ কুকুৰাৰ দৰে। কুকুৰাই ভাৱে সি ডাক দিয়াৰ বাবেহে ৰাতি পুৱায়। - জৰ্জ ইলিয়ট
* চিগাৰেটৰ এটা মূৰত জুই থাকে, আনটো মূৰত এটা মূৰ্খ থাকে। - জৰ্জ বাণাৰ্ড শ্ব

# মহাবিদ্যালয়খনৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ কৰ্তব্য

বৰষা দাস
স্নাতক প্ৰথম বৰ্ষ

**আৰম্ভণি ঃ**

মেট্রিক পৰীক্ষাৰ দেওনা পাৰ হৈ আহিয়েই ছাত্ৰ-ছাত্ৰীসকলে এখন মহাবিদ্যালয়ত ভৰি দিয়ে। মহাবিদ্যালয়খনত ভৰি দিয়াৰ আগতে ছাত্ৰ-ছাত্ৰীসকলে এইটো নাজানে যে তেওঁলোকৰ আগৰ পৰ্যায়টো কেনেকুৱা হ'ব। প্ৰথম পৰ্যায়ত ছাত্ৰ-ছাত্ৰীসকলৰ মনত বহুতো ভয়, লাজ, সংকোচ আদি ভাবেৰে ভৰি থাকে। কিন্তু লাহে লাহে সেই সকলোবোৰ দূৰ হ'বলৈ ধৰে। বিষয় অনুসৰি শিক্ষাগুৰুসকলৰ লগত চিনাকি হোৱা আৰু বহুতো লগ-সমনীয়াৰ লগতে ওপৰ শ্ৰেণীৰ দাদা-বাইদেউসকলৰ লগতো বন্ধুত্ব গঢ়ি উঠা দেখা যায়। যদিও লাজ, ভয়, সংকোচেৰে প্ৰথম পৰ্যায়টোত ভৰি পৰে তথাপিও প্ৰথম পৰ্যায়ত মহাবিদ্যালয়খনত খুবেই ভাল লাগে বুলি আমি ক'ব পাৰো। মহাবিদ্যালয়খনত বিষয় অনুসৰি নতুন নতুন শিক্ষাগুৰুসকলে দিয়া শিক্ষাৰ প্ৰতিও আমাৰ মন খুব আগ্ৰহী হৈ উঠে আৰু ছাত্ৰ-ছাত্ৰীসকলেও খুব মনোযোগেৰে বিষয় অনুসৰি পঢ়াবোৰ পঢ়িবলৈ ধৰে। এনেদৰেই আমি এটা নতুন জীৱনৰ আৰম্ভণিত ভৰি দিও বুলি ক'ব পাৰো।

**মহাবিদ্যালয়খনত পাৰ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ সময়ছোৱা ঃ**

মহাবিদ্যালয়ত সকলো ছাত্ৰ-ছাত্ৰীয়েই বহু পৰিমাণৰ শিক্ষা যাতে ভালদৰে আয়ত্ব কৰিব পাৰে তাৰ বাবেই মহাবিদ্যালয়খনত অহা যায়। তাৰ লগতে কোনো এটা বিষয়ত যাতে ভালদৰে বহুখিনি জ্ঞান ল'ব পাৰে তাৰ বাবেও ছাত্ৰ-ছাত্ৰীসকল কলেজলৈ আহে। কলেজীয়া জীৱনৰ পৰাই ছাত্ৰ-ছাত্ৰীসকলে জীৱনৰ লক্ষ্য নিজৰ নিজৰ মনত জাগ্ৰত কৰি তোলা দেখা যায় আৰু সেই অনুসৰি আগুৱাই যোৱাও দেখা যায়। কলেজখনত শিক্ষাগুৰুসকলৰ পৰা তেওঁলোকে গ্ৰহণ কৰা শিক্ষাসমূহ কিছুমানে ভাল ৰূপত লোৱাও দেখা যায় আৰু কিছুমানে বেয়া ৰূপত লোৱাও দেখা যায়। যিয়েই নহওঁক কলেজত ভাল-বেয়া সকলো ধৰণৰ ল'ৰা-ছোৱালী থাকে। তেওঁলোকে শিক্ষাগুৰুসকলৰ পৰাই বহুতো জ্ঞান অৰ্জন কৰি ভৱিষ্যতৰ বাটলৈ আগুৱাই যোৱা দেখা যায়। ভাল ভাল ফলাফল দেখুৱাই জীৱনৰ বাটত আগুৱাই যোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যাও আমাৰ কলেজত বহুতো আছে।

**শিক্ষাগুৰুসকলৰ অৱদান ঃ**

একো একোজন ডাঙৰ মানুহ হোৱা, দেশৰ সু-নাগৰিক হোৱা, ডাক্টৰ হোৱা, ইঞ্জিনিয়াৰ হোৱা ইত্যাদি সকলো ধৰণৰ সফলতাৰ মাজত শিক্ষাগুৰু সকলৰ অৱদান যথেষ্ট বেছি। মহাবিদ্যালয়খনৰ সকলোধৰণৰ ছাত্ৰ-ছাত্ৰীৰ লগতেই শিক্ষাগুৰুসকল জড়িত হৈ থাকে। প্ৰতিটো বিষয়ৰ ওপৰত দিয়া শিক্ষাই আমাৰ বাবে চিৰস্মৰণীয়। তেখেতসকলে দিয়া শিক্ষাৰ বাবেই আজি আমি জীৱনৰ বাটত আগুৱাই যাব পাৰিছো। তেখেতসকলে দিয়া গালি-শপনিবোৰো আমাৰ বাবে সদায় এক আশীৰ্বাদ।

**সামৰণি ঃ**

মহাবিদ্যালয়খনৰ প্ৰথমৰ পৰা শেষলৈ মই বহুখিনি কথাই লিখিলো। সামৰণিত এই কথাষাৰো লিখিব বিচাৰিছো যে শিক্ষাগুৰুসকলে দি যোৱা শিক্ষাৰ পৰাই আমি আমাৰ জীৱনত বহুতো কথা শিকিব পাৰিছো, বহুখিনি কথা জানিব পাৰিছো। বহুতো ছাত্ৰ-ছাত্ৰীয়ে এই শিক্ষা-গুৰু সকলৰ পৰাই ভালদৰে শিক্ষা আয়ত্ব কৰি বা লাভ কৰি বহুতো ভাল ভাল চাকৰি কৰি আছে। বহুতো ডাঙৰ ডাঙৰ মানুহ হ'ব পাৰিছে। গতিকে আমাৰো এই মহাবিদ্যালয়খনৰ প্ৰতি কৰ্তব্য হৈ পৰে যে এই মহাবিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীসকলে যাতে সকলো ধৰণৰ সুবিধা পায়, তাৰ বাবে সকলোধৰণৰ সহায় কৰা আৰু মহাবিদ্যালয়খনত ভাল ভাল ফলাফল কৰি মহাবিদ্যালয়খনৰ সুনাম কঢ়িয়াই অনাতো আমাৰ কৰ্তব্য। লগতে পূজনীয় শিক্ষাগুৰুসকলৰ প্ৰতি থকা আমাৰ শ্ৰদ্ধা, ভক্তি সদায়েই থাকিব। তেওঁলোকৰ আশীৰ্বাদ যাতে আমাৰ ওপৰত সদায়েই থাকে।

**(মহাবিদ্যালয় সপ্তাহ উপলক্ষে থিতাতে লিখা ৰচনা প্ৰতিযোগিতাত তৃতীয় পুৰস্কাৰ প্ৰাপ্ত)**

***





# কবিতা





# মোৰ প্ৰথম প্ৰেম

*ৰিমঝিম গোস্বামী*
*স্নাতক প্ৰথম বৰ্ষ*

গোলাপৰ কলিটোৱে সিদিনা
নিয়ৰত সিক্ত হৈ মোক ক'লে
তাই হেনো, যৌৱনা।
তেতিয়া মইয়ো মোৰ যৌৱনৰ
দুবাৰ-দলিত প্ৰথমটি খোজ দিবলৈ
সাজু হৈছিলো।।
মোৰো জীৱনত প্ৰেম আহিছিল
এজাক ধুমুহাৰ দৰে,
আঁতৰিও গৈছিল
এজাক ধুমুহাৰ দৰেই।
প্ৰেমৰ স্বৰ্গীয় সৌন্দৰ্য মই
উপভোগ কৰিবই নোৱাৰিলো
কাৰণ, মোৰ প্ৰেম আছিল ক্ষন্তেকীয়া;
য'ত নাছিল কোনো সহৃদয়তা।
মোৰ প্ৰেমৰ গৰাকী আছিল স্বাৰ্থপৰ,
যিয়ে মোৰ অন্তৰৰ ভাষা,
বুজিবৰ চেষ্টাই নকৰিলে!
মোক দি থৈ গ'ল
জীৱনজোৰা বেদনা।।
আজি মই মৃত্যুৰ দুৱাৰদলিত।
আৰু কেইমুহূৰ্তমানৰ পাছতে
সকলো শেষ হৈ যাব,
মই আঁতৰি যাম এক
অদৃশ্য জগতলৈ!
কিন্তু! আজিও মোৰ মনত পৰে
যৌৱনৰ দুৱাৰ দলিত
লগ পোৱা সেই
ৰঙা গোলাপৰ কলিটোলৈ।
মোৰ স্মৃতিত আজিও ভুলে
মোৰ প্ৰথম প্ৰেম।।

(মহাবিদ্যালয় সপ্তাহ উপলক্ষে থিতাতে লিখা কবিতা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ প্ৰাপ্ত)





# দুখ তুমি নাহিবা

*অনিমা কাকতি*
*স্নাতক দ্বিতীয় বাৰ্ষিক*

দুখ তুমি নাহিবা
কাকুতিৰে জনালো প্ৰণাম
ভৱিষ্যতৰ নতুন সপোন দেখিছো
কান্দোন গুচাই
হাঁহিবলৈ শিকিছো।
মানুহৰ লগত
অন্তৰ খুলি কথা পাতিছো
প্ৰেৰণা ল'বলৈ শিকিছো
ভৱিষ্যতৰ কাৰণে দেখা সপোনবোৰ
দিঠক হ'বলৈ দিয়া
দুখ তুমি দূৰ দূৰণিলৈ
আঁতৰি যোৱা!!

# বন্ধু! মই তোমাক ভালপাওঁ

*হিৰুমণি পাঠক*
*দ্বাদশ শ্ৰেণী*

বন্ধু! মই তোমাক ভালপাওঁ
জীৱনৰ সমস্ত সেউজীয়াৰে
মই তোমাক ভাল পাওঁ
তোমাৰ দুচকুৰ গভীৰ নীলাত
মই বিচাৰি পাওঁ মোক নিজকে
তোমাৰ বুকুৰ উমাল পৰশত
মোৰ হেৰোৱা সুখে পুনৰ ভুকুকি মাৰিছে
তুমি জানানে কিমান সেউজীয়াৰে
গাঢ় হ'ব পাৰে এই ভালপোৱা?
এতিয়া মোৰ হৃদয়ত এডাল শকত গছ
শিপাবোৰে খামুচি ধৰি আছে মোৰ হৃদয়
উভালি পেলালে কলিজাৰ মাংসবোৰ টুকুৰা টুকুৰ হ'ব
এয়া জানো কাম্য তোমাৰ!

(মহাবিদ্যালয় সপ্তাহ উপলক্ষে থিতাতে লিখা কবিতা
প্ৰতিযোগিতাত দ্বিতীয় পুৰস্কাৰ প্ৰাপ্ত)

# এক জানুৱাৰী

*পবিত্ৰ বৰা*
*দ্বাদশ শ্ৰেণী*

এক জানুৱাৰীত মোৰ হিয়াখন কঁপে
বুকুখন যেন মোৰ ফাটি দুফাল হয়,
পাৰ হৈ যোৱা দিনবোৰলৈ
মনত পৰিলে মোৰ হিয়াখন কঁপে।
দেশত চলি অহা কোলাহলপূৰ্ণ পৰিৱেশ,
যিয়ে সাৱটি লয় হাঁহিৰ মাজত হিংসা,
যিয়ে সাৱটি লয় বন্ধুৰ নামত ঠগ প্ৰবঞ্চনা।
এক জানুৱাৰীত মোৰ হিয়াখন কঁপে
আৰু বা হ'ব কি দেশৰ গতি!
কণ কণ শিশুৰ হত্যা নে দেশত চলি অহা ধ্বংসলীলা
কিনো বুজিম কিনো কৰিম
দেশত লাগিছে যি হিংসাৰ জুই!
পাৰিবনে বাৰু নুমুৱাব আজি
জ্বলিছে যি হিংসাৰ জুই
পাৰিবনে বাৰু নুমুৱাব আজি
দেশত চলি অহা দুৰ্ভিক্ষৰ জুই।
এক জানুৱাৰীত মোৰ হিয়া কঁপে
নকপিবনো বাৰু কিয়
যিহে চলিছে দেশৰ গতি;
যিহে চলিছে দহৰ গতি।
কবকে নোৱাৰো হ'ব বা কি!

# বিষ্ণু ৰাভা আকৌ আহিব লাগে

*ড° ৰুণুমী দেৱী*
*প্ৰবক্তা (শিক্ষা)*

বিষ্ণু ৰাভা
আকৌ এবাৰ
তুমি আহিব লাগে।
বিপ্লৱী সাজেৰে
তুমি আকৌ এবাৰ আহিব লাগে।
কৃষক বনুৱা
হালুৱা হজুৱা
এইজাক নিপীড়িতৰ মাজলে
যুঁজিবলে
যুঁজাবলে
আৰু জিকিবলে।
তুমি আকৌ এবাৰ আহিব লাগে, বিষ্ণুৰাভা
মজদুৰৰ নিচান ধৰিব লাগে।
লাঠি গুলীৰ ভয়ত পেলোৱা জাকক
ঘুৰাই আনিব লাগে
এইজাক শ্ৰমিকক শক্তি দিব লাগে।
পুঁজিবাদ ভাঙি
সাম্যবাদ গঢ়িব লাগে।
সেয়েহে বিষ্ণুৰাভা
তুমি আকৌ আহিব লাগে।
পৰ্বত ভৈয়ামৰ
ক্ৰমে ক্ৰমে বাঢ়ি অহা
বিভেদৰ মহামাৰী
সমূলি খাস্তাং কৰি
স্থায়ী সম্প্ৰীতি গঢ়িব লাগে।
যোৱাবেলি আধৰুৱা কৰি থোৱা কামবোৰ
এইবেলি শেষ কৰিব লাগে।
সেয়েহে তুমি আকৌ এবাৰ আহিব লাগে।
চিফুং আৰু গগণাই একেই সুৰতে মাতিছে
আমাৰ লগতে আকৌ নাচিব লাগে
বিষ্ণু ৰাভা আকৌ এবাৰ আহিব লাগে।।



# তেজপিয়া

*অমৰজিৎ ডেকা*
*স্নাতক প্ৰথম (কলা)*

হে ৰক্ত পিপাশু
সৃষ্টিত তোৰ ঘৃণনীয় দুৰ্গন্ধ
সৃষ্টি তোৰ জাগ্ৰত ভূমিকম্প।
ধ্বংস তোৰ কৰ্ম
জাতিত তই ভণ্ড
প্ৰকৃতিৰ সৃষ্টিৰ পবিত্ৰতা
কৰিছ তই লণ্ড-ভণ্ড।
ধ্বংসই তোৰ লক্ষ্য -
ৰক্ত-পান কৰ তই বিদাৰি বক্ষ -
বাৰুদৰ অস্ত্ৰেৰে ৰঙালী কৰিছ
পবিত্ৰ জননীৰ বক্ষ।
ঢোকে ঢোকে গিলিছ
মানৱতা, পবিত্ৰতা, সততা
অট্টহাসেৰে বিয়পাইছ
পশুত্ব আৰু বৰ্বৰতা।
আৰু কিমান দিন?
আহিব এদিন সেইদিন
যিদিনা তোৰ
তেজ বমি হৈ
পচি-পচি খহি পৰিব
সৰ্বাংগ।
সময়ে চাই হাঁহিব
তোৰ বিকল অংগ।





# প্ৰেম আজি ভণ্ডামি

*মৃণাল কান্তি কলিতা*
*স্নাতক প্ৰথম বৰ্ষ*

প্ৰেম এক চূড়ান্ত ভণ্ডামি
কিয় আৰু কেনেকৈ
সুধিব জানো খুজিছা?
তুমি জানো নাজানা মোৰ
মানিবেগটো পাতল বুলি??
কেইজনী গুচি গ'ল মোক
নিঠৰুৱা কৰি!
প্ৰেম এতিয়া এক চূড়ান্ত ভণ্ডামি।
ক'ত সেই পানৈ জংকি, লাইলা-মজনু
শিৰহীন - ফাৰাড,
ৰ'মিও - জুলিয়েট,
হিড় - ৰাণ্ঝা.........
উৰি গ'ল সেই মানসিকতা,
আজিৰ প্ৰজন্মৰ প্ৰেম মাথো বিলাসিতা।
আজিৰ প্ৰেমত নাই হৃদয়ৰ তাড়ণা
আছে মাথো দেহজ বাসনা।
প্ৰেম এক চূড়ান্ত ভণ্ডামি
যাৰ বাবে মই
কঢ়িয়াই ফুৰিছো
অসহনীয়, অব্যক্ত
এবুকু যন্ত্ৰণা।
কলিজা দুফাল কৰি
মোৰ ৰক্ত যে শুহি নিলা তুমি
এতিয়া....................
প্ৰেম এক চুড়ান্ত ভণ্ডামি।



# ভোক

*মানৱ কুমাৰ বড়া*
*স্নাতক দ্বিতীয় বৰ্ষ*

জীৱনৰ বাটত তেওঁ আজি বেশ্যা
যৌৱনৰ ভোকত নহয়
পেটৰ ভোকত হে তেওঁ আজি বেশ্যা।
কেতিয়া কাল ধুমুহা পাৰ হ'ল জীৱনেৰে
মেঘাচ্ছন্ন হ'ল আকাশ
ক'ব নোৱাৰে
হয়তো লঘোণীয়া পেটৰ ভোকেই লৈ আহিল
এই জুপুৰিটোলৈ
কৰিব কি
পেটৰ ভোকত মৰিবওটো নোৱাৰি।
দিনৰ পোহৰ তেওঁলোকৰ বাবে এন্ধাৰ
ৰাতিৰ এন্ধাৰ তেওঁলোকৰ বাবে পোহৰ
পোহৰ চোৱাৰ ইচ্ছা তেওঁলোকৰো থাকে
ভদ্ৰ সমাজে নিদিয়ে, কৰিব কি
অন্ধকাৰত কিন্তু সকলো সমান, কাৰোৰে ছাঁ নাথাকে
পোহৰৰ ভদ্ৰ সমাজখন বৈ থাকে বেশ্যাৰ জপনা মুখত
টনা আজোৰা লাগে বেশ্যাৰ শৰীৰৰ মাংসৰ
ভোকেইতো পৰম শত্ৰু মানুহৰ
সি পেটৰ ভোকেই হওক বা শৰীৰৰ
কৰিব কি
ভোকত মৰিবওতো নোৱাৰি।



# প্ৰকৃতি মনোৰম

*বৰ্ষা হাজৰিকা*
*উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ*

নিশাৰ অন্তত আহে এটি নতুন পুৱা,
সূৰ্য্যৰ সোণোৱালী কিৰণেৰে ভৰা।
উদ্ভাসিত প্ৰকৃতিয়ে লগায় খলকনি,
সেউজীয়া বননিত নিৰ্য়ৰৰ উঠে জিলিঙনি।
গোলাপ কলিটোৱেও যেন লাজৰ ওৰণি গুচাই,
মিচিকিয়া হাঁহিৰে প্ৰকৃতিক স্বাগতম জনায়।
গছৰ পাতবোৰে বতাহত নাচিবলৈ ধৰে,
ধাননি ডৰাও যেন মাটিত হালি জালি পৰে।
চৰাইবোৰে আনন্দত পাবে কিৰিলি
পখিলাই ফুলৰ লগত পাতে মিতিৰালি।
লাহে লাহে বেলি আহি মূৰৰ ওপৰ পায়,
প্ৰখৰ তাপেৰে প্ৰকৃতিক গ্ৰাস কৰি পেলায়।
সন্ধিয়াৰ আকাশত তৰাই জিলমিলায়,
জোনাকী পৰুৱাইও ধৰাত পোহৰ বিলায়,
আন্ধাৰ আঁতৰি আকৌ আহিব নতুন পুৱা,
প্ৰতিদিন প্ৰতিমাহ প্ৰতিবছৰ এনেকৈয়ে হয়
দেহমন জুৰোৱা।
এনেকৈয়ে চলি আছে প্ৰকৃতিৰ নিয়ম,
আপোন পাহৰি যাওঁ দেখি এই দৃশ্য মনোৰম।

# তোমাৰ অলপ সময় হ'ব নেকি?

*ৰাজীৱ দেউৰী*
*স্নাতক প্ৰথম বৰ্ষ*

জানা, মোৰ আৰু এবাৰ
যাবৰ হেপাহ
তোমাৰ সতে
সেই ঘাটলৈ
য'ত তুমি আৰু মই
আৰু নিঃশব্দতা
মাথো আমাৰ সংগী।
বহুসময় তেনেদৰে থাকিম
নাথাকিব সময়ৰ কোনো সীমা
মই কোলাত মূৰ থৈ শুম
আৰু শুনিম অনাগত দিনবোৰৰ কথা।
সময় পাৰ হৈ যাব সংগোপনে
যান্ত্ৰিকতাৰ এই পৃথিৱীৰ পৰা
যাব খোজো আঁতৰি
সাজিম সময় ৰথ
পাৰিবা জানো যাব
মোৰ সতে সেই
চিনাকী ঘাটৰ পৰা দিগন্ত অভিমুখে?
সময় জানো হ'ব তোমাৰ??
তুমিতো এতিয়া
পুৱা-সন্ধিয়া-সেওঁতা জালি
ধূপ-চাকি জ্বলোৱা
ঘৰৰ লখিমি।





# কোনে কাঢ়ি নিলে

*ৰিতুপৰ্ণ দাস*
*একাদশ শ্ৰেণী*

পুৱতিৰ আন্ধাৰ ফালি
বেলিটিয়ে কি ভাবি
আহিছিল সিদিনা?
মোৰ দুৰ্ভাগ্যৰ যিটো দিন
অলক্ষিতে হেৰুৱাই পেলালো
চেনেহৰ দেউতাক।
পাহাৰে-ভৈয়ামে
নদী-কন্দৰ সকলোতে বিচাৰিছিলোঁ দেউতাক।
ৰাতিৰ তৰাবোৰক সুধিলো,
মোৰ দেউতাৰ কথা।
একো নকয় কোনেও
চকু টিপিয়াই থাকিল।
মই ক্লান্ত হৈ পৰিলোঁ
দেউতাক বিচাৰি
সকলো শেষ
নিশাৰ পাছত নিশা
দিনৰ পাছত দিন
এনেকৈয়ে গ'ল।
আহিল আকৌ এটি দিন
পুৱতিৰ আন্ধাৰ ফালি
দেউতাক মই বিচাৰি পালো
পুৱতিৰ চিকমিকীয়া ৰ'দত
মোৰ সতে বহি আছে
দেউতাই মোৰ কবিতাৰ মাজত।

# শৰৎ

*প্ৰাঞ্জল শৰ্মা*
*স্নাতক তৃতীয় বৰ্ষ*

শৰৎ আহিল,
প্ৰকৃতি উজ্বলিল
পদুলি মুখত
শেৱালি ফুলিল।
বাৰিষাৰ ক'লা ডাৱৰ গুচি
আকাশ হ'ল নীলা,
ৰাতিপুৱাৰ দুবৰি বনত
নিয়ঁৰৰ টোপালে গাঁঠিছে
মুকুতাৰ মালা।
শৰতৰ পূৰ্বাকাশ ফালি,
বেলিটিয়ে দিলেহি দেখা।
আহিনৰ পথাৰে,
সেউজীয়া শোভাৰে
পৃথিৱী কৰিলে সুফলা।
বৰ্ষাৰ পিছত,
আহে শৰৎ.........
নামে শাৰদীয় উল্লাস।
পুৱাৰ মলয়া জাকে,
আহি কলেহি মোক
এয়া যে, শৰতৰ আকাশ..........।

মুখামুখি সাক্ষাৎকাৰ

# ক্ৰীড়াত



৩৩ তম ৰাষ্ট্ৰীয় ক্ৰীড়াত সোণৰ পদক লাভ কৰা পৰাগ বৈশ্যৰ নাম আজি অসমৰ প্ৰত্যেক মানুহৰ মুখে মুখে। উত্তৰ গুৱাহাটীৰ ৰজাদুৱাৰত জন্মগ্ৰহণ কৰা বৈশ্যই গুৱাহাটীত অনুষ্ঠিত ৰাষ্ট্ৰীয় ক্ৰীড়াৰ 'জেভলিন' শাখাত সোণৰ পদক লাভ কৰে। সোণৰ পদক লাভ কৰাৰ পাছত তেওঁৰ মনৰ প্ৰতিক্ৰিয়া সম্পৰ্কে বুজ ল'বলৈ মই কৌশিক দাস উপস্থিত হৈ বৈশ্যৰ সতে কিছু কথা পাতিছিলোঁ। অভিনন্দন গ্ৰহণ পৰ্বৰ পাছত আৰম্ভ হৈছিল কথা-বতৰা -

কৌশিক ঃ সোণৰ পদক পাই আপোনাৰ মনত কেনে প্ৰতিক্ৰিয়া সৃষ্টি হৈছিল?

পৰাগ ঃ সঁচাকৈয়ে খুব ভাল লাগিছে। সৰুৰে পৰা মই বহু প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছোঁ আৰু বহু পদকো অৰ্জন কৰিছোঁ। সৰুৰে পৰা ৰাষ্ট্ৰীয় পৰ্যায়ত হওঁক বা আন্তৰ্ৰাষ্ট্ৰীয় পৰ্যায়ত পদক পাবলৈ আশা কৰি আছিলোঁ। কিন্তু ৰাষ্ট্ৰীয় ক্ৰীড়াত প্ৰথম যোগদান কৰিয়েই সোণৰ পদক পাম বুলি ভবা নাছিলোঁ।

কৌশিক ঃ আপোনাৰ সফলতাৰ আঁৰত কোন কোন লোকৰ নাম ল'ব খোজে?

পৰাগ ঃ মোৰ সফলতাৰ আঁৰত প্ৰথমেই মা-দেউতাৰ নাম ল'ব লাগিব। তাৰোপৰি মোৰ এজনী বাইদেউ, মোৰ শিক্ষাগুৰুসকল লগতে বন্ধু-বান্ধৱী সকলৰ সহযোগিতাই সফলতাৰ মূল বুলিব পাৰি।

কৌশিক ঃ কলেজত পঢ়ি থাকোতে কেনেধৰণৰ উৎসাহ পাইছিল?

পৰাগ ঃ মই কলেজত পঢ়ি থাকোতে অকল জেভলিন শাখাতে নহয় ক্ৰিকেট, ফুটবল, ভলীবল, কাবাডী প্ৰায় সকলো খেলতে অংশগ্ৰহণ কৰিছিলোঁ। তাত কলেজৰ শিক্ষক-শিক্ষয়ত্ৰী সকলৰ পৰামৰ্শ, সহপাঠীসকলৰ সহায় সহযোগে মোক বহু উৎসাহ যোগাইছিল।

কৌশিক ঃ নৱ প্ৰজন্ম তথা নগ'ছিয়ানৰ বাবে কিবা ক'ব খোজে নেকি?

পৰাগ ঃ নৱ প্ৰজন্ম বুলিলেময়ো নৱ প্ৰজন্মবেই বুলিব লাগিব। আজি সোণৰ পদক পালো বুলিয়েই মই পৰামৰ্শ দিব পৰা হোৱা নাই। কিন্তু খেলুৱৈসকলে একাগ্ৰতাৰে, ধৈৰ্য্যৰে আৰু অনুশীলনেৰে খেল সমূহত ভাল ফল দেখুৱাব পাৰে বুলি মই ভাবো।

কৌশিক ঃ আপোনাৰ ভৱিষ্যত পৰিকল্পনাৰ বিষয়ে জনাব নেকি?

পৰাগ ঃ ভৱিষ্যতে মোৰ বহু পৰিকল্পনা আছে। একান্ত মনে খেলতে মনোযোগ দি যাম বুলি ভাবিছোঁ। কিমান দুৰ সফল হ'ব পাৰিম সেয়া ভগৱানৰ আশীৰ্বাদৰ ওপৰত নিৰ্ভৰ কৰিব।

কৌশিক ঃ শেষত আপোনাৰ সকলো পৰিকল্পনা সফল হওক, ভৱিষ্যতে বিশ্ব দৰবাৰত আপোনাৰ নাম জিলিকি থাকক তাকে নগ'ছিয়ানৰ তৰফৰ পৰা কামনা কৰি আপোনাৰ পৰা বিদায় মাগিছো।

পৰাগ ঃ ধন্যবাদ।

*সাক্ষাত গ্ৰহণ ঃ*
*প্ৰাক্তন ছাত্ৰ, কৌশিক দাস*





আমি শিকো আহা

## আমি জানো আহা কোন ক'ত কেতিয়া প্ৰথম

১। ভাৰতবৰ্ষত পোন প্ৰথম কেতিয়া আৰু ক'ত অনাতাঁৰ কেন্দ্ৰ স্থাপন হয়?

উঃ ভাৰতবৰ্ষত পোন প্ৰথম অনাতাঁৰ কেন্দ্ৰ ১৯২৭ চনত কলকাতা আৰু মুম্বাইত স্থাপন হয়।

২। অসমত পোন প্ৰথম কেতিয়া আৰু ক'ত অনাতাঁৰ কেন্দ্ৰ মুকলি কৰা হয়?

উঃ অসমত ১৯৪৮ চনৰ ১ জুলাইত গুৱাহাটী আৰু শ্বিলঙত একেলগে অনাতাঁৰ কেন্দ্ৰ মুকলি কৰা হয়।

৩। ভাৰতবৰ্ষত কিমান চনত আৰু ক'ত প্ৰথমটো অগ্নিনিৰ্বাপক বাহিনী গঠন কৰা হয়?

উঃ ১৮২২ চনত কলকাতাত ভাৰতবৰ্ষত প্ৰথমটো অগ্নিনিৰ্বাপক বাহিনী গঠন কৰা হয়।

৫। অসমৰ প্ৰথমখন অসমীয়া আলোচনী কিমান চনত প্ৰকাশ হৈছিল।

উঃ অসমত প্ৰথমখন অসমীয়া আলোচনী হিচাবে ১৮৪৬ চনৰ জানুৱাৰী মাহত "অৰুণোদই" প্ৰকাশ হৈছিল।

*শ্ৰীহিৰণ্য বড়া*
*দ্বাদশ শ্ৰেণী*

## জীৱজগতৰ আচৰিত কিন্তু বিচিত্ৰ তথ্য

* পৃথিৱীৰ আটাইতকৈ দ্ৰুতবেগী চৰাই হ'ল 'ছুইফট'। ই ঘণ্টাত প্ৰায় আঢ়ৈশ কিলোমিটাৰ বেগেৰে উৰিব পাৰে। এই চৰাইবিধে একেৰাহে তিনি বছৰলৈকে আকাশতে থাকিব পাৰে। এই সময়ছোৱাতেই খোৱা-বোৱা, জিৰণি লোৱা আদি সকলো ই আকাশতেই কৰে।
* মানৱ দেহৰ সকলোবোৰ তেজৰ শিৰা যদি এডালৰ পিছত সিডালকৈ জোৰা লগোৱা হয় তেতিয়া দৈৰ্ঘ্য হ'ব ১,৬০,০০০ কিঃ মিঃ। অৰ্থাৎ ইমান দীঘল হ'ব যে বিষুৱৰেখাৰ চাৰিওফালে চাৰি পাক দিব পৰা যাব।
* মাখিৰ ঠেং প্ৰায় এক মিলিমিটাৰ দীঘল। এই ঠেঙেৰে মাখিয়ে ২০ ছেণ্টিমিটাৰ ওখলৈ আৰু ৩২ ছেণ্টিমিটাৰ দুৰলৈ জাপ মাৰিব পাৰে। মানুহৰ এই ক্ষমতা থকাহেঁতেন ১৩৭ মিটাৰ ওখ আৰু ২১২ মিটাৰ দীঘল জাপ মাৰিব পাৰিলেহেঁতেন।
* উৰন্ত মাছ (Flying Fish) নামেৰে জনাজাত মাছবিধে প্ৰকৃততে অকণো উৰিব নোৱাৰে। এই মাছৰ গাত থকা পাখি বিলাক চৰাইৰ দৰে ডাঙৰ। এই মাছে পানীৰ পৰা শূন্যলৈ একোটা জাপ মাৰে আৰু লগে লগে খৰ গতিত ২৫-৩০ গজ মান শূন্যত উপঙি থাকে। লগে লগে আকৌ ই পানীলৈ জাপ মাৰে। শূন্যত উপঙি থকা সময়ত ই প্ৰায় ৫০ কিঃ মিঃ বেগত গতি কৰে।
* দক্ষিণ গোলাৰ্ধত এজন মানুহে তেওঁৰ ৭০ বছৰীয়া জীৱন কালত ৭০ ৰ পৰা ১৫০ টন ঘাম ত্যাগ কৰে। এই ঘামেৰে তিনিটা ডাঙৰ ডাঙৰ ৰেলৰ ডবা ভৰ্তি কৰিব পৰা যাব।

*যদুমণি শইকীয়া*
*একাদশ শ্ৰেণী (বিজ্ঞান শাখা)*

# পৃথিৱীৰ কিছুমান আচৰিত বস্তু

## চীনৰ প্ৰাচীৰ ঃ

খ্ৰীষ্টপূৰ্ব তৃতীয় শতিকাৰ সম্ৰাট খ্বি-হৱাংতিৰ শাসন কালৰ পৰা একেলেঠাৰিয়ে ১.৭০০০ বছৰ ধৰি নিৰ্মিত হোৱা এই প্ৰাচীৰ মিং সম্ৰাটৰ (১৩৬৮-১৪৪৪) শাসনকালত সমাপ্ত হৈছিল। ১৫০০ মাইল দৈৰ্ঘ্যৰ এই প্ৰাচীৰ সমগ্ৰ পৃথিৱীৰ দৈৰ্ঘ্যৰ বিশ (২০) ভাগৰ এভাগ আৰু এই প্ৰাচীৰত মুঠ ২৪.০০০ তোৰণ আৰু স্তম্ভ আছে এই প্ৰাচীৰৰ গড় উচ্চতা ২৫ ফুট আৰু ভেটি বহলে ২০ৰ পৰা ৩০ ফুট পৰ্যন্ত আৰু ওপৰ ফালে ১৫ ফুট বহল। এই প্ৰাচীৰৰ ওপৰেদি একেলগে অনেক অশ্বাৰোহী হেলাৰঙে ঘোৰা চেকুৰাই যাব পাৰে মহাকাশৰ পৰা মহাকাশচাৰীসকলে পৃথিৱীৰ পৰ্বত-পাহাৰ, নদী নিজৰা একো দেখা নাপায়। আটাইবোৰ অদৃশ্য হৈ যায়। অথচ এই মহাপ্ৰাচীৰ হেনো মহাকাশৰ পৰা মহাকাশচাৰীৰ চকুত ভালদৰেই ধৰা পৰে।

## অলিম্পিয়াৰ জিউছৰ প্ৰতিমূৰ্তি ঃ

খ্ৰীষ্টপূৰ্ব পঞ্চম শতিকাৰ গ্ৰীচৰ অলিম্পিয়াত জিউছৰ মূৰ্তি নিৰ্মাণ কৰা হৈছিল। জিউছৰ এই মূৰ্তিক প্ৰাচীন জগতৰ সপ্তমাশ্চৰ্যৰ অন্যতম আশ্চৰ্য তথা মহৎ শিল্পকৰ্ম বুলি অভিহিত কৰা হৈছিল। গ্ৰীচ দেশৰ সৰ্বশ্ৰেষ্ঠ ভাস্কৰ ফিদিয়াছ খ্ৰীষ্টপূৰ্ব পঞ্চম শতিকাৰ মানুহ। ভাস্কৰ ফিদিয়াছেই হাতীৰ দাঁত, সোণ আৰু অনেক বহুমূলীয়া ধাতুৰে জিউছৰ মূৰ্তি নিৰ্মাণ কৰিছিল। এই মূৰ্ত্তি গ্ৰীচৰ বিখ্যাত অলিম্পিয়াৰ মন্দিৰত স্থাপন কৰা হৈছিল।

## আগ্ৰাৰ তাজমহল ঃ

মোগল সম্ৰাট ছাহজাহানে তেওঁৰ পত্নী মমতাজৰ নাম চিৰস্মৰণীয় কৰি ৰাখিবৰ বাবে বিখ্যাত তাজমহল নিৰ্মাণ কৰিছিল। এই তাজমহল আৰবৰ পৰা অনা মাৰ্বল পাথৰেৰে অতি নিখুঁত আৰু মনোমোহা কৰি নিৰ্মাণ কৰা হৈছিল। ইয়াক নিৰ্মাণ কৰোতে ২০ বছৰ সময় লৈছিল আৰু এক লাখ বনুৱাই কাম কৰিছিল। ই যমুনা নৈৰ পাৰত অৱস্থিত।

## হেলিকাৰ্নাছাছৰ সমাধি মন্দিৰ ঃ

হেলিকাৰ্ণাছাছ এখন পুৰণি নগৰৰ নাম প্ৰায় আঢ়ৈ হাজাৰ বছৰ আগতে এজিয়ান সাগৰৰ পাৰত এইখন আছিল। এই নগৰতে কেয়াবিৰকৰ ৰজা মছোলাহকৰ সমাধি মন্দিৰ আছিল। মছোলাছৰ পত্নী ৰাণী আটৌমিজিয়াই ৰজাৰ সমাধিৰ ওপৰত এটা অতি সুন্দৰ চালে চকু ৰোৱা কীৰ্ত্তিস্তম্ভ সজাইছিল।

কীৰ্ত্তিস্তম্ভৰ চাৰিওফালে ৩০০ ফুট বহলৰ এখন মুকলি পথাৰ আছিল। প্ৰাচীন জগতৰ সাতটা বিস্ময়কৰ বস্তুৰ ভিতৰত ইয়াকো এটা বুলি ধৰা হৈছিল খ্ৰীষ্টপূৰ্ব চতুৰ্থ শতিকাৰ এই সমাধি মন্দিৰ নিৰ্মাণ কৰা হৈছিল আৰু চতুৰ্থ খ্ৰীষ্টাব্দত তুৰস্কৰ আক্ৰমণকাৰীৰ হাতত ই সম্পূৰ্ণ ৰূপে ধ্বংসপ্ৰাপ্ত হয়।

*ৰণ্টু বড়া*
*একাদশ শ্ৰেণী*





# মহৎলোকৰ বাণী

* নভবা নিচিন্তাকৈ কোনো প্ৰতিশ্ৰুতি নিদিবা। এবাৰ প্ৰতিশ্ৰুতি দিয়াৰ পিছত জীৱন দি হ'লেও পালন কৰিবা।

  \- মহাত্মা গান্ধী

* হিংসা কেতিয়াও নকৰিবা; জুইয়ে যেনেকৈ খৰি পোৰে হিংসাই তেনেকৈ পুণ্য সমূহ নাইকিয়া কৰে।

  \- হজৰত মহম্মদ

* পৃথিৱীত আটাইতকৈ সহজ কাম হৈছে আনক সমালোচনা কৰা। কিন্তু আটাইতকৈ টান কাম হৈছে - নিজক সংশোধন কৰা।

  \- হেম বৰুৱা

* শিক্ষাৰ মূলবস্তু মনৰ একাগ্ৰতা, বাস্তৱ তথ্য বিলাকৰ সংগ্ৰহ নহয়। সেইবাবে প্ৰথমতে তোমাৰ মনৰ একাগ্ৰতা আৰু আশাশক্তি গুণৰ বিকাশ সাধন কৰি চোৱা, তাৰ পিছত এনে এটা নিখুঁত মনক লৈ আপোন ইচ্ছামতে তথ্য সমূহ সংগ্ৰহ কৰা।

  \- স্বামী বিবেকানন্দ

* বহুত আৰু বিৰাট ভুলৰ মাজেদি নহাকৈ কোনো মানুহ মহান আৰু ভাল হব নোৱাৰে।

  \- শ্বেইক্সপীয়েৰ

* নিজৰ মতবাদ সলনি নকৰা লোক বন্ধ পানীৰ দৰে তেওঁলোকে মানসিক কদৰ্যতা লাভ কৰে। মনত কৌতুহল বা প্ৰশ্ন উদয় হ'লে তাৰ উত্তৰ নিবিচাৰাকৈ নাথাকিবা।

  \- জৱাহৰ লাল নেহৰু

*সংগ্ৰাহক - অনিমা কলিতা*
*স্নাতক দ্বিতীয় বৰ্ষ*

* অহংকাৰী মানুহবোৰ কুকুৰাৰ দৰে। কুকুৰাই ভাৱে সি ডাক দিয়াৰ বাবেহে ৰাতি পুৱায়।

  \- জৰ্জ ইলিয়ট

* চিগাৰেটৰ এটা মূৰত জুই থাকে, আনটো মূৰত এটা মূৰ্খ থাকে।

  \- জৰ্জ বাৰ্ণাডশ্ব

* সোণ চুব খুজিছা, চুৱা, একো আপত্তি নাই। কিন্তু চাবা কেনেবাকৈ তোমাৰ হাতখন তাতে লাগি ধৰিলে সি তোমাৰ মৰ্মস্তলৈকে ভেদিব।

  \- জৰ্জ হাৰ্বাট

* সমস্ত দুখ সংসাৰখনৰ ওপৰতে জাপি দি, সংসাৰখনকে গালি-গালাজ পাৰি থাকো কিয় ভাই? এই সংসাৰখন অতি সুন্দৰ ঠাই, সুচিন্তিত বিচাৰ-বিবেচনাৰে ই পৰিচালিত। তোমাৰ বাবে সংসাৰখন যদি কদৰ্য্য আৰু অসৎ যেন লাগে তেন্তে তাৰ কাৰণটো হ'ব যে এখন যথোচিত সংসাৰত তুমি নিজেহে কদৰ্য্য আৰু অসৎ।

  \- মাৰ্চিলিয়াছ ফিছিনাছ

* শিকিবলৈ এৰি দিলেই মানুহ বুঢ়া হয়। নতুন নতুন কথা শিকি থাকিলে মানুহ চিৰকাল ডেকা হৈ থাকে। মনটো ডেকা কৰি ৰখাটোৱেই হ'ল জীৱনৰ ডাঙৰ কাম।

  \- হেনৰি ফৰ্ড

* যি পাপত পতিত হয় সি মানুহ, যি পাপ কৰি অনুতাপ কৰে তেওঁ সত্য, যি পাপ কৰি অহংকাৰ কৰে তেওঁ চয়তান।

  \- ফুলাৰ

* সংসাৰৰ এটা ডাঙৰ ট্ৰেজেদী কি জানা? আমি যি পাওঁ তাকে লৈ সুখী হ'বৰ চেষ্টা নকৰি নোপোৱা বা পাবলগীয়াকৈ হা-হুতাহ কৰি থাকোতেই জীৱনটো শেষ হৈ যায়।

  \- আইনষ্টাইন

* বিয়ে সুধিবলৈ ভয় কৰে তেওঁ প্ৰকৃততে জানিবলৈ ইচ্ছা নকৰে।

  \- ডেনিচ

*সংগ্ৰাহক - বিণ্টি শইকীয়া*
*স্নাতক দ্বিতীয় বৰ্ষ*

# English Section





# The Concept of "New Woman" and her Apearance in Indian Writing in English with emphasis on the Image of 'Rukmini' in Kamala Markandaya's Nectar in a Sieve

Shikha S. Kashyap
Senior Lecturer, Deptt. of English

The word 'New Woman' has come to signify the awakening of woman into a new realisation of her place and position in family and society. The new woman is conscious of her individuality and has been trying to assert her right and is determined to fight for equal treatment with man.

Indian woman whose badge has been silent-suffering and who is an upholder of Indian culture is an oft-repeated type in Indian English fiction. She is shown to be enacting various roles - of a mother, a wife, a daughter and a sister. This is mainly due to the patriarchal society where the authority emanates from the eldest male in the family.

The study of Indian woman is a long tale of woe and suffering and also of her constant struggle to look beyond the narrow pre-ordained horizons to find meaning and significance in her existence. No doubt, women in the past had been adorned with beautiful epithets like Sati, Mother Earth, duhita and so on, but the average Indian woman has all through been the embodiment of suffering, self sacrifice, unending ordeals and miseries. India, who takes pride in its rich culture has always been very unmindful to the plight of Indian women. Indian women have seen the worst of social evils like Sati, Child Marriage and Purdah. Denial of education and widow re-marriage have rendered the women helpless and have subjugated her position to the position of man.

মোৰ কাৰ্যকালৰ সময়ছোৱাত বিভিন্ন দিশত পৰামৰ্শ ও সহযোগেৰে কাৰ্যসূচীবোৰ সফলভাৱে ৰূপায়ণ কৰাত সহায় আগবঢ়োৱা শ্ৰদ্ধাৰ শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ আৰু সমূহ নগাচিয়ানলৈ মোৰ সেৱা আৰু আন্তৰিক কৃতজ্ঞতা জনাইছো।

সদৌ শেষত আমাৰ এই মহাবিদ্যালয়ৰ ভৱিষ্যত উন্নতি কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু উত্তৰ গুৱাহাটী মহাবিদ্যালয়।
'জয়তু উত্তৰ গুৱাহাটী মহাবিদ্যালয় ছাত্ৰ একতা সভা'।

ধন্যবাদেৰে
পিংকি বৰ্মন
উত্তৰ গুৱাহাটী মহাবিদ্যালয়
ছাত্ৰ একতা সভা

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

## ২০০৬ - ২০০৭ শিক্ষাবৰ্ষ



জয় জয়তে উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ পদত মোক নিৰ্বাচিত কৰাৰ বাবে সমূহ নগ'চিয়ানলৈ মই মোৰ শ্ৰদ্ধা যাচিছোঁ। লগতে যিসকল মহান ব্যক্তি আৰু মনিষীৰ প্ৰচেষ্টাত এই মহান শিক্ষানুষ্ঠানটিৰ জন্ম হ'ল সেই সকলৰ প্ৰতি মই সশ্ৰদ্ধ প্ৰণাম আৰু কৃতজ্ঞতা যাচিলোঁ।

১৯৬২ চনৰ ৪ চেপ্তেম্বৰত স্থাপিত হোৱা উত্তৰ গুৱাহাটী মহাবিদ্যালয় বৰ্তমান নাক (NAAC) ৰ "বি" গ্ৰেডলৈ উন্নীত হোৱা এখন পূৰ্ণাঙ্গ মহাবিদ্যালয়। এই মহান শিক্ষানুষ্ঠানটিৰ সাধাৰণ সম্পাদকৰ দায়িত্বভাৰ গ্ৰহণ কৰি মহাবিদ্যালয়খনত এক সুস্থ শৈক্ষিক পৰিবেশ বৰ্তাই ৰখা আৰু সমূহ নগ'চিয়ানক একত্ৰিত কৰি শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ চেষ্টাত মই কোনো ত্ৰুটি কৰা নাই। এই ক্ষেত্ৰত অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী সকলে এখন ঘৰৰ পৰিয়ালৰ দৰে মিলিত হৈ শিক্ষাদান ও শিক্ষা গ্ৰহণ প্ৰক্ৰিয়াত মনোনিবেশ কৰিলে ছাত্ৰ-ছাত্ৰী সকলে নিজক একোজন সুনাগৰিক হিচাবে গঢ় দি সমাজত প্ৰতিস্থা লাভ কৰিব পাৰিব বুলি মোৰ দৃঢ় বিশ্বাস।

উত্তৰ গুৱাহাটী এখন ঐতিহ্যপূৰ্ণ ঠাই। এই ঠাইতেই অসমৰ শিক্ষাবিদ, ৰাজনীতিবিদ, মহান খেলুৱৈ আৰু মহান সঙ্গীতজ্ঞৰ জন্ম হৈছিল। কিন্তু দুখৰ বিষয় উত্তৰ গুৱাহাটীৰ বহু অভিভাৱকে নিজৰ সন্তানক উত্তৰ গুৱাহাটী মহাবিদ্যালয়ত শিক্ষা গ্ৰহণত উৎসাহ যগোৱাৰ বাবে আগ্ৰহী নহয়। প্ৰবেশিকা পৰীক্ষাত সু-খ্যাতিৰে উত্তীৰ্ণ হ'লেই গুৱাহাটীৰ যিকোনো এখন মহাবিদ্যালয়ত নামভৰ্তি কৰি শিক্ষা গ্ৰহণৰ ব্যৱস্থা কৰে।

মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ বহুতো অভাৱ অনুভৱ কৰিছিলোঁ। এটি সুস্থ শৈক্ষিক পৰিবেশৰ বাবে আমাৰ মহাবিদ্যালত প্ৰয়োজনীয় কিছুমান ব্যৱস্থাৱলী হ'ল ঃ

* NAAC অৰ ৰিপৰ্ট অনুযায়ী মহাবিদ্যালয়ত কিছুমান বৃত্তিমুখী পাঠ্যক্ৰমৰ ব্যৱস্থা কৰা।
* মহাবিদ্যালয়ৰ কম্পিউটাৰ চেণ্টাৰৰ উন্নতি সাধন কৰি তাত ইণ্টাৰনেট সেৱা প্ৰচলন কৰা।
* মহাবিদ্যালয়ৰ চাৰিওফালে দেৱালৰ ব্যৱস্থা কৰা।
* খেল পথাৰখন আধুনিক খেল পথাৰলৈ ৰূপান্তৰ কৰা।
* ছাত্ৰ জিৰণি কোঠা এটি নতুনকৈ নিৰ্মাণ কৰা ইত্যাদি।

এটি সুস্থ সবল প্ৰশাসন, ছাত্ৰ-ছাত্ৰীৰ একাগ্ৰতা তথা নিয়মানুবৰ্তিতা, শৃংখলতা আৰু মাননীয় শিক্ষাগুৰু সকলৰ প্ৰচেষ্টা আৰু সহযোগেৰে আমাৰ মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ আৰু অধিক উন্নত হ'ব বুলি আশা ৰাখিলোঁ।

মোৰ এবছৰীয়া কাৰ্যকালত নিশ্চয়কৈ ভুল-ত্ৰুটিৰ অৱকাশ নথকা নহয়। কিন্তু যিসকলৰ আশীৰ্বাদ আৰু অনুপ্ৰেৰণাই মোৰ যাত্ৰা পথ সুচল কৰি তুলিলে তেওঁলোকলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ আৰু অধিক উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন ইমানতে সামৰিছো।

"জয়তু উত্তৰ গুৱাহাটী মহাবিদ্যালয়"

"জয়তু উত্তৰ গুৱাহাটী মহাবিদ্যালয় ছাত্ৰ একতা সভা"

ধন্যবাদেৰে

ৰূপাংকুৰ তালুকদাৰ

উত্তৰ গুৱাহাটী মহাবিদ্যালয়

ছাত্ৰ একতা সভা





# সহঃ সাধাৰণ সম্পাদক প্ৰতিবেদন

## ২০০৬ - ২০০৭ শি...বৰ্ষ



...প্ৰাণ আহুতি দিয়া মহান ব্যক্তিলৈ মই মোৰ শ্ৰদ্ধা নিবেদিছো।

...ৰশান্তি কামনা কৰিছো।

...ই অন্য ছাত্ৰ-ছাত্ৰীৰ নিচিনাকৈ মই

...কি। কিছুমানৰ সম...

বিদ্যাৰ আলয়

উত্তৰ গুৱাহাটী মহাবিদ্যালয়

তুমি সদায়েই আলোকিত

তোমাৰ জ্ঞানৰ জ্যোতিৰে।।

প্ৰতিবেদনৰ আৰম্ভণিতে মই উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ অধ্যক্ষকে আদি কৰি শিক্ষাগুৰু আৰু কৰ্মকৰ্তাসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ লগতে উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীসকললৈ মই শুভেচ্ছা জনাইছো।

উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদক ৰূপে কাৰ্যকালৰ আৰম্ভণি কৰিছিলো কলেজ সপ্তাহ উদ্‌যাপনৰ জৰিয়তে তদুপৰি সৰস্বতী পূজা, নৱাগত আদৰণী সভা আৰু অন্যান্য সকলো দিশতে মই সহায়-সহযোগ আগবঢ়াইছিলো।

মোৰ কাৰ্যকালত সকলো ক্ষেত্ৰতে দিহা পৰামৰ্শ তথা সহায়-সহযোগিতা আগবঢ়োৱা শিক্ষাগুৰু আৰু বন্ধু-বান্ধৱী সকললৈ আন্তৰিক কৃতজ্ঞতা অৰ্পণ কৰিলোঁ।

পৰিশেষত মোৰ কাৰ্যকালত অজানিতে হোৱা ভুল-ভ্ৰান্তিবোৰৰ বাবে মই আটাইৰে ওচৰত ক্ষমাপ্ৰাৰ্থী। উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰিছো।

'জয়তু উত্তৰ গুৱাহাটী মহাবিদ্যালয়'

'জয়তু উত্তৰ গুৱাহাটী মহাবিদ্যালয় ছাত্ৰ একতা সভা'।

ধন্যবাদেৰে

অজিত বড়ো

উত্তৰ গুৱাহাটী মহাবিদ্যালয়

ছাত্ৰ একতা সভা

# সাধাৰণ [illegible]হৰৰ স্বীকাৰোক্তি

২০০[illegible] - ২০০৭ শিক্ষাবৰ্ষ

[illegible]ক, নগ'চিয়ান

জয় জয়তে উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ ছাত্ৰ এ[illegible]আলোচনী সম্পাদক হিচাপে এই চেগতে যিসকল মহান ব্যক্তি আৰু নগ'চিয়ানলৈ মই মোৰ শ্ৰদ্ধা যাচিছোঁ। লগতে যিসকল ম[illegible]ল সেইসকলৰ প্ৰতি মই মোৰ সশ্ৰদ্ধ প্ৰণাম তথা কৃতাঞ্জলী যাছিলোঁ। সেই সকলৰ প্ৰতি মই সশ্ৰদ্ধ প্ৰণাম আৰু কৃতজ্ঞতা যা[illegible]পে বাচনি হোৱাৰ পূৰ্বে যোৱা শিক্ষাবৰ্ষতো মই আলোচনী সম্পাদকৰ [illegible]। এই শিক্ষাবৰ্ষত নিৰ্বাচিত সম্পাদক নথকাৰ পৰিপ্ৰেক্ষিতত মোক

১৯৬২ চনৰ ৪ চেপ্তেম্বৰত স্থাপিত হোৱা উত্তৰ [illegible]হাটী মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক ৰূপাংকুৰ হোৱা এখন পূৰ্ণাঙ্গ মহাবিদ্যালয়। এই মহান শিক্ষানুষ্ঠানটিতে ধন্যবাদ জ্ঞাপন কৰিলোঁ। সুস্থ শৈক্ষিক পৰিবেশ বৰ্তাই ৰখা আৰু সমূহ নগ'চিয়ানক [illegible] ৰূপে কাৰ্যভাৰ গ্ৰহণ কৰি নতুন উদ্যমেৰে প্ৰথম কাম কৰিবলৈ কৰ্তব্য পালন কৰিলোঁ। সাধাৰণ[illegible] সকলে নিজক [illegible]লে যদিও এটা সপ্তাহ সম্পূৰ্ণ বুজায়, আমাৰ মহাবিদ্যালয় সপ্তাহ কলেজ সপ্তাহকে পালো। [illegible]-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰী কাম কৰিবলৈ আগবাঢ়িলো তাত বহুতো অসুবিধাৰ মাজেৰেও মই মানে তিনি বা চাৰি দিনৰ কাৰণেহে পালন কৰা [illegible]। গতিকে সেইখিনি সময়ৰ ভিতৰত প্ৰত্যেকটো বিভাগৰ সকলো খেল-ধেমালি পাতিবলৈ অসুবিধা হয়, যিহেতু প্ৰায়ভাগ বিভাগৰে প্ৰতিযোগিতা সমূহ সময়ৰ অভাৱত একেলগে আৰম্ভ কৰিবলগীয়া হয় বা কৰা হয়। তথাপিতো সীমিত সময়ৰ ভিতৰত মই অনুষ্ঠিত কৰা প্ৰতিযোগিতা সমূহ হ'ল-

১। থিতাতে লিখা গল্প প্ৰতিযোগিতা।

২। থিতাতে লিখা কবিতা প্ৰতিযোগিতা।

৩। থিতাতে লিখা ৰচনা প্ৰতিযোগিতা।

তাৰোপৰি সৰস্বতী পূজা, নৱাগত আদৰণি সভা ইত্যাদি আমি ছাত্ৰ একতা সভাৰ সদস্যসকল লগ হৈ উদ্‌যাপন তথা পৰিচালনা কৰিছিলোঁ।

আলোচনীখন সম্পাদনাৰ ক্ষেত্ৰত সুচাৰুৰূপে পৰিচালনা কৰাত সহায় কৰাৰ বাবে তত্বাৱধায়ক সৰ্বশ্ৰী যতীন্দ্ৰ চৌধুৰী, মালোসী চৌধুৰী, তাৰিণীকান্ত হালৈ, ভূপেশ দাস, জিতেন্দ্ৰ কুমাৰ চৌধুৰী মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলৰ লগতে বন্ধুবৰ ৰূপাংকুৰ তালুকদাৰ, মানৱ কুমাৰ বৰাৰ ওচৰত চিৰ কৃতজ্ঞ। মোৰ কাৰ্যকালত বিভিন্ন ধৰণৰ সহায় সহযোগিতাৰ বাবে বিনীতা শৰ্মা বাইদেউক কৃতজ্ঞতা জনাবলৈ ভাষা নাই।

সদৌ শেষত মোৰ অজানিতে হোৱা ভূলৰ বাবে ক্ষমা বিচাৰি লুইতৰ বুকুত অবিৰত চঞ্চল উৰ্মিমালাৰ দৰে উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ চিৰযৌৱন সোঁত অবিৰত থাকক আৰু সৰ্বাঙ্গীন শুভ কামনাৰে 'ন'গচিয়ান' ফুলে পাতে মধুস্মিতা হৈ অনুষ্ঠানৰ মজিয়া উজ্জ্বলাই ৰাখক সেই আশাৰেই মই মোৰ প্ৰতিবেদনৰ ইমানতে সামৰণি মাৰিছো।

জয়তু উত্তৰ গুৱাহাটী মহাবিদ্যালয়

জয়তু উত্তৰ গুৱাহাটী মহাবিদ্যালয় ছাত্ৰ একতা সভা

ধন্যবাদেৰে

প্ৰাঞ্জল বৰুৱা

উত্তৰ গুৱাহাটী মহাবিদ্যালয়, ছাত্ৰ একতা সভা





# সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন

২০০৬ - ২০০৭ শিক্ষাবৰ্ষ



প্ৰতিবেদনৰ আৰম্ভণিতেই দেশ-মাতৃৰ হকে সেৱা আগবঢ়াই প্ৰাণ আহুতি দিয়া মহান ব্যক্তিলৈ মই মোৰ শ্ৰদ্ধা নিবেদিছো। লগতে সন্ত্ৰাসবাদৰ বলি হৈ মৃত্যুবৰণ কৰা আটাইলৈও আত্মাৰ চিৰশান্তি কামনা কৰিছো।

উত্তৰ গুৱাহাটী মহাবিদ্যালয়লৈ প্ৰথম অহাৰ পিছৰে পৰাই অন্য ছাত্ৰ-ছাত্ৰীৰ নিচিনাকৈ মইও প্ৰায়েই দেখি আহিছিলো মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বিভিন্ন সমস্যা, অভাৱ-অভিযোগ ইত্যাদিক। কিছুমানৰ মতে তেনে সমস্যা আগৰে পৰাই চলি আহিছে আৰু চলিয়ে থাকিব। কিন্তু মোৰ বোধেৰে যদি যিকোনো সমস্যা বা অভাৱ অভিযোগ আগৰে পৰাই আছিল বাবেই আগলৈও থাকিব বুলি আমি ভাবোঁ, তেন্তে 'পৰিবৰ্তন' বোলা শব্দটোৰ কোনো অৰ্থই নাথাকিব। সেয়েহে মহাবিদ্যালয়ৰ সমস্যা আৰু অভাৱ অভিযোগক দূৰ কৰাৰ উদ্দেশ্যক আগত ৰাখি মই প্ৰতিদ্বন্দ্বীতা কৰিছিলো ছাত্ৰ একতা সভাৰ নিৰ্বাচনত সাংস্কৃতিক সম্পাদকৰ পদত' এই ক্ষেত্ৰত অৱশ্যে মোক মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে সহায়ৰ হাত আগবঢ়াইছিল। যাৰ ফলত মই সাংস্কৃতিক সম্পাদকৰ পদত জয়লাভ কৰি মহাবিদ্যালয়ৰ উন্নতিৰ হকে কিবা এটা কৰাৰ সুবিধা পাইছিলো। সেয়েহে মই মহাবিদ্যালয়ৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ ওচৰত চিৰ কৃতজ্ঞ।

ছাত্ৰ-ছাত্ৰীৰ শৰীৰ সুস্থ আৰু সবলকৈ ৰাখিবলৈ হ'লে খেলা ধূলাৰ যি প্ৰয়োজন, ঠিক তেনেকৈ মানসিক তথা বৌদ্ধিক উৎকৰ্ষ সাধন কৰিবলৈকো সাহিত্য সংস্কৃতি, গীত-মাত, অভিনয়, তৰ্ক আলোচনা চক্ৰ আদিৰো যে প্ৰয়োজন তাক আমি উপলব্ধি কৰো। মোৰ কাৰ্যকালত মই প্ৰথমেই সুচাৰুৰূপে চলাই নিব লগা হৈছিল মহাবিদ্যালয় সপ্তাহৰ মোৰ দায়িত্বত থকা বিভিন্ন কাৰ্যসূচীক। ২০০৭ চনৰ ইং ৪ ডিচেম্বৰ তাৰিখৰ পৰা আৰম্ভ হোৱা মহাবিদ্যালয় সপ্তাহৰ শুভাৰম্ভ হিচাপে আয়োজন কৰিছিলো, এটি বাৰেবৰণীয়া সাংস্কৃতিক শোভাযাত্ৰাৰ আৰু জ্যোতি সংগীত, ৰাভা সংগীত আদি বিভিন্ন সংগীতৰ এখনি সংগীত প্ৰতিযোগিতাৰো আয়োজন কৰিছিলো। ৬ ডিচেম্বৰ তাৰিখে ৰাতিপুৱা ১০ বজাৰ পৰা সাংস্কৃতিক অনুষ্ঠানৰ লগতে বঁটা বিতৰণি অনুষ্ঠানো অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয় সপ্তাহৰ পিছতেই উঃ গুঃ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ জৰিয়তে সুন্দৰ ভাবে চলাই নিছিলো বিদ্যাৰ অধিষ্ঠাত্ৰি সৰস্বতী দেৱীৰ পূজাখন। ইয়াৰ পিছতেই মই সন্মুখীন হৈছিলো, মহাবিদ্যালয়ৰ আটাইতকৈ আকৰ্ষণীয় অনুষ্ঠান 'নৱাগত আদৰণি' সভাৰ। যোৱা কেইবছৰ মানৰ পৰা দেখি আহিছো, অনুষ্ঠানটোৰ নামটোহে নৱাগত আদৰণি সভা ৰখা হয়। তাত নৱাগতৰ লগত চা-চিনাকি হোৱা দেখা নাযায়। তাৰোপৰি সভাখনৰ শেষৰ সাংস্কৃতিক অনুষ্ঠানত সাধাৰণ বাদ্যযন্ত্ৰৰ অবিহনেই কেইজনমান ছাত্ৰ বা ছাত্ৰীয়ে গীত পৰিৱেশন কৰি সাংস্কৃতিক অনুষ্ঠানৰ সমাপ্তি কৰাটো মহাবিদ্যালয়ৰ বাবে বৰ পৰিতাপৰ কথা। সেয়েহে মই মোৰ কাৰ্যকালত নৱাগত-নৱাগতাৰ লগত হাঁহি-ধেমালীৰে সাধাৰণ ছাত্ৰ-ছাত্ৰীৰ চা-চিনাকীৰ এটি অনুষ্ঠান ৰাখিছিলো। এই চা-চিনাকী অনুষ্ঠানটোত শ্ৰদ্ধাৰ ড০ ৰুণুমী দেৱী বাইদেউৰে আঁত ধৰি তেখেতৰ ৰসাল কথাৰে

সকলোকে হাঁহিৰ খোৰাক দিছিল। সেয়েহে এই সুযোগতে শ্ৰদ্ধাৰ ড০ ৰুণুমী দেৱী বাইদেউলৈ মোৰ শ্ৰদ্ধা তথা কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মহাবিদ্যালয়ৰ সাধাৰণ ছাত্ৰ-ছাত্ৰীসকলে জানি থোৱা খুবেই প্ৰয়োজন যে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা অৰ্থনৈতিক ভাবে খুবেই দুৰ্বল। সেয়েহে যিকোনো এটা কাম কৰাৰ আগমুহূৰ্তত সদায়েই স্তব্ধ হৈ ৰব লগা হৈছিল। মনতে বিভিন্ন ধৰণৰ কাম কৰিম বুলি ভাবিও কিন্তু অৰ্থৰ অভাবত কৰিব পৰা নগৈছিল। যাৰ ফলত গতানুগতিক কামখিনিৰ বাহিৰে আন একোৱেই কৰিব পৰা নাছিলো। সেয়েহে এই প্ৰতিবেদনৰ জৰিয়তে মহাবিদ্যালয় কৰ্তৃপক্ষলৈ মোৰ এটি বিশেষ অনুৰোধ, আগলৈও যদি ছাত্ৰ একতা সভাৰ পূজিৰ অৱস্থা একেই থাকে তেনেহ'লে 'ছাত্ৰ একতা সভা' নিৰ্বাচিত নকৰাটোৱেই উচিত হ'ব । কিয়নো ছাত্ৰ একতা সভাৰ নিৰ্বাচনৰ আগমুহূৰ্তত প্ৰতিজন প্ৰাৰ্থীয়ে কিছুমান নতুন কাম কৰাৰ প্ৰতিশ্ৰুতি দিয়ে, কিন্তু টকাৰ অভাৱতেই হওক বা অন্য কিবা কাৰণতেই হওক প্ৰতিশ্ৰুতি সমূহক পিছলৈ কাৰ্যকৰী কৰিব নোৱাৰাৰ ফলত প্ৰতিজন ছাত্ৰ সম্পাদকেই অন্য ছাত্ৰ-ছাত্ৰীৰ চকুত হৈ পৰে ৰাজনৈতিক নেতাসমূহৰ লগত তুলনা কৰিব পৰা, নিজ স্বাৰ্থক গুৰুত্ব দিয়া, একো একোজন ছাত্ৰ সম্পাদক।

হে মহান ছাত্ৰ-ছাত্ৰীসকল, এটা কথা মনত ৰাখিব কেৱল শিক্ষাৰ ক্ষেত্ৰত প্ৰশংসা বুটলিলেই নহ'ব; লগতে বুটলিব পাৰিব লাগিব সাহিত্য-সংস্কৃতি আৰু খেলা-ধূলাৰ লগতে অন্যান্য দিশবোৰতো তাৰ কাৰণে লাগিব নিয়মিত চৰ্চা আৰু যিকোনো অনুষ্ঠানত অংশগ্ৰহণ কৰাৰ হেপাহ। আৰু তেতিয়াহে গৌৰৱ উজ্জ্বল উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ গৌৰৱৰ কীৰ্ত্তি আৰু উজলি উঠিব।

শেষত সাংস্কৃতিক বিভাগৰ বিভিন্ন গীত-মাত ইত্যাদি অনুষ্ঠানত নিৰপেক্ষ বিচাৰ কৰি ছাত্ৰ-ছাত্ৰীসকলক উপকৃত কৰা বাবে মোৰ বিভাগৰ ফালৰ পৰা বিচাৰক মণ্ডলীলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো লগতে প্ৰত্যেক দিশতে দিহা পৰামৰ্শৰে সহায় কৰা মোৰ তত্বাৱধায়ক শ্ৰীযুত অজিত ডেকা ছাৰ, বৰ্তমানৰ অধ্যক্ষ মহোদয় ডঃ সৰ্বানন্দ দাস ছাৰ লগতে শ্ৰীযুতা মালসী চৌধুৰী বাইদেউলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো। মোৰ কাৰ্যকালত বিভিন্ন দিশত সহায় কৰা বন্ধুবৰ্গ সৰ্বশ্ৰী - চম্পক, বিনয়, নিৰঞ্জন, নৱজ্যোতি, উজ্জ্বল, ভৃগু, ধীৰাজ, টিংকু, মৌচুমী, ডেইজী, বিন্তী, বৰষা, ৰিমজিম, ধৃতিপৰ্ণা সকলোলৈ মই এই সুযোগতে ধন্যবাদ জ্ঞাপন কৰিছো।

সদৌ শেষত মহাবিদ্যালয়ৰ উন্নতি কামনা কৰিছো আৰু মোৰ কাৰ্যকালত হোৱা অনিচ্ছাকৃত ভুল-ক্ৰটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

শংকৰে দিলে
বিশুদ্ধ ধৰ্ম
লাচিতে বাহুত বল
সতী জয়মতীৰ
সতীত্ব তেজেৰে
অসমী আই প্ৰবল।

ধন্যবাদ সহকাৰে
মানৱ কুমাৰ বড়া
উত্তৰ গুৱাহাটী মহাবিদ্যালয়
ছাত্ৰ একতা সভা





# বহিঃ খেল বিভাগৰ সম্পাদকীয় প্ৰতিবেদন

## ২০০৬ - ২০০৭ শিক্ষাবৰ্ষ



প্ৰতিবেদনৰ আৰম্ভণিতে ২০০৬-০৭ বৰ্ষৰ বহিঃখেল বিভাগৰ সম্পাদক ৰূপে সেৱা আগবঢ়াবলৈ দিয়াত মই উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ ছাত্ৰীলৈ মোৰ কৃতজ্ঞতা যাছিলোঁ।

উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ ক্ৰীড়া বিভাগৰ দায়িত্ব মোৰ ওপৰত ন্যস্ত কৰা হৈছিল। সেই দায়িত্ব বিভিন্ন ঘাত প্ৰতিঘাতৰ মাজেৰে পালন কৰিয়েই মই বহিঃখেল বিভাগৰ খেল সমূহকলৈ মহাবিদ্যালয়ৰ সপ্তাহ চলাই নিছিলো।

বিভাগীয় দায়িত্ব বহন কৰি ক্ৰীড়া সমস্যাবহুল বিভাগটোৰ উন্নতি কৰাৰ অসীম আগ্ৰহ কৰিছিলো। মই মোৰ কাৰ্য সম্পাদন কৰাত ক্ৰুটী কৰা নাই। অনিচ্ছাকৃত ভুল আৰু অসমৰ্থতাৰ বাবে মই ক্ষমাপ্ৰাৰ্থী।

সদৌ শেষত উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ যিসকল বন্ধু-বান্ধৱীয়ে মোৰ কাৰ্যকাল সুকলমে চলাই নিয়াৰ বাবে সহায় সহযোগ কৰিলে তেওঁলোকক আন্তৰিক কৃতজ্ঞা জ্ঞাপন কৰিলো আৰু উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ ভৱিষ্যৎ উন্নতি কামনাৰে সামৰিছোঁ।

'জয়তু উত্তৰ গুৱাহাটী মহাবিদ্যালয়'

ধন্যবাদেৰে
ৰূপম বড়ো
উত্তৰ গুৱাহাটী মহাবিদ্যালয়
ছাত্ৰ একতা সভা

# সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

ইং ২০০৬ - ২০০৭ চন



প্ৰতিবেদনৰ আৰম্ভণিতে স্বদেশৰ হকে প্ৰাণ বিসৰ্জন দিয়া শ্বহীদ সকললৈ মই অশ্ৰু অঞ্জলি যাচিছোঁ।
২০০৬-০৭ চনৰ বাবে মহাবিদ্যালয়ৰ সমাজ সেৱা বিভাগৰ সম্পাদকৰ পদত মোক নিৰ্বাচিত কৰি মহাবিদ্যালয়খনলৈ
সেৱা আগবঢ়োৱাৰ সুযোগকণ দিয়াৰ বাবে সমূহ ন'গচিয়ান বন্ধুলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।
সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিয়েই মহাবিদ্যালয়ৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰসকলৰ সহযোগত কলেজ চৌহদত এটা
এদিনীয়া চাফাই অভিযান চলাইছিলো। তাৰ উপৰি মহাবিদ্যালয়খন সদায় চাফ চিকুণকৈ ৰখাৰ চেষ্টা কৰিছিলোঁ। মোৰ এই
কাৰ্যকালত মহাবিদ্যালয় সপ্তাহ, সৰস্বতী পূজা আৰু অন্যান্য সকলো দিশত মই পাৰ্যমানে সহায় আগবঢ়াইছিলো।
ইয়াৰ লগতে মোৰ কাৰ্যভাৰ চলাই নিয়াত বিভিন্ন দিহা পৰামৰ্শ তথা সহায় সহযোগিতা আগবঢ়োৱা বাবে মহাবিদ্যালয়ৰ
ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী, সমূহ শিক্ষাগুৰু তথা মোৰ বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক ডঃ মদন চন্দ্ৰ দাস ছাৰলৈ মোৰ আন্তৰিক শ্ৰদ্ধা
আৰু ধন্যবাদ যাচিছোঁ।

সদৌ শেষত মোৰ কাৰ্যকালত অজানিতে কৰা ভুল-ক্ৰটিৰ বাবে ক্ষমা বিচাৰিছোঁ। মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যৎ কামনা
কৰি মই মোৰ প্ৰতিবেদন সামৰণি মাৰিলো।

ঃ জয়তু উত্তৰ গুৱাহাটী মহাবিদ্যালয় ঃ

ধন্যবাদেৰে
অমিত বৰা
উত্তৰ গুৱাহাটী মহাবিদ্যালয়
ছাত্ৰ একতা সভা





# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদকীয় প্ৰতিবেদন

ইং ২০০৬-০৭



প্ৰতিবেদনৰ আৰম্ভণিতে জ্ঞাত অজ্ঞাত শ্বহীদ সকললৈ অশ্ৰু অঞ্জলি যাচিছোঁ। লগতে ২০০৬-২০০৭ চনৰ ছাত্ৰী জিৰণি
কোঠাৰ সম্পাদিকা পদত নিৰ্বাচিত কৰি মহাবিদ্যালয়খনলৈ সেৱা আগবঢ়োৱাৰ সুযোগকণ দিয়াৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰী তথা
বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।
মোৰ সামান্য জ্ঞান তথা অভিজ্ঞতাৰে যিখিনি জানো সেইমতে ছাত্ৰী জিৰণি কোঠাতো অকল ছাত্ৰীসকল বহি কথা পতা
ঠাইয়েই হোৱা উচিত নহয়। ই এটা অধ্যয়ন কক্ষ, হ'ব লাগে লগতে খেলা-ধূলাৰ সুবিধা থাকিব লাগে। ছাত্ৰীসকলে বিভিন্ন
গঠনমূলক আলোচনা আদি ইয়াতেই কৰিবৰ ব্যৱস্থা থাকিব লাগে। কিন্তু ব্যৱস্থা থাকিলেই নহ'ব, ছাত্ৰীবোৰে ইয়াৰ উচিত ব্যৱহাৰ
কৰিব লাগিব।
লগতে কৰ্তৃপক্ষৰ ওচৰত আবেদন কৰো যাতে আমি ভবা ধৰণে কৰ্তৃপক্ষই কথাবোৰ চিন্তা কৰে আৰু কাৰ্যকৰী ব্যৱস্থা
গ্ৰহণ কৰে। ইয়ে ছাত্ৰীসকলৰ মানসিক বিকাশ আৰু সৌন্দৰ্য আৰু সুস্বাস্থ্য অটুট ৰাখিব।
আন আন বছৰৰ দৰে আমি কাৰ্যভাৰ গ্ৰহণ কৰিয়েই মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰিছিলোঁ। এই মহাবিদ্যালয় সপ্তাহত
ছাত্ৰী জিৰণি কোঠাৰ ফালৰ পৰা বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল আৰু এইবোৰ সুকলমে চলাই নিয়াত সহায়
সহযোগিতা আগবঢ়োৱা ছাৰ, বাইদেউ আৰু বন্ধু-বান্ধৱীসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।
ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে মই ছাত্ৰী বান্ধৱী সকললৈ অনুৰোধ জনাওঁ যে তেওঁলোকেও যেন জিৰণি
কোঠোটো পৰিষ্কাৰ কৰি ৰখাত আগভাগ লয়। মই কৰিব নোৱাৰা কামখিনি যাতে পিছলৈ হৈ উঠে, তাৰ বাবে কৰ্তৃপক্ষক
অনুৰোধ জনাইছোঁ।
সদৌ শেষত দুষ্কৃতি আঁতৰাই সংস্কৃতিক সাৰটি লৈ মহাবিদ্যালয়খনৰ হকে যুঁজ দিবলৈ অনাগত সকলক আহ্বান জনাইছো
আৰু লগতে মোৰ কাৰ্যকালৰ ভিতৰত অজানিতে কৰা ভুল ক্ৰটিৰ বাবে আপোনালোকৰ ওচৰত ক্ষমা বিচাৰিছো আৰু
মহাবিদ্যালয়খনৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ।

জয়তু উত্তৰ গুৱাহাটী মহাবিদ্যালয়
জয়তু উত্তৰ গুৱাহাটী মহাবিদ্যালয় ছাত্ৰ একতা সভা

ধন্যবাদেৰে
ৰীমা দাস
উত্তৰ গুৱাহাটী মহাবিদ্যালয়, ছাত্ৰ একতা সভা

# ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

ইং ২০০৬-০৭



প্ৰতিবেদনৰ আৰম্ভণিতে ২০০৬-০৭ বৰ্ষৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক ৰূপে সেৱা আগবঢ়াবলৈ দিয়াত মই উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী আৰু মোৰ শিক্ষাগুৰু সকলক মোৰ কৃতজ্ঞতা যাচিলোঁ।

উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ বহুতো সমস্যা আছে। আৰু সেইবোৰৰ ভিতৰত এটা সমস্যা হৈছে ছাত্ৰ জিৰণি কোঠা। কাৰ্যভাৰ পোৱাৰ পিছৰে পৰা এটা স্থায়ী ছাত্ৰ জিৰণী কোঠাৰ বাবে বহু চেষ্টা কৰিছিলোঁ। বহু চেষ্টা কৰাৰ পিছত আমাৰ অধ্যক্ষ মহোদয়ে এটা ছাত্ৰ জিৰণী কোঠাৰ ব্যৱস্থা কৰি দিছিল। কিন্তু কেইদিনমানৰ পিছতে সেই ব্যৱস্থাও অস্থায়ী হৈ ৰ'ল। মই মোৰ কাৰ্যকাল থকালৈকে এটা ভাল আৰু স্থায়ী ছাত্ৰ জিৰণী কোঠাৰ ব্যৱস্থা কৰিব নোৱাৰিলোঁ। সেইবাবে মই ছাত্ৰ সকলৰ ওচৰত খুবেই দুঃখিত। মই আশা কৰো মোৰ পিছৰ কাৰ্যকৰী সমিতিয়ে এটা উন্নত মানৰ জিৰণী কোঠাৰ ব্যৱস্থা কৰাও পুনৰ গুৰুত্ব আৰোপ কৰিব।

মোৰ এই কাৰ্যকাল ছোৱাত বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ, সৰস্বতী পূজা আৰু অন্যান্য সকলো দিশতে সহায় সহযোগ আগবঢ়াবলৈ মই চেষ্টা কৰিছিলোঁ।

সদৌ শেষত উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ মোৰ চিৰপূজ্য শিক্ষাগুৰু আৰু বন্ধু-বান্ধৱী সকলে মোৰ এই কাৰ্যকাল চলাই নিয়াত যি সহায় সহযোগিতা আগবঢ়ালে তাৰ বাবে মই তেওঁলোকক আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ আৰু শেষত নব নিৰ্বাচিত ছাত্ৰ-জিৰণি কোঠাৰ সম্পাদকলৈ মোৰ বৈ যোৱা কাম সমূহ সমাধা কৰিবলৈ অনুৰোধ জনাই মোৰ জ্ঞাত-অজ্ঞাত ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি মই মোৰ প্ৰতিবেদনৰ ইমানতে সামৰণি মাৰিলোঁ।

"জয়তু উত্তৰ গুৱাহাটী মহাবিদ্যালয়"

জয় আই অসম

ধন্যবাদেৰে

কনজ্যোতি কলিতা

উত্তৰ গুৱাহাটী মহাবিদ্যালয়

ছাত্ৰ একতা সভা

(যথা সময়ত অন্তঃখেল বিভাগৰ সম্পাদক কংকনজ্যোতি দাস আৰু তৰ্ক বিভাগৰ সম্পাদক ভাস্কৰ দাসৰ প্ৰতিবেদন নোপোৱাৰ বাবে আলোচনীত প্ৰকাশিত কৰিব পৰা নগ'ল।)





## Editors of Nogaucian

| | | | |
|---|---|---|---|
| 1. | First editior | (1968 - 69) | Bhudhar Chaudhari and Kushal Das. |
| 2. | Second " | (1972 - 73 | Neelakanta Nath. |
| 3. | Third " | (1976 - 77) | Jadav ch. Goswami and Jugal Baruah. |
| 4. | Fourth " | (1978 - 79) | Arabinda Pathak. |
| 5. | Fifth " | (1982 - 83) | Mantuman Das, Meena Kumari Chaudhuri. |
| 6. | Sixth " | (1983 - 84 - 85) | Saurav Baruah and Ananta Kr. Deka. |
| 7. | 7th " | (1985 - 86 - 87) | Mukul Bordoloi, Porani Chaudhuri. |
| 8. | 8th " | (1987 - 88 - 89) | Prafulla Deka and Bhaskar Jyoti Kakoti. |
| 9. | 9th " | (1994 - 95) | Dharmendra Deka. |
| 10. | 10th " | (1996 - 97) | Khirood Sarmah. |
| 11. | 11th " | (1997 - 98) | Harkanta Kalita. |
| 12. | 12th " | (1998 - 99) | Archana Bora (Mili). |
| 13. | 13th " | (2000 - 2001) | Biraj Kumar Bora. |
| 14. | 14th " | (2002 - 2003) | Mridul Baishya. |
| 15. | 15th " | (2003 - 2004) | Kankan jyoti Tamuli. |
| 16. | 16th " | (2004 - 2005) | Parag Gogoi |
| 17. | 17th " | (2005 - 2006) | Bhrigu Kr. Borah. |
| 18 | 18th | (2006 - 2007) | Pranjal Baruah. |

## PRINCIPAL OF NORTH GAUHATI COLLEGE

| NAME | FROM | TO |
|---|---|---|
| Sri Kukil Bezbaruah | 4.9.62 | 28.12.63 |
| Sri Manindra Kr. Baruah | 26.12.63 | 31.3.94 |
| Sri Bhaba Kanta Sarmah | 14.94 | 31.8.98 |
| Sri Dhirendra Nath Kalita | 1.9.98 | 31.3.03 |
| Dr. Bhrigu Mohan Goswami | 1.4.03 | 30.11.03 |
| Hasmat Ali | 1.12.03 | 14.9.04 |
| Dr. Sarbananda Das | 15.9.04 | |

## GENERAL SECRETARIES OF NORTH GAUHATI COLLEGE STUDENTS UNION (FROM 1962 A.D. to 2003)

| | | |
|---|---|---|
| 1. | Arabinda Bora | 1962-63 |
| 2. | Narayan Kakoti | 1963-64 |
| 3. | Kanakeswar Sarma | 1964-65 |
| 4. | Amulya Bora | 1965-66 |
| 5. | Harmohan Barman | 1966-67 |
| 6. | Bhargab Sarma | 1967-68 |
| 7. | Hamen Sarma | 1968-69 |
| 8. | Keshab Talukdar | 1969-70 |
| 9. | Keshab Talukdar | 1970-71 |
| 10. | Guraram Saikia | 1971-72 |
| 11. | Latifur Rahman | 1972-73 |
| 12. | Chanakya Bhattacharyya | 1973-74 |
| 13. | Dhruba Baruah | 1974-75 |
| 14. | Md. Lam Ali | 1975-76 |
| 15. | Samedur Rahman | 1976-77 |
| 16. | Chandra Kanta Goswami | 1977-78 |
| 17. | Sambhu Sarma | 1978-79 |
| 18. | Ashok Goswami | 1979-80 |
| 19. | Rajen Bora | 1980-81 |
| 20. | Dwijen Nath | 1981-82 |
| 21. | Jogesh Saikia | 1982-83 |
| 22. | Mrinmoy Dowka | 1983-84 |
| 23. | Dilip Kr. Medhi | 1984-85 |
| 24. | Bikash Kakoti | 1985-86 |
| 25. | Madhusudhan Medhi | 1986-87 |
| 26. | Bikash Kakoti | 1987-88 |
| 27. | Anjan Kr. Deka | 1988-89 |
| 28. | Gunin Das | 1989-90 |
| 29. | Satyendra Deka | 1990-91 |
| 30. | Simanta Deka | 1991-92 |
| 31. | Simanta Deka | 1992-93 |
| 32. | Jyoti Prasad Tamuly | 1993-94 |
| 33. | Utpal Tamuly | 1994-95 |
| 34. | Dharmendra Tamuly | 1995-96 |
| 35. | Lokendra Baruah | 1996-97 |
| 36. | Ashok Dutta | 1997-98 |
| 37. | Dharmendra Baruah | 1998-99 |
| 38. | Nitumoni Saikia | 1999-2k |
| 39. | Pranabjyoti Pathak | 2000-01 |
| 40. | Girindra Nath | 2001-02 |
| 41. | Rupak Deka | 2002-03 |
| 42. | Chandan Kakoti | 2003-04 |
| 43. | Mausom Kakoti | 2004-05 |
| 44. | Anupam Borah | 2005-06 |
| 45. | Rupankur Talukdar | 2006-07 |

*******





## Faculty Members and Staffs

*Principal* : **Dr. Sarbananda Das, M.Sc. Ph. D.**

*Vice Principal (I/E)* : **Mr. Hasmat Ali, M. Sc.**

**Faculty Members**

**A. Department of English**
1. Mr. Jatindra Choudhury, M.A. (Hod)
2. Mrs. Sikha S Kashyap, M.A.
3. Mrs. Maloshi Choudhury, M.A. B.Ed.
4. Mrs. Jewelina Choudury, M.A. B.Ed.

**B. Department of Assamese**
1. Mr. Tarini Kanta Haloi, M.A. (Hod)
2. Mrs. Sikha Rani Kakati, M.A.
3. Mr. Denis Rabha, M.A.
4. (Vacant)

**C. Department of Zoology**
1. Mrs. Ellora Baruah, M.Sc. (Hod)
2. Mr. Sumanjit Kakati, M.Sc.
3. Mr. Prabhat Chandra Sarmah, M.Sc.
4. Mr. Jitendra Kumar Choudhury, M.Sc.

**D. Department of Botany**
1. Mr. Nolin Chandra Bora, M.Sc. M. Phil, Ph.D (HOD)
2. Mr. Mrigendra Nath Deka, M.Sc.
3. Mr. Amarendra Kumar Sarmah. M.Sc.
4. Dr. Sashadhar Kalita, M.Sc, Ph.D
5. Miss Dipti Rani Saikia, M.Sc.

**E. Department of Chemistry**
1. Dr. Jili Bardoloi, M.Sc. Ph.D (HOD)
2. Dr. Madan Chandra Das, M.Sc. Ph.D
3. Mr. Tapan Chandra Deka, M.Sc.
4. Mr. Pradip Kumar Kalita, M.Sc.

**F. Department of Physics**
1. Mr. Tapan Kumar Sarmah, M.Sc. (HOD)
2. Mr. Hupesh Das, M.Sc.
3. Mrs. Rashmi Dutta. M.Sc.
4. Dr. Dilip Das, M.Sc. Ph.D.

**G. Department of Mathematics**
1. Mr. Ganesh Chandra Das, M.Sc.M. Phil (HOD)
2. Dr. Kukil Kumar Barush, M.Sc. Ph.D.
3. Mr. Ratnajyoti Sarmah, M.Sc.
4. Mr. Achyutananda Baruah, M.Sc.

**H. Department of Anthropology**
1. Mr. Hasmat Ali, M.Sc. (HOD)
2. Dr. Sandhya Das, M.A. Ph.D.
3. Mr. Tikendrajit Sarmah, USc
4. Miss Hridaya Das, M.A.

**I. Department of Geography**
1. Mr. Pratap Chandra Barman, M.A (HOD)
2. Mr. Parsu Ram Barman M.A.M.Phil.
3. Mr. Prabhat Sarmah, M.A.M.Phil.
4. Mr. Bulen Kakati, M. Sc.
5. Mrs. Sujata Deori, M.A.

**J. Department of Economics**
1. Mr. Anupam Thakuria, M.A. (HOD)
2. Mrs. Daisy Das, M.A.
3. Dr. Taijuddin Ahmed, M.A.Ph.D. M. Phil. B.Ed.
4. Mr. Sanjay Pathori.

**K. Department of Edication**

1. Dr. (Mrs) Runumi Devi, M.A. Ph. D (HOD)
2. Mrs. Kasturi Deka, M.A.

**L. Department of Electronics**

1. Vacant.

**M. Department of History**

1. Mr. Ajit Chandra Deka, M.A. (HOD)
2. Mrs. Sangeeta Bezbaruah, M.A.

**N. Department of Political Science**

1. Mrs. Manisha Bhattacharyya, M.A. (HOD)
2. Mrs. Pratima Baruah, M.A.
3. Mrs. Banima Talukdar, M.A.

**Non-Teaching Staffs :**

A. Library Staffs

1. Mr. Rama Kanta Baruah. M. Lib. Sc.
2. Mr. Basanta Saikia.
3. Mr. Arabinda Das.

**B. Office Staffs :**

1. Mr. Ramani Kanta Deva Sarma, Head Assistant.
2. Mr. Deben Ch. Kakati.
3. Mr. Babul Ch. Sarmah. B.A.
4. Mr. Pitambar Baishya.
5. Mr. Upen Das.
6. Mr. Dandi Ram Kalita.
7. Mr. Sukamani Deka.
8. Mr. Amulya Das.
9. Mr. Niranjan Sharmah.
10. Mr. Ratneswar Das.
11. Mr. Bichitra Das.
12. Mr. Ruban Boro.
13. Mr. Jagat Nath.
14. Mrs. Mandira Boro.
15. Mrs. Parbati Harijan.
16. Mr. Humal Das.
17. Mr. Rupangkar Das.
18. Mr. Durgeswar Saikia.

**********

## Jokes

**Patient (to a doctor) :** Just see my condition.
**Doctor :** You need complete rest.
**Patient :** See my tongue.
**Doctor :** Your tongue also needs rest.







K. Departm
1. Dr. (N
2. Mrs.
L. Depart
1. Vaca
M. Depart
1. Mr.
2. Mrs.
N. Depart
1. Mrs.
2. Mrs
3. Mrs
Non-Teach
A. Lib
1. Mr.
2. Mr.
3. Mr.
B. Office
1. Mr



J. S. Shankar








অসমৰ স্বাস্থ্য মন্ত্ৰী ড' হিমন্ত বিশ্ব শৰ্মাৰ দ্বাৰা উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ নতুন একাডেমিক হলৰ উদ্বোধনী মুহূৰ্ত।



২০০৬-০৭ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক শোভাযাত্ৰা



মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে অধ্যক্ষ ড' সৰ্বানন্দ দাসৰ দ্বাৰা শ্বহীদ সকললৈ শ্ৰদ্ধাঞ্জলি অৰ্পণ।



উত্তৰ গুৱাহাটী মহাবিদ্যালয় প্ৰৱেশদ্বাৰ



উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ এটি দৃশ্য